SELF LEARNING MATERIAL

Master of Arts

# ASSAMESE

(Second Semester)

# ভাষাবিজ্ঞানৰ প্ৰাথমিক জ্ঞান

# ELEMENTS OF LINGUISTICS

COURSE : ASM – 203

(BLOCK : 1 – 5)

Directorate of Open & Distance Learning
DIBRUGARH UNIVERSITY
DIBRUGARH - 786 004

# Master of Arts
# ASSAMESE
## (Second Semester)

## COURSE : ASM – 203

**Contributor :**
Prof. Arpana Konwar
Department of Assamese
Dibrugarh University

**Editor :**
Dr. (Mrs.) Subasana Mahanta Choudhury
Department of Assamese
Dibrugarh University

ISBN : 978-81-947907-8-5

© Copy right by Directorate of Open & Distance Learning, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Open & Distance Learning, Dibrugarh University by the Director, DODL, D.U., and re-printed at Designer Graphics, H. S. Road, Dibrugarh - 786 001. Year, 2022.

# ভাষাবিজ্ঞানৰ প্ৰাথমিক জ্ঞান
# (Elements of Linguistics)

## সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| **খণ্ড ১ ঃ ভাষা আৰু ভাষাবিজ্ঞান (Language and Linguistics)** | **১-২৯** |
| গোটট ১ ঃ ভাষা কি ? ভাষাৰ সংজ্ঞা, ভাষাৰ উপাদান, ভাষাৰ বৈশিষ্ট্য | ৩ |
| গোঢ ২ ঃ ভাষাবিজ্ঞান কি ? ভাষাবিজ্ঞানৰ সংজ্ঞা, ভাষাৰ বিজ্ঞানসন্মত আলোচনাৰ গুণ, ভাষাবিজ্ঞানৰ বিকাশ | ১৫ |
| **খণ্ড ২ ঃ ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাগ আৰু ভাষাবিজ্ঞানৰ কেইটিমান মুখ্য ধাৰণা (Division of Linguistics Studies and some major concepts of Linguistics)** | **৩০-৫৪** |
| গোটট ১ ঃ বৰ্ণনাত্মক, ঐতিহাসিক, তুলনামূলক, মনোভাষাবিজ্ঞান, সমাজভাষাবিজ্ঞান, প্ৰায়োগিক ভাষাবিজ্ঞানৰ চমু আলোচনা | ৩২ |
| গোটট ২ ঃ ভাষাবিজ্ঞানৰ প্ৰয়োজনীয় চিন্তা ঃ এককালিক আৰু ক্ৰমকালিক ভাষাবিজ্ঞান, লাঁগ আৰু পাৰল | ৪৫ |
| **খণ্ড ৩ ঃ ভাষাবিজ্ঞান বিভাগ (Division of Linguistics)** | **৫৫-৮১** |
| গোটট ১ ঃ ধ্বনিতত্ত্ব, ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ সাধাৰণ ধাৰণা | ৫৫ |
| গোটট ২ ঃ ৰূপতত্ব, ৰূপবিজ্ঞান আৰু বাক্যতত্বৰ সাধাৰণ ধাৰণা | ৭২ |
| **খণ্ড ৪ ঃ ভাষাৰ বৰ্গীকৰণ (Classification of Language)** | **৮২-১১৩** |
| গোটট ১ ঃ ভাষাৰ শ্ৰেণীবিভাগ, পৃথিৱীৰ ভাষা পৰিয়াল | ৮৩ |
| গোটট ২ ঃ হটন্দো-হটউৰোপীয় ভাষা পৰিয়াল, ভাৰতৰ ভাষা পৰিয়াল চীন-তিব্বতীয় ভাষা পৰিয়াল | ৯৪ |
| **খণ্ড ৫ ঃ ভাষাৰ বিভিন্ন ৰূপ (Type of Language)** | **১১৪-১২৮** |
| গোটট ১ ঃ ভাষাৰ ভেদ কিয় হয় ? উপভাষা, ব্যক্তিভাষা, সামাজিক উপভাষা, পিজিন | ১১৫ |
| গোটট ২ ঃ ভাষাৰ ব্যক্তিগত ভেদ, মান্যভাষা, ৰাজ্যিকভাষা, ৰাষ্ট্ৰীয় ভাষা | ১২২ |

# খণ্ড ১ ঃ ভাষা আৰু ভাষাবিজ্ঞান
## (Language and Linguistics)

**গোট ১ ঃ ভাষা কি ? ভাষাৰ সংজ্ঞা, ভাষাৰ উপাদান, ভাষাৰ বৈশিষ্ট্য।**

**গোট ২ ঃ ভাষাবিজ্ঞান কি ? ভাষাবিজ্ঞানৰ সংজ্ঞা, ভাষাৰ বিজ্ঞানসন্মত আলোচনাৰ গুণ, ভাষাবিজ্ঞানৰ বিকাশ**

**প্ৰস্তাৱনা ঃ**

এই খণ্ডটি অধ্যয়নৰ জৰিয়তে তোমালোকে ভাষা আৰু ভাষাবিজ্ঞান সম্পৰ্কে কিছু কথা জানিব পাৰিবা। সমাজবদ্ধ মানুহৰ পাৰস্পৰিক যোগাযোগ বা ভাব বিনিময়ৰ প্ৰয়োজনতেই ভাষাৰ উদ্ভৱ আৰু বিকাশ ঘটিছে। এই ভাষানো কি? ভাষাৰ সংজ্ঞা, ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে সকলো কথা খৰচি মাৰি এই খণ্ডটিৰ প্ৰথম গোটটি অধ্যয়নৰ জৰিয়তে জানিব পাৰিবা। ভাষাই ভাব বিনিময়ৰ মাধ্যম ৰূপে কেনেদৰে কাম কৰে, অৰ্থাৎ বক্তা আৰু শ্ৰোতাৰ মাজত কেনেদৰে যোগসূত্ৰ স্থাপন কৰিব পাৰে এনেবোৰ কথাও বহলাই আলোচনা কৰা হৈছে। বক্তাই প্ৰেৰণ কৰা ভাবাৰ্থ বায়ু তৰংগৰে গৈ শ্ৰোতাৰ শ্ৰৱণেন্দ্ৰিয়ৰ দ্বাৰা মগজুত প্ৰৱেশ কৰাৰ লগে লগে প্ৰথমতে শ্ৰোতাই ধ্বনি বিশ্লেষ কৰি ধ্বনিৰ পাৰস্পৰিক যোগসূত্ৰ বিচাৰি লয়, তাৰ পাছত ধ্বনি আৰু ৰূপৰ সংযোগত গঢ় লোৱা বাক্যৰ অন্বয় বিশ্লেষ কৰি বক্তাৰ প্ৰেৰিত অৰ্থ বুজি লয়। এনেদৰে বক্তাৰ ভাব প্ৰেৰণ আৰু শ্ৰোতাৰ গ্ৰহণৰ মাজত ইমানবোৰ কৌশল সোমাই থাকে বুলি মনলৈ নাহে, এনেবোৰ কথাও তোমালোকে এই গোটটিৰ অধ্যয়নৰ জৰিয়তে বিশ্লেষণ কৰি চাব পাৰিবা। ভাষা যে কিছুমান বৈশিষ্ট্যৰ অধিকাৰী আৰু মানুহে কোৱা বা ব্যৱহাৰ কৰা মাত কথাকহে ভাষা কোৱা হয় এনেধৰণৰ কথাবোৰো বিচাৰ কৰি চাব পাৰিবা।

ভাষা প্ৰণালীবদ্ধ, অৰ্থাৎ সকলো ভাষাৰ ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থৰ ক্ষেত্ৰত বিশেষ একোটা প্ৰণালী থাকে। ভাষাৰ মাজত অন্তৰ্নিহিত হৈ থকা এই প্ৰণালীবোৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা হয়। ভাষাৰ এই

বিজ্ঞানসন্মত অধ্যয়নকে **'ভাষাবিজ্ঞান'** বোলা হৈছে। প্ৰথম খণ্ডৰ দ্বিতীয় গোটটিত ভাষাবিজ্ঞানৰ সংজ্ঞা আৰু কেতিয়াৰ পৰা কেনেদৰে ভাষাবিজ্ঞানৰ বিকাশ ঘটিছে এনেবোৰ কথা পুংখানুপুংখৰূপে আলোচনা কৰা হৈছে। মানুহে 'ভাষা' সম্পৰ্কে সচেতন হৈ এই সম্পৰ্কে চিন্তা-চৰ্চাৰ পাতনি মেলা প্ৰাচীন কালৰে পৰা পোৱা যায় যদিও প্ৰকৃততে খৃঃ পূঃ পঞ্চম শতাব্দী মানৰ পৰাহে ভাষাৰ শৃংখলাবদ্ধ আৰু ধাৰাবাহিক আলোচনাৰ ইতিহাস আৰম্ভ হয়। ভাষা চিন্তাৰ ক্ৰমবিকাশৰ ইতিহাসক তিনিটা ধাৰাত ভাগ কৰা হৈছে– ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান। ভাষা চিন্তাই পাতনি মেলাৰ পৰাই পৰম্পৰাগত ব্যাকৰণৰ ধাৰা আৰু তুলনামূলক ঐতিহাসিক ভাষা চৰ্চাৰ ধাৰা এটা চলি আছিল যদিও বিংশ শতিকাৰ প্ৰাৰম্ভৰ পৰাহে **'ভাষাবিজ্ঞান'** এই আধুনিক ভাষা চিন্তাৰ ধাৰাটোৰ আৰম্ভ হয়। এই ধাৰাৰ প্ৰথম প্ৰৱৰ্তক আছিল **'ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰ'**। ছছ্যুৰৰ সময়ৰ পৰা পৰৱৰ্তীকালৰ ভাষাবিজ্ঞানীসকলৰ ভাষা চিন্তাই কেনেদৰে ভাষাবিজ্ঞানৰ ক্ষেত্ৰখন অধিক জীপাল কৰি তুলিছে অৰ্থাৎ ভাষাবিজ্ঞানৰ গতি প্ৰকৃতি সম্পৰ্কে এই গোটটিত বহলাই আলোচনা কৰা হৈছে।

**গোট ১ ঃ ভাষা কি ? ভাষাৰ সংজ্ঞা, ভাষাৰ উপাদান, ভাষাৰ বৈশিষ্ট্য।**

**গঠন (Structure)**

**১.০ উদ্দেশ্য**

**১.১ প্ৰস্তাৱনা**

**১.২ ভাষা কি ?**

**১.২.১ ভাষাৰ সংজ্ঞা**

**১.২.২ ভাষাৰ বৈশিষ্ট্য**

**১.২.৩ ভাষাৰ উপাদান**

**১.৩ সাৰাংশ**

**১.৪ পাৰিভাষিক শব্দাৰ্থ**

**১.০ উদ্দেশ্য ঃ**

এই গোটটি পঢ়াৰ পাছত তোমালোকে –

- ভাষা কি – এই সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- ভাষাৰ সংজ্ঞা ব্যাখ্যা কৰিব পাৰিবা।
- ভাষাৰ বৈশিষ্ট্যৰ ভিত্তিত ভাষাৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰিব পাৰিবা।

**১.১ প্ৰস্তাৱনা ঃ**

মানুহে সমাজপাতি বাস কৰে। সমাজত বসবাস কৰা প্ৰত্যেকজন মানুহে সামাজিক কাম-কাজ চলাবৰ নিমিত্তে ইজনে সিজনৰ আগত মনৰ ভাব ব্যক্ত কৰিবলৈ নানা উপায় অৱলম্বন কৰে। এই উপায়সমূহৰ ভিতৰত সঘনে ব্যৱহৃত, প্ৰণালীবদ্ধ আৰু উন্নত উপায়টোৱেই হৈছে– ভাষা। ই ভাব বিনিময়ৰ এক শক্তিশালী মাধ্যম। ভাষাৰ অবিহনে মানুহৰ সামাজিক জীৱন অচল। ভাষানো কি, ভাষা ক'ৰপৰা কেনেদৰে সৃষ্টি হয়, ইয়াৰ প্ৰধান উপাদানসমূহ কি কি, ভাষাৰ বৈশিষ্ট্যনো কি কি – এনেবোৰ ভাষা সম্পৰ্কীয়

প্ৰাথমিক কথা এই গোটটিৰ পৰা তোমালোকে জানিব পাৰিবা।

## ১.২ ভাষা কি ?

তোমালোকে বাস কৰা সমাজখনত পুৱাৰ পৰা গধূলিলৈকে বহুতো মানুহ লগ পোৱা। এই মানুহবোৰৰ সৈতে মুখেৰে উচ্চাৰণ কৰা কিছুমান ধ্বনিৰ জৰিয়তে ভাব বিনিময় কৰা হয়। এই মুখেৰে উচ্চাৰিত অৰ্থবহ ধ্বনি সমষ্টিকে ভাষা বোলা হৈছে। এইবোৰক কিয় ভাষা বোলা হৈছে, ভাষা ক'ৰ পৰা কেনেদৰে সৃষ্টি হৈছে, এই বিষয়ে তোমালোকৰ আগত ক'বলৈ ওলাইছোঁ।

ভাষা মূলতঃ এক যোগাযোগৰ মাধ্যম। মানুহে পাৰস্পৰিক ভাব বিনিময়ৰ অৰ্থে মুখেৰে কিছুমান ধ্বনি উচ্চাৰণ কৰে। এই উচ্চাৰিত ধ্বনিৰ সহায়ত অৰ্থযুক্ত শব্দ সৃষ্টি কৰি ভাব বিনিময় কৰিবলৈ ব্যৱহাৰ কৰে। ইয়াকে সাধাৰণভাৱে 'ভাষা' বুলি কোৱা হয়। প্ৰতিটো ভাষা কোৱা লোকক **'ভাষিক সম্প্ৰদায়'** বুলি কোৱা হয়। একোটা ভাষিক সম্প্ৰদায়ে সেই সম্প্ৰদায়টোৰ মাজত বোধগম্য হোৱা কিছুমান ধ্বনি কথোপকথনৰ বাবে ব্যৱহাৰ কৰে আৰু এই ধ্বনিৰ সহায়তেই মানুহে ভাব বিনিময় কৰে।

ভাষা মানৱ-সংস্কৃতিৰ এক ঘাই উপাদান। একোটা জনগোষ্ঠীৰ সামূহিক জীৱন পদ্ধতিৰ কথা প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ভাষাৰ মাধ্যমেদি প্ৰকাশ পায়। বাস্তৱিকতে কোনো এটা ভাষাৰ ধ্বনি প্ৰণালীত ব্যৱহাৰ হোৱা প্ৰতিটো ধ্বনিয়েই একোটা প্ৰতীক চিহ্ন।

সংস্কৃত 'ভাষ্' শব্দৰ পৰা ভাষা সৃষ্টি হৈছে। 'ভাষ্' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে 'ব্যক্ত বাণী'। ইয়াৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Language', ইয়াৰ অৰ্থ হৈছে– 'The faculty of speech'। অৰ্থাৎ ব্যক্ত বাণীৰ দক্ষতা। 'ভাষা' শব্দটো কেৱল মানুহে ব্যৱহাৰ কৰা মাত-কথাৰ ক্ষেত্ৰতহে প্ৰয়োজ্য। মানুহৰ বাহিৰে অন্যান্য জীৱ-জন্তুবোৰে ভাব বিনিময় কৰিবলৈ কিছুমান প্ৰতীক ব্যৱহাৰ কৰে, যেনে– গৰুৱে হেম্বেলিয়ায়, চৰাইয়ে চি চি, কা কা, কু কু আদি কৰে। কিন্তু এই প্ৰতীকসমূহক 'ভাষা' বুলি কোৱা নহয়। যিহেতু জীৱ-জন্তু, চৰাই-চিৰিকতিবোৰে দুই এটা ইঙ্গিতসূচক প্ৰতীক ব্যৱহাৰ কৰাৰ বাদে সিহঁতে নিজৰ জ্ঞানৰ দ্বাৰা নতুন নতুন প্ৰতীক ব্যৱহাৰ কৰিব নোৱাৰে। সেয়েহে মানুহৰ মাত-কথাৰ বাহিৰে জীৱজন্তুৰ মাতক 'ভাষা' বুলি কোৱা নহয়। মানুহে সদায় বিভিন্ন পৰিস্থিতিত আৰু পৰিবেশত নিত্য নতুন ধ্বনি প্ৰতীক ব্যৱহাৰ কৰি পৰস্পৰে ভাব বিনিময় কৰে।

ওপৰৰ কথাখিনিৰ পৰা এই কথাটো প্ৰতিপন্ন হয় যে– ভাষা মূলতঃ প্ৰতীকধৰ্মী প্ৰক্ৰিয়া। কিন্তু জীৱ-জন্তুৱে প্ৰতীক ব্যৱহাৰ কৰে যদিও ইয়াক 'ভাষা' বুলি কোৱা নহয়। ভাব প্ৰকাশ কৰিবৰ বাবে ব্যৱহাৰ কৰা কিছুমান

বিমূৰ্ত প্ৰতীক চিহ্নবোৰ এক ভাষিক সম্প্ৰদায়ৰ মাজত মূৰ্ত হৈ পৰে। অৰ্থাৎ প্ৰতীক একোটা মূৰ্ত চিহ্ন। কিন্তু ইয়াক বিমূৰ্ত ধাৰণাৰূপে প্ৰয়োগ কৰা হয়। এই মূৰ্ত প্ৰতীকসমূহ কোনো এটা ভাষিক সম্প্ৰদায়ৰ মাজত অৰ্থপূৰ্ণ হয়। এই কথাষাৰ তলত চিত্ৰৰ সহায়েৰে দেখুওৱা হৈছে–

| **প্ৰতীক** | **অৰ্থ** |
|---|---|
| ☠ | বিপদ |
| 🚭 | ধূমপান নিষেধ |
| ✝ | খ্ৰীষ্টধৰ্ম |

ওপৰৰ বাওঁফালে দিয়া প্ৰতিটো চিত্ৰই একোটা মূৰ্ত প্ৰতীক। এই প্ৰতীকেৰে বিপদ, ধূমপান নিষেধ, খ্ৰীষ্টধৰ্ম আদি অৰ্থ প্ৰকাশ কৰিছে। ঠিক তেনেদৰে সোঁফালে দিয়া শব্দবোৰো একোটাহঁত শব্দ আৰু এইবোৰকো প্ৰতীক বোলা হয়। 'মেকুৰী' এই শব্দটোৰ ম-এ-ক-উ-ৰ-ঈ এই ছটা ধ্বনি সমষ্টিৰে গঠিত। প্ৰতিটো ধ্বনি একোটা বিমূৰ্ত প্ৰতীক। এই ধ্বনিসমূহ গোট খোৱাই একোটা মূৰ্ত প্ৰতীক সৃষ্টি কৰা হৈছে। ইয়াৰ অৰ্থ হৈছে– এক প্ৰকাৰৰ জীৱ, ঘৰচীয়া প্ৰাণী। এই কথাখিনিৰ পৰা এটা কথা স্পষ্ট হয় যে– ভাষা মূলতঃ প্ৰতীকধৰ্মী প্ৰক্ৰিয়া অৰ্থাৎ কিছুমান প্ৰতীকৰ সহায়ত ভাষাৰ অৰ্থ প্ৰকাশ পায়।

## ১.২.১ ভাষাৰ সংজ্ঞা (Definition of Language)


দুজন ব্যক্তিয়ে মুখেৰে শৃঙ্খলিত ৰূপত কিছুমান ধ্বনি উচ্চাৰণ কৰি পৰস্পৰে ভাব বিনিময় কৰে। এনেদৰে প্ৰণালীবদ্ধভাবে প্ৰয়োগ কৰা মৌখিক ধ্বনিগুচ্ছকেই সাধাৰণভাৱে ভাষা বুলি কোৱা হৈছে। এই ভাষা সম্পৰ্কে বিভিন্ন ভাষাবিদ, দাৰ্শনিক, মনোবিজ্ঞানীসকলে নানা সংজ্ঞা দাঙি ধৰিছে। তেনে কেইটিমান সংজ্ঞা তলত দাঙি ধৰা হ'ল–

- দাৰ্শনিক এৰিষ্টটল (Aritotle)ৰ মতে ভাষাই মনৰ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে।
- ব্লছ আৰু ট্ৰেগাৰৰ (Bloch and Trager) মতে সমাজত বসবাস কৰা কোনো জনসমষ্টিয়ে পৰস্পৰৰ মাজত যোগাযোগ স্থাপনৰ কাৰণে প্ৰণালীবদ্ধভাৱে প্ৰয়োগ কৰা যাদৃচ্ছিক মৌখিক ধ্বনিগুচ্ছই হৈছে ভাষা।

● ষ্টুৰ্টেভাণ্টৰ (Sturtevant)ৰ ভাষা হৈছে কোনো এক সমাজবদ্ধ জনসমষ্টিয়ে পাৰস্পৰিক ভাব বিনিময় আৰু সহযোগিতাৰে কাৰ্যনিৰ্বাহ কৰিব পৰা যাদৃচ্ছিক মৌখিক ধ্বনি প্ৰতীকৰ এক প্ৰণালী।

ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ পৰা ভাষাৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব পাৰি। তেতিয়াহ'লে আমি জানিছোঁ যে– ভাষাৰ সহায়ত মানুহে ভাবৰ আদান-প্ৰদান কৰে। ভাষাৰ সহায়ত মানুহে সমাজৰ দৈনন্দিন কাম-কাজ চলায়।

মানুহে উচ্চাৰণ কৰা ধ্বনি সমষ্টিয়েনো কেনেদৰে দুজন ব্যক্তিৰ মাজত ভাবৰ আদান-প্ৰদান কৰে তলৰ চিত্ৰৰ সহায়েৰে তোমালোকে বুজিব পাৰিবা।




**আত্মমূল্যায়ন ১ ঃ**

**ভাষাৰ এটা সংজ্ঞা দাঙি ধৰাঁ। (২০টা মান শব্দৰ ভিতৰত)**

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

## ১.২.২ ভাষাৰ বৈশিষ্ট্য (Characteristics of Language)ঃ

তোমালোকে জানানে বিশ্বৰ সকলো প্ৰাণীৰ ভিতৰত মানুহক কিয় শ্ৰেষ্ঠ বুলি কোৱা হয় ? অন্যান্য প্ৰাণীৰ তুলনাত মানুহ কোনটো দিশত বাৰু বেলেগ? এই উত্তৰত তোমালোকক ক'ব পাৰোঁ যে ভাষা ব্যৱহাৰৰ দিশত মানুহ অন্যান্য জীৱ-জন্তুতকৈ বেলেগ। বিশ্বৰ সকলো জীৱজন্তুৰ ভিতৰত মানুহেই ভাবৰ আদান-প্ৰদান কৰিবলৈ ভাষা ব্যৱহাৰ কৰে। এনে ভাষা ব্যৱহাৰ কৰাৰ কাৰণে অন্যান্য জীৱ-জন্তুতকৈ মানুহ শ্ৰেষ্ঠ ৰূপে পৰিগণিত হৈছে।

জীৱ-জন্তুৱেও বাৰ্তা প্ৰেৰণ কৰিবৰ বাবে দুই এটা প্ৰতীক ব্যৱহাৰ কৰে যদিও এই ধ্বনি প্ৰতীকবোৰক প্ৰকৃতাৰ্থত ভাষা বুলিব নোৱাৰি। জীৱ-জন্তুৰ বাৰ্তা প্ৰেৰণ প্ৰক্ৰিয়াটো মানুহৰ ভাব-বিনিময় কৰা প্ৰক্ৰিয়াৰ সৈতে একে নহয় বা কোনো সাদৃশ্য নাই। ইয়াৰ পৰাই ভাষাৰ বৈশিষ্ট্যবোৰনো কেনেকুৱা এই সম্পৰ্কে আমি কিছুমান ধাৰণা কৰাৰ আধাৰ পাওঁ। এই আধাৰৰ পৰাই ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে তোমালোকৰ আগত দাঙি ধৰিছোঁ।

● **ভাষা বাক্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ সমষ্টি ঃ**

ভাষা হৈছে কিছুমান ধ্বনি সমষ্টি। ই বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত হয় আৰু কিছুমান অৰ্থ বহন কৰে। অৰ্থাৎ বক্তাই শ্ৰোতাৰ আগত মনৰ ভাব ব্যক্ত কৰিবৰ বাবে মুখেৰে কিছুমান ধ্বনি উচ্চাৰণ কৰে। ভাষাৰ প্ৰধান উপাদান হৈছে ধ্বনি। সকলো ভাষাৰে কথিত ৰূপ থাকে, লিখিত ৰূপ ইয়াৰ গৌণ উপস্থাপনহে।

● **ভাষা প্ৰণালীবদ্ধ ঃ**

মানুহে ভাব বিনিময় কৰিবলৈ যধে-মধে যিকোনো ধ্বনি মুখেৰে উচ্চাৰণ নকৰে। **ধ্বনি প্ৰবাহ সংযোগৰ বিশেষ বিশেষ প্ৰণালী** থাকে। ধ্বনিসমূহৰ সংযোগ কৰা নিয়ম প্ৰত্যেক ভাষাতে সুকীয়া সুকীয়া। কোনটো ধ্বনিৰ লগত কোনটো ধ্বনি সংযোগ কৰিলে অৰ্থযুক্ত শব্দ সৃষ্টি কৰিব পাৰি এনেবোৰ কথা ভাষাত বান্ধি দিয়া আছে। অসমীয়া ভাষাত ম + অ + ৰ + অ + ম = মৰম। এই পাঁচোটা ধ্বনিৰ সংযোগ প্ৰণালীটোহে 'মৰম' শব্দটো সৃষ্টি হৈছে আৰু ই অৰ্থবহ হৈছে।

প্ৰত্যেক ভাষাৰে **ৰূপ সংযোগ**ৰো এক নিৰ্দিষ্ট প্ৰণালী আছে। অসমীয়া ভাষাত বচন নিৰ্ণয় কৰিবলৈ –বোৰ, –বিলাক, –হঁত আদি প্ৰত্যয় যোগ কৰা হয়। যেনে– মানুহবোৰ, বস্তুবিলাক, ৰামহঁত আদি। ঠিক তেনেদৰে ভাত-

চাউল, মাহ-হালধি আদি ৰূপবোৰৰ ভাতৰ লগত হালধি দিলে নহ'ব আৰু চাউলৰ লগত মাহ যোগ দিলে প্ৰকাশক হৈ নুঠিব। সেয়েহে ক'ব পাৰি যে প্ৰত্যেক ভাষাৰে ৰূপ সংযোগৰ বিশেষ বিশেষ প্ৰণালী আছে।

ধ্বনি সংযোগ আৰু ৰূপ সংযোগ প্ৰণালীৰ দৰে **বাক্যৰ সংযোগ প্ৰণালী**ও ভাষাত পোৱা যায়। প্ৰত্যেক ভাষাৰে বাক্যত শব্দবোৰ এক নিৰ্দিষ্ট ক্ৰমত ব্যৱহাৰ কৰা হয়। ইংৰাজী ভাষাৰ বাক্যত শব্দৰ ক্ৰম Subjet + verb + Object (I eat food)। ঠিক তেনেদৰে অসমীয়া ভাষাৰ বাক্যত শব্দৰ ক্ৰম কৰ্তা-কৰ্ম-ক্ৰিয়া (মই + ভাত + খাওঁ)। বাক্যত পদৰ পাৰস্পৰিক সংগতি দেখিবলৈ পোৱা যায়। **মই ভাত খাই উঠি ফুৰিবলৈ যাম**– এই বাক্যটোৰ **মই ভাত খাই বুলি** ক'লে অৰ্থ সম্পূৰ্ণ নহ'ব **উঠি ফুৰিবলৈ যাম** বুলি কোৱাৰ পাছতহে অৰ্থ সম্পূৰ্ণ হ'ব। মুঠতে প্ৰত্যেক ভাষাতে বাক্যত ব্যৱহৃত পদবোৰৰ ক্ৰম ৰক্ষা কৰি উদ্দেশ্য, বিধেয়, উদ্দেশ্য-বিধেয়ৰ সম্প্ৰসাৰক পদবোৰ যথাস্থানত বহুৱালেহে একোটা বাক্যই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পাৰে।

প্ৰত্যক ভাষাতে **অৰ্থৰ প্ৰণালীৰো** সুকীয়া বৈশিষ্ট্য আছে। ভাষা গঠন প্ৰণালীবদ্ধ। পৰিবেশ অনুসৰি একোটা শব্দই একাধিক অৰ্থ দিব পাৰে। বৰ্ণমালাৰ ক্ষেত্ৰত ইংৰাজী letter শব্দই যি বুজায় ডাকঘৰৰ প্ৰসঙ্গত চিঠিৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। ঠিক তেনেদৰে 'পত্ৰ' শব্দই বৰ, বাচন আদি একাধিক অৰ্থ প্ৰকাশ কৰে। অসমীয়া 'মহাজন' শব্দই এতিয়া যি বুজাইছে কিন্তু আগত সেই একে অৰ্থ নাছিল। এতিয়া মহাজন মানে পুঁজিপতি অৰ্থত ব্যৱহাৰ হয় কিন্তু এই শব্দটোৱে পূৰ্বতে মহানলোককহে বুজাইছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে শব্দৰ অৰ্থৰ পৰিৱৰ্তন ঘটে। মুঠতে প্ৰত্যেক ভাষাৰে শব্দ আৰু অৰ্থৰ সম্পৰ্ক নিৰ্ণয়ৰ নিজা প্ৰণালী থাকে। অৰ্থৰ নিজা প্ৰণালীৰ অবিহনে ভাষা হ'ব নোৱাৰে।

### ● ভাষা ভাব প্ৰকাশৰ বলিষ্ঠ মাধ্যম ঃ

ভাষাই সদায় দুজন বা বহুজনৰ মাজত ভাবৰ আদান-প্ৰদান কৰাৰ ক্ষেত্ৰত সহায়ক হিচাপে কাম কৰি আছে। মানুহে সদায় জ্ঞানৰ দ্বাৰা নিত্য নতুন ধ্বনি সংযোগ কৰি পৰস্পৰে ভাব বিনিময় কৰি আছে। জ্ঞানৰ মূল ভেঁটিয়েই হৈছে ভাষা। এজন মানুহৰ জ্ঞান কেন্দ্ৰ মগজুত যি নতুন নতুন প্ৰতিক্ৰিয়া সৃষ্টি হয় তাৰ বতৰা ভাষাৰ মাজেদিয়েই পাছৰ পুৰুষলৈ প্ৰেৰণ কৰে। সেয়েহে '**ভাষাক বৰ্তমান, অতীত আৰু ভৱিষ্যতক জোৰা লগাব পৰা এডাল শিকলি'** বুলি কোৱা হয়।

**● ভাষা যাদৃচ্ছিক ঃ**

কোনো ভাষিক সম্প্ৰদায়ে সমাজত ভাবৰ আদান-প্ৰদান কৰিবৰ বাবে মুখেৰে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেই ধ্বনি সমষ্টি আৰু সেইবোৰ বুজাব পৰা বৰ্হিজগতৰ বস্তু বা ভাবৰ মাজত কোনো ধৰাবন্ধা সম্বন্ধ নাই অৰ্থাৎ শব্দ আৰু অৰ্থৰ মাজত কোনো ধৰাবন্ধা সম্বন্ধ নাই। অসমীয়া ভাষাত **'আই' শব্দই মা** বুজায়, কিন্তু ইংৰাজী ভাষা **I (আই) শব্দই 'মই'** বুজায়। 'আই' শব্দই অসমীয়াত কিয় 'মা' বুজায় বা ইংৰাজীত কিয় 'মই' বুজায় তাৰ কোনো উত্তৰ বিচাৰি পোৱা নাযায়। প্ৰত্যেক ভাষাৰ শব্দ আৰু অৰ্থৰ সম্পৰ্ক সম্পূৰ্ণ স্বতন্ত্ৰ আৰু পৰম্পৰাগত। সেয়েহে প্ৰত্যেক ভাষাতে এনে যাদৃচ্ছিকতা পৰিলক্ষিত হয়।

**● ভাষা প্ৰতীকধৰ্মী ঃ**

মানুহে ভাব প্ৰকাশৰ বাবে মুখেৰে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেইবোৰে একোটাহঁত প্ৰতীক বহন কৰে। এইবোৰে বৰ্হিজগতৰ বস্তুৰ লগত আৰু ভাবৰ লগত চিনাক্তকৰণৰ এক প্ৰতীকৰূপে কাম কৰে। অসমীয়াত **কুকুৰ – ক + উ + ক + উ + ৰ** এই পাঁচোটা ধ্বনি সমষ্টিক এটা পোহনীয়া জন্তুৰ প্ৰতীক ৰূপে ব্যৱহাৰ কৰা হৈছে। কিন্তু সকলো প্ৰতীককে ভাষা বোলা নহয়, কেৱল বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনি সমষ্টিকে অৰ্থাৎ প্ৰতীকসমূহকে ভাষাৰ মৰ্যাদা দিয়া হয়।

**● ভাষা সমাজৰ বস্তু অৰ্থাৎ সমাজকেন্দ্ৰিক ঃ**

একোটা জনসমষ্টিয়ে একোখন সমাজ পাতি বাস কৰে। এই সমাজক কেন্দ্ৰ কৰিয়েই ভাষা বৰ্তি থাকে। মানৱ শিশু এটাই সমাজত প্ৰতিপালিত হ'লেহে ভাষা আহৰণ কৰিব পাৰে, নহ'লে নোৱাৰে। শিশুৱে সমাজত থাকি ডাঙৰৰ পৰা ভাষা আহৰণ কৰে। সমাজত নাথাকিলে, সমাজৰ উৎসাহ নাপালে, মানুহে ভাষা আহৰণ কৰিব নোৱাৰে।

**● ভাষা পৰম্পৰাগত ঃ**

আগতে উল্লেখ কৰি অহা হৈছে যে– শব্দ আৰু অৰ্থৰ মাজত চিৰাচৰিত সম্বন্ধ নাই। তেনেহ'লে বাৰু মানুহে পৰস্পৰৰ ভাব বিনিময় কৰাটো কেনেকৈ সম্ভৱ হয় বা পৰস্পৰৰ বুজাবুজি কেনেকৈ হ'ব পাৰে। ই এটা ডাঙৰ প্ৰশ্ন। মানুহে সমাজত থাকি পৰম্পৰাগতভাৱে এজনে আনজনৰ পৰা ভাষা আহৰণ কৰে। সমাজত পৰস্পৰে একে অৰ্থ বুজাবলৈ একে শব্দ ব্যৱহাৰ কৰে, তাৰ

ফলত ভাব বিনিময় কৰিবলৈ সুবিধা হয়। সৰুৱে ডাঙৰৰ পৰা, ডাঙৰে তেওঁলোকৰ পূৰ্বপুৰুষৰ পৰা ভাষা শিকে। যদিও শব্দ আৰু অৰ্থৰ সম্পৰ্ক প্ৰশ্নৰ উৰ্ধত তথাপিও ডাঙৰে একোটা অৰ্থ বুজাবলৈ যি শব্দ ব্যৱহাৰ কৰে সৰুৱেও একেধৰণে শব্দ ব্যৱহাৰ কৰে; এয়েই হৈছে পৰম্পৰা। অৰ্থাৎ ভাষা পৰম্পৰাগতভাৱে আহৰণ কৰে।

● **ভাষা স্ৰজনমূলক ঃ**

ভাষা আহৰণ প্ৰক্ৰিয়াটো অনুকৰণ বুলি ধৰা হয় যদিও বহুলাংশে ভাষা স্ৰজনমূলক। মানৱ শিশু এটাই ভাষা ক'বলৈ শিকোঁতে চাৰিওফালে থকা পৰিৱেশৰ পৰাই ভাষা আহৰণ কৰে যদিও শিশুৱে ভাষা সৃষ্টি কৰা দেখা যায়। শিশুৱে ডাঙৰৰ পৰা মই খাইছিলোঁ, মই যাম আদি বাক্যবোৰ আহৰণ কৰি ক'বলৈ ব্যৱহাৰ কৰে যদিও কেতিয়াবা শিশুৰ মুখত মই নাযাম, মই নাখাম, মই নাপাৰোঁ আদি বাক্যও শুনিবলৈ পোৱা যায়। ইয়াৰ পৰা বুজিব পাৰি যে শিশুৱে মাতৃভাষা আহৰণ কৰোঁতে পৰম্পৰাগতভাৱে কিছুমান কথা আহৰণ কৰে যদিও বহুক্ষেত্ৰত নিজৰ স্ৰজন ক্ষমতাও প্ৰয়োগ কৰি ভাষা সৃষ্টি কৰে।

● **ভাষা মাত্ৰেই সদৃশ ঃ**

পৃথিৱীত বসবাস কৰা সকলো মানুহে বৰ্হিজগতক একে ধৰণে উপলব্ধি কৰে আৰু একে ধৰণে ভাষাৰ মাধ্যমত ব্যক্ত কৰে। তদুপৰি ভাষাৰ মূল বিষয়বোৰ একে। সকলো ভাষাতে বাক্য গঠনত কৰ্তা, কৰ্ম, ক্ৰিয়া আৰু আনুষঙ্গিক অংশবোৰ থাকে। ঠিক তেনেদৰে বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয়, ক্ৰিয়া আদি পদবোৰ থাকে। এনেদৰে মূল বিষয়সমূহৰ মিলকে ভাষাগত 'সাৰ্বজনীনতা' বুলি কোৱা হৈছে। ই ভাষাৰ এক বৈশিষ্ট্য। এইটোৱেই হৈছে-- সকলো ভাষাৰ মাজত থকা মৌলিক সাদৃশ্য।

**আত্মমূল্যায়ন ঃ ২**

**ভাষাৰ যাদৃচ্ছিকতা সম্পৰ্কে লিখা। (৩০টা শব্দৰ ভিতৰত)**

_______________________________________________

_______________________________________________

_______________________________________________

_______________________________________________

### ১.২.৩ ভাষাৰ উপাদান ঃ

**ভাষা এটা হ'বলৈ হ'লে— *ধ্বনি, ৰূপ, বাক্য* আৰু *অৰ্থ* এই চাৰিটা উপাদান লাগিব। এইকেইটা হৈছে ভাষাৰ মৌলিক উপাদান।** ভাষা কওঁতে মানুহে কিছুমান বাগ্‌ধ্বনি উচ্চাৰণ কৰে, এই ধ্বনিবোৰৰ সংযোগত ৰূপ সৃষ্টি কৰা হয়। ধ্বনি সংযোগৰ দ্বাৰা গঠিত ৰূপসমূহক অৰ্থৰ লগত সংগতি ৰাখি যথাস্থানত বহুৱাই একোটা বাক্য সজোৱা হয়। প্ৰকৃততে বাক্যৰ সহায়তহে মানুহে ভাৱ প্ৰকাশ কৰে। ৰূপ আৰু বাক্যবোৰে সদায় অৰ্থৰ প্ৰতি লক্ষ্য ৰাখিহে সজোৱা হয়। অৰ্থাৎ ৰূপ আৰু বাক্যবোৰ অৰ্থযুক্ত হ'ব লাগিব। ভাষাৰ গঠনত বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত বাগ্‌ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ এই ভাষিক সমলবোৰ অন্তৰ্নিহিত হৈ থাকে। বাক্যই হৈছে বাণী বা বাৰ্তা। **ই প্ৰকান্তৰে ভাষাৰ গঠন (Structure of Language)**। বাক্য লিখিত বা শ্ৰব্য দুয়োটা ৰূপতে উপস্থাপন কৰিব পাৰি।

ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ— ভাষাৰ এই চাৰিটা মৌলিক উপাদানৰ বাহিৰেও ভাষাত আৰু কেইটামান ভিতৰুৱা উপাদান অন্তৰ্নিহিত হৈ আছে। এই কেইটা হৈছে— **সুৰ, সুৰলহৰ, শ্বাসাঘাত আৰু সন্ধি।**

এই ভিতৰুৱা উপাদান কেইটা উপাহিত বৰ্ণৰে গঠিত, ইয়াক ক্ৰম কৰি দেখুৱাব নোৱাৰি। কেৱল শব্দৰ উচ্চাৰণত আৰু বাক্য কওঁতেহে ইয়াৰ মৰ্ম উপলব্ধি কৰিব পাৰি। সুৰ, সুৰলহৰ, শ্বাসাঘাত, সন্ধি আদিয়ে বাক্যৰ অৰ্থ আৰু শব্দৰ অৰ্থ সুকীয়া কৰিব পাৰে। তলত দিয়া উদাহৰণেৰে তোমালোকে বুজিব পাৰিবা –

তুমি **ক'লৈ** যোৱা ?

তুমি ক'লৈ **যোৱা** ?

**তুমি** ক'লৈ যোৱা ?

ওপৰৰ বাক্য তিনিটাত একেধৰণৰ শব্দ ব্যৱহাৰ কৰা হৈছে আৰু শব্দৰ ক্ৰম একে যদিও প্ৰতিবাৰতে বাক্য কেইটা উচ্চাৰণ কৰোঁতে ক'লৈ, যোৱা, তুমি – বেলেগ বেলেগ শব্দত শ্বাসাঘাত পৰা বাবে বাক্যকেইটাৰ অৰ্থ সুকীয়া হৈছে।

ঠিক তেনেদৰে সুৰলহৰেও বাক্যৰ অৰ্থৰ পৰিৱৰ্তন ঘটায়। উদাহৰণৰ সহায়ৰে বুজিবলৈ চেষ্টা কৰা।

তুমি ফুৰিবলৈ যোৱা ! (মৃদু অনুৰোধ)

তুমি ফুৰিবলৈ যোৱা ? (প্ৰশ্নসূচক)

## ১.৩ সাৰাংশ ঃ

ওপৰৰ আলোচনাৰ পাৰ তোমালোকে ভাষা কি, ভাষাৰ সংজ্ঞা, ভাষাৰ উপাদান, ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে পঢ়িলা। তেনেহ'লে আমি কি কি শিকিলোঁ এবাৰ মনত পেলাই চোৱা উচিত।

- ভাষাৰ সহায়ত কোনো ভাষিক সম্প্ৰদায়ে মনৰ ভাব আদান-প্ৰদান কৰে।
- ভাষা বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত যাদৃচ্ছিক ধ্বনি প্ৰতীক।
- ধ্বনি, ৰূপ, বাক্য, অৰ্থ – এই চাৰিটা ভাষাৰ মূল উপাদান আৰু সুৰ, সুৰলহৰ, সন্ধি, শ্বাসাঘাত আদি ভিতৰুৱা উপাদান।
- ভাষা ভাব প্ৰকাশৰ বলিষ্ঠ মাধ্যম।
- ভাষা সমাজ পৰিচালিত, ভাষা স্বভাৱসিদ্ধ নহয়, ই পৰম্পৰাগত।
- ভাষাৰ চাৰিটা প্ৰণালী আছে– ধ্বনি প্ৰণালী, ৰূপৰ প্ৰণালী, বাক্যৰ প্ৰণালী আৰু অৰ্থৰ প্ৰণালী।

## ১.৪ পাৰিভাষিক শব্দাৰ্থ ঃ

**বাগিন্দ্ৰিয় ঃ**

মানৰ শৰীৰৰ যিবোৰ অংগই হাওফাওৰ পৰা ওলাই অহা বায়ুপ্ৰবাহক নিয়ন্ত্ৰণ কৰি মৌখিক ধ্বনি উচ্চাৰণ কৰাত সহায় কৰে, সেই অংগবোৰকে বাগিন্দ্ৰিয় বা ধ্বনিযন্ত্ৰ বোলা হয়। ইয়াৰ মুখ্য অংগবোৰ হৈছে– ওঁঠ, দাঁত, তালুকা, আলজিভা, জিভাৰ আগ, জিভাৰ গুৰি, উপজিহ্বা, ঘটিকা, স্বৰতন্ত্ৰী, মুখবিবৰ, নাসিকাবিবৰ, গলকোষ, খাদ্যনলী, শ্বাসনলী আদি।

**উপাহিত বৰ্ণ ঃ**

যিবোৰ উচ্চাৰিত ধ্বনি বা বৰ্ণক একাদিক্ৰমে ভাগ ভাগ কৰি দেখুৱাব নোৱাৰি অৰ্থাৎ ক্ৰম নিৰ্দেশ কৰি দেখুৱাব নোৱাৰি এনে বৰ্ণবোৰকে উপাহিত বৰ্ণ বোলা হয়। শ্বাসাঘাত, সুৰ, অনুনাসিক আদিকো এনেদৰে ক্ৰম নিৰ্দেশ কৰি দেখুৱাব নোৱাৰি বাবে অসমীয়া ভাষাত ইহঁতক উপাহিত বৰ্ণ বোলা হয়। খাওঁ = **খ-আ-**ঁ- **ও** হ'ব নে **খ-আ-ও-**ঁ হ'ব এনেদৰে ক্ৰম কৰি দেখুৱাব নোৱাৰি বাবে ঁ (চন্দ্ৰবিন্দু)ক উপাহিত বৰ্ণ বুলি কোৱা হয়।

**অক্ষৰ ঃ**

শব্দ এটা উচ্চাৰণ কৰোঁতে উচ্চাৰণ প্ৰবাহৰ সামান্য ছেদ পৰে। এটা ছেদৰ পৰা অন্য এটা ছেদ পৰ্যন্ত উচ্চাৰিত ধ্বনি বা ধ্বনি সমষ্টিকে অক্ষৰ (Syllable) বোলা হয়। যেনে– কলম = ক-লম, ইয়াত দুটা অক্ষৰ আছে।

**সুৰ ঃ**

ঘোষত্ব অৰ্থাৎ কণ্ঠত স্বৰতন্ত্ৰীৰ স্পন্দনৰ ফলত সৃষ্টি হোৱা সাঙ্গীতিক লহৰৰ উঠা-নমাকে **সুৰ** বোলা হয়। সুৰৰ এনে তাৰতম্যৰ ফলত শব্দ একোটাৰ অৰ্থৰ সলনি হয়। সুৰ অনেক প্ৰকাৰৰ হ'ব পাৰে। যেনে– উদাত্ত (High), অনুদাত্ত (Low), স্বৰিত (Mid level) ইত্যাদি।

**সুৰলহৰ ঃ**

কথা কওঁতে বাক্যত আপেক্ষিক সুৰ প্ৰয়োগ কৰা হয়। এই সুৰৰ তাৰতম্য ঘটিলে বাক্যত ব্যৱহৃত শব্দৰ অৰ্থ সম্পূৰ্ণ বেলেগ হৈ নপৰে, মাথোন সামান্য অৰ্থৰ সলনি ঘটে। বাক্যত ব্যৱহৃত এই সুৰকে সুৰলহৰ (Intonation) বোলা হয়। সুৰলহৰৰ সলনি কৰি সাধাৰণ নিৰ্ণয়বাচক বাক্যক প্ৰশ্নবাচক বাক্যলৈ ৰূপান্তৰিত কৰিব পাৰোঁ। যেনে–

*তুমি যাবা।*

*তুমি যাবা ?*

**শ্বাসাঘাত ঃ**

শব্দ উচ্চাৰণ কৰোঁতে কিছুমান ধ্বনিত বিশেষভাৱে জোৰ দিয়া হয়। জোৰ দিয়া ধ্বনিটো উচ্চাৰণ কৰোঁতে নিশ্বাস বায়ু অধিকতৰ বেগত প্ৰবাহিত হয়। ধ্বনি উচ্চাৰণত বায়ুপ্ৰবাহৰ এনে ধৰণৰ প্ৰাধান্যক শ্বাসাঘাত (Stress) বোলা হয়।

**আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন ঃ ১**

মানুহে পৰস্পৰে মনৰ ভাব প্ৰকাশৰ বাবে মুখেৰে উচ্চাৰণ কৰা অৰ্থযুক্ত ধ্বনি সমষ্টিক ভাষা বোলা হয়। ই যাদৃচ্ছিক মৌখিক ধ্বনি প্ৰতীকৰ এক প্ৰণালী।

**আত্মমূল্যায়ন ঃ ২**

মানুহে পৰস্পৰে ভাব প্ৰকাশ কৰিবলৈ হ'লে মুখেৰে যিবোৰ ধ্বনি উচ্চাৰণ কৰে, সেই ধ্বনিসমষ্টিৰ লগত অৰ্থাৎ শব্দৰ লগত অৰ্থৰ কোনো ধৰা-বন্ধা সম্বন্ধ নাই। প্ৰত্যেক ভাষাৰ শব্দৰ অৰ্থ সম্পূৰ্ণ স্বতন্ত্ৰ আৰু পৰম্পৰাগত। এয়ে হৈছে ভাষাৰ যাদৃচ্ছিক গুণ।

## অনুশীলনী-১

**(১) চমুকৈ প্ৰকাশ কৰাঁ—**

(ক) ভাষা কাক বোলে ?

(খ) ভাষাৰ উপাদান কি কি ?

(গ) ভাষাৰ প্ৰণালী কেইটাৰ নাম উল্লেখ কৰাঁ।

(ঘ) ভাষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰাঁ।

(ঙ) ভাষা মূলতঃ যোগাযোগৰ মাধ্যম– কথাষাৰ বুজাই লিখাঁ।

**(২) বহলাই লিখাঁ— (৫০০ মান শব্দৰ ভিতৰত) নম্বৰ – ১৫**

(ক) ভাষাৰ বৈশিষ্ট্যসমূহ কি কি ? বহলাই আলোচনা কৰাঁ।

(খ) ভাষাৰ প্ৰণালী বুলিলে কি বুজা ? ভাষাৰ প্ৰণালীকেইটা সম্পৰ্কে বহলাই আলোচনা কৰাঁ।

# গোট-২ ঃ ভাষাবিজ্ঞান কি, ভাষাবিজ্ঞানৰ সংজ্ঞা, ভাষাবিজ্ঞানৰ বিকাশ।

**গঠন**


২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ ভাষাবিজ্ঞান কি ?

২.২.১ ভাষাবিজ্ঞানৰ সংজ্ঞা

২.২.২ ভাষাৰ বিজ্ঞানসন্মত আলোচনাৰ গুণ

২.৩ ভাষাবিজ্ঞানৰ বিকাশ

২.৩.১ ব্যাকৰণৰ ধাৰা

২.৩.২ ভাষাতত্ত্বৰ ধাৰা

২.৩.৩ ভাষাবিজ্ঞানৰ ধাৰা

২.৩.৪ আধুনিক ভাষাবিজ্ঞানৰ ধাৰা

২.৪ সাৰাংশ


## ২.০ উদ্দেশ্য ঃ

ভাষাবিজ্ঞান সম্পৰ্কীয় এই গোটটি পঢ়াৰ পাছত তোমালোকে—

- ভাষাবিজ্ঞান কি এই সম্পৰ্কে আলোচনা কৰিব পাৰিবা
- ভাষাবিজ্ঞানৰ সংজ্ঞা ব্যাখ্যা কৰিব পাৰিবা
- ভাষাবিজ্ঞানৰ বিকাশ সম্পৰ্কে আলোচনা কৰিব পাৰিবা

## ২.১ প্ৰস্তাৱনা ঃ

তোমালোকে ইতিমধ্যে ভাষা কি, ভাষাৰ সংজ্ঞা, ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে আগৰ গোটটি অধ্যয়নৰ জৰিয়তে জানিব পাৰিলা। তোমালোকৰ বাবে

ভাষাবিজ্ঞান শব্দটো বৰ পৰিচিত বা সহজবোধ্য নহয়। স্নাতক মহলাত ভাষাবিজ্ঞান বিষয়ক অধ্যয়ন অতি সীমিত। মানুহে ভাবৰ আদান-প্ৰদানৰ বাবে ব্যৱহাৰ কৰা ভাষাক যেতিয়াৰ পৰাই প্ৰণালীবদ্ধভাৱে অধ্যয়নৰ চেষ্টা কৰিলে তেতিয়াৰ পৰাই ভাষাবিজ্ঞানৰ জন্ম বুলি ধৰা হয়। সেয়েহে ভাষাৰ বিজ্ঞানসন্মত বা শৃঙ্খলাবদ্ধ অধ্যয়নক **'ভাষাবিজ্ঞান'** –এই অভিধাৰে বুজোৱা হয়। ভাষাবিজ্ঞানে মানুহৰ ভাষাৰ আহৰণ, প্ৰতিপালন আৰু ভাষাসমূহৰ গঠনৰ কথা আলোচনা কৰে। ভাষাবিজ্ঞানৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰিবলৈ হ'লে ভাষাবিজ্ঞান কি, ইয়াৰ সংজ্ঞা আৰু বিকাশ সম্পৰ্কে খৰচি মাৰি আলোচনা কৰিব লাগিব। সেয়েহে এই গোটটিত ভাষাবিজ্ঞান কি, ইয়াৰ লক্ষ্য কি আৰু কেতিয়াৰ পৰা ইয়াৰ আৰম্ভণি ঘটিল আৰু গতি-প্ৰকৃতি কেনেকুৱা এইবোৰৰ বিষয়ে তোমালোকৰ আগত ক'বলৈ ওলাইছোঁ।

## ২.২ ভাষাবিজ্ঞান কি ?

ভাষাবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Linguistics'। শব্দটোৰ মূল হৈছে লেটিন ভাষা। Lingua + istics এই দুটা শব্দৰ সমষ্টিয়েই হৈছে 'Linguistics'। 'Lingua' মানে হৈছে মাত বা কথা অৰ্থাৎ ভাষা আৰু 'isticts' মানে হৈছে– জ্ঞান বা বিজ্ঞান। গতিকে 'Linguistics'ৰ অৰ্থ হৈছে ভাষাসমূহৰ বিজ্ঞান অৰ্থাৎ ভাষাবিজ্ঞান। বুৎপত্তিগত ফালৰ পৰা ইয়াৰ অৰ্থ হৈছে ভাষাৰ বিজ্ঞান (Science of Language)।

'Oxford English Dictionary'ত 'Linguistics' শব্দৰ সম্পৰ্কে এনেদৰে পোৱা যায়– 'Linguistics is the science of language'। অৰ্থাৎ ভাষাসমূহৰ বিজ্ঞান, শব্দৰ ব্যুৎপত্তি জ্ঞান।

আনহাতে উক্ত অভিধানতে 'Linguist' অৰ্থাৎ ভাষাবিজ্ঞানীৰ অৰ্থ নিৰূপণ কৰিছে এনেদৰে– 'a linguist is one who skilled in the use of language' অৰ্থাৎ ভাষাবিজ্ঞানী হৈছে– যিজনে ভাষাৰ ব্যৱহাৰ জানে।

ওপৰত উল্লেখ কৰা দুয়োটা অৰ্থই ভাষাবিজ্ঞান আৰু ভাষাবিজ্ঞানীৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰিব পৰা নাই। ইয়াৰ অৰ্থ অতি ব্যাপক আৰু তত্ত্বপূৰ্ণ।

ভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন বা বিশ্লেষণেই হৈছে— 'ভাষাবিজ্ঞান', ইয়াত ভাষাৰ আভ্যন্তৰীণ গঠন সম্পৰ্কে বৈজ্ঞানিক দৃষ্টিভংগীয়ে অধ্যয়ন চলোৱা হয়। কোনো এটা বা একাধিক ভাষাৰ ধ্বনিসমূহৰ উচ্চাৰণৰ প্ৰকৃতি, সিহঁতৰ

মাজত পাৰস্পৰিক সম্বন্ধ বা ব্যৱহাৰৰ ধৰণ অৰ্থাৎ ধ্বনি সংযোগৰ ৰীতি-নীতি, ভাষাসমূহত ব্যৱহৃত শব্দৰ গঠন, বাক্যৰ গঠন বা পৰিৱৰ্তন প্ৰণালী, শব্দমালা আৰু অৰ্থতত্ত্বৰ বিজ্ঞানসন্মত আলোচনা বা বিশ্লেষণ ভাষাবিজ্ঞানত কৰা হয়। ভাষা এটাৰ বা ভাষাসমূহৰ যথাযথ বৰ্ণনাই ভাষাবিজ্ঞানৰ আলোচনাৰ মূল লক্ষ্য।

### ২.২.১ ভাষাবিজ্ঞানৰ সংজ্ঞা ঃ

ভাষাবিজ্ঞান হৈছে ভাষাৰ বিজ্ঞান আৰু বৈজ্ঞানিক পদ্ধতিৰে কৰা ভাষা সম্পৰ্কীয় আলোচনা। ভাষাবিজ্ঞানৰ অধ্যয়নৰ লক্ষ্য, প্ৰকৃতি, স্বৰূপ আদি এই সকলো দিশ চকুৰ আগত ৰাখি ভাষাবিজ্ঞানীসকলে ভাষাবিজ্ঞানৰ সংজ্ঞা দাঙি ধৰিছে। তোমালোকে ভাষাবিজ্ঞানৰ স্বৰূপ উপলব্ধি কৰিবলৈ দুটামান সংজ্ঞা দাঙি ধৰা হ'ল ঃ

H. A. Gleason এ ভাষাবিজ্ঞানৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে- Linguistics is the science which attempts to understand language from the point of its internal structure.

ভাষাবিজ্ঞান হৈছে এবিধ বিজ্ঞান, য'ত ভাষাৰ আভ্যন্তৰীণ গঠন বিশ্লেষণ কৰি ভাষাটো বুজাবলৈ চেষ্টা কৰা হয়।

William G. Moulton এ ভাষাবিজ্ঞানৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে– Linguistics is a branch of learning which studies the language of all human societies how each such language is constructed, how its various through space and change through time, how it is related to other language and how it used by its speakers.

ভাষাবিজ্ঞান হৈছে শিক্ষণৰ এটা শাখা। যাৰ সহায়ত মানৱ সমাজত প্ৰচলিত ভাষাসমূহৰ অধ্যয়ন কৰা হয়। প্ৰত্যেক ভাষাৰ গঠন ৰীতি, ভাষাসমূহৰ মাজত সাদৃশ্য-বৈসাদৃশ্য, বিভিন্ন ভাষাৰ মাজত ভাষাৰ সম্বন্ধ, ভাষাসমূহৰ সময়ে সময়ে হোৱা পৰিৱৰ্তন, বক্তাই ভাষাক কেনেদৰে ব্যৱহাৰ কৰে আদি কথাবোৰৰ বিষয়ে ভাষাবিজ্ঞানত খৰচি মাৰি অধ্যয়ন কৰা হয়।

ওপৰত দাঙি ধৰা দুয়োটা সংজ্ঞাই ভাষাবিজ্ঞানৰ স্বৰূপ দাঙি ধৰিছে।

থোৰতে ক'ব পাৰি যে ভাষাৰ বিজ্ঞানসন্মত আলোচনাই হৈছে 'ভাষাবিজ্ঞান'। ভাষাত অন্তৰ্নিহিত হৈ থকা ভাষাৰ সাৰ্বজনীন ৰূপবোৰ বিচাৰি উলিয়াই ভাষাবিজ্ঞানৰ সহায়ত বিশ্লেষণ কৰা হয়। মুঠতে ভাষাবিজ্ঞানত ধ্বনিৰ উচ্চাৰণ, ৰূপ আৰু ৰূপৰ গঠন, বাক্যাংশ আৰু বাক্য আদিৰ গঠন, অৰ্থ আৰু অৰ্থৰ প্ৰণালী আদি ভাষাৰ আভ্যন্তৰীণ গঠন সম্পৰ্কে যিমান পাৰে শুদ্ধকৈ, কম কথাত বিশ্লেষণ কৰা হয়। তদুপৰি মানৱ জীৱনৰ শৃঙ্খলিত ৰূপত ভাষাই কি দৰে চাহিদা পূৰণ কৰে এই সম্পৰ্কেও ভাষাবিজ্ঞানে বিচাৰ কৰে।

### ২.২.২. ভাষাৰ বিজ্ঞানসন্মত আলোচনাৰ গুণ ঃ

ভাষাৰ অধ্যয়নক বিজ্ঞানৰ অন্যান্য বিষয়ৰ দৰে বিজ্ঞান বুলি অভিহিত কৰিছে। ভাষাৰ অধ্যয়নক কিয় বিজ্ঞান বোলা হৈছে। এইটো এটা ডাঙৰ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ তলত দাঙি ধৰা হৈছে।

ভাষাক বিজ্ঞানৰ অন্যান্য বিষয়ৰ দৰে অধ্যয়ন কৰা হয়। বিজ্ঞানৰ অৰ্থই হৈছে— বিশেষ জ্ঞান আৰু এই জ্ঞান পৰ্যবেক্ষণ, বিশ্লেষণ আৰু পৰীক্ষা কৰি আহৰণ কৰা হয়। বিজ্ঞানৰ দৰে ভাষাৰ অধ্যয়নতো কিছুমান সূত্ৰ মানি চলা হয়। বিজ্ঞানৰ দৰে ভাষাৰ সকলো কথা অৰ্থাৎ বিচাৰ-বিশ্লেষণ বস্তুধৰ্মী আৰু তত্ত্বসম্বলিত। ইয়াত কল্পনা বা ভাব-প্ৰৱণতাৰ ঠাই নাই। ফলাফল সদায় সত্য আশ্ৰিত। বিজ্ঞানৰ দৰে ভাষাৰ বিশ্লেষণত সূক্ষ্ম আৰু পৰীক্ষণীয় পদ্ধতি প্ৰয়োগ কৰা হয়। ভাষাৰ অধ্যয়নত কিছুমান যন্ত্ৰপাতি ব্যৱহাৰ কৰা হয়। বিশেষকৈ ধ্বনিৰ অধ্যয়নত স্পেক্টোগ্ৰাফ, কাইমোগ্ৰাফ, অছিলোগ্ৰাফ, লেৰিঙ্গোস্কোপ, অটোফনোস্কোপ আদি যন্ত্ৰ ব্যৱহাৰ কৰা হয়। এই যন্ত্ৰপাতিৰ সহায়ত পৰীক্ষাগাৰত ভাষা সম্পৰ্কে অধ্যয়ন চলাই ভাষা এটাৰ পূৰ্ণাঙ্গ আৰু সত্য তথ্য দাঙি ধৰা হয়। সেয়েহে ভাষাৰ আলোচনাক বিজ্ঞানৰ শ্ৰেণীভুক্ত কৰি ভাষাবিজ্ঞান বুলি কোৱা হৈছে।

ভাষাৰ আলোচনাক বৈজ্ঞানিক বা বিজ্ঞানসন্মত বুলি দাবী কৰাৰ মূলতে ভাষা অধ্যয়নত তিনিটা গুণ অন্তৰ্নিহিত হৈ আছে। এই গুণ কেইটা হৈছে—

(১) অতিশয় সুস্পষ্টতা (Explictiness)

(২) প্ৰণালীবদ্ধতা (Systematicity)

(৩) বস্তুধৰ্মিতা (Objectivity)

**(১) অতিশয় সুস্পষ্টতা ঃ**

ভাষাবিজ্ঞানী এজনে এটা ভাষা সম্পৰ্কে অধ্যয়ন কৰোঁতে ভাষাৰ

প্রতিটো বিষয়ৰ আলোচনা কোনো লুকঢাক নকৰাকৈ অতি স্পষ্টভাৱে ব্যক্ত কৰিবলৈ বিচাৰে। ব্যক্ত কৰা কথাবোৰত কোনো সন্দেহ বা সংশয়ৰ অৱকাশ নাথাকে। ভাষা নিয়মৰ অধীন। উদাহৰণস্বৰূপে, এটা ভাষাত কি কি ধ্বনি উচ্চাৰণ হয়, ধ্বনি বিচাৰৰ নিয়মৰ অধীনত তাক বিচাৰ কৰি প্ৰকৃততে উচ্চাৰিত হোৱা ধ্বনিসমূহ বাছি উলিওৱা হয়, ভাষাটোত ব্যৱহাৰ হোৱা ব্যতিক্ৰমবোৰৰো উল্লেখ কৰি সেইবোৰনো কি কি নিয়মেৰে পৰিচালিত হৈছে আদি কথাবোৰ খৰচি মাৰি অধ্যয়ন কৰা হয়। ঠিক তেনেকৈ ৰূপ আৰু বাক্যৰ ক্ষেত্ৰত ভাষাটোত ব্যৱহৃত সকলোবোৰ কথাকেই ফঁহিয়াই চাই কি প্ৰসঙ্গত কেনে পৰিস্থিতিত কোনটো ব্যৱহাৰ হয় সেইবোৰ কথা সুস্পষ্টভাৱে বৰ্ণনা কৰা হয়।

**(২) প্ৰণালীবদ্ধতা ঃ**

ভাষাৰ বৈজ্ঞানিক অধ্যয়নৰ দ্বিতীয় গুণ হৈছে— **প্ৰণালীবদ্ধতা**। ভাষাৰ অধ্যয়নৰ পৰিধি অতি বহল আৰু জটিল। ভাষাৰ এনে জটিল অধ্যয়নক প্ৰণালীবদ্ধ আৰু সুশৃঙ্খলিত ৰূপেহে বিশ্লেষণ কৰিব পাৰি। ভাষা এটা অধ্যয়ন কৰিবলৈ লওঁতে ভাষাটোৰ কোনটো দিশ প্ৰথমে আৰম্ভ কৰিব লাগে তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। এইটো ভাষাবিজ্ঞানীজনে নিজে ঠিক কৰি ল'ব লাগে। আনহাতে ক'ত শেষ কৰিব এইটোও নিজে ঠিক কৰি ল'ব লাগে। ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নৰ মূল কথা হৈছে যে, ভাষাৰ উপাদান— ধ্বনি, ৰূপ, বাক্য অৰ্থ এই চাৰিটাৰ মাজত সমন্বয় আৰু সংগতি বিচাৰ কৰা। ভাষাত ধ্বনিসমূহ কেনেদৰে উচ্চাৰিত হয়, ধ্বনিসমূহৰ সংযোগত কেনেদৰে ৰূপ গঠন কৰা হয়, ৰূপসমূহ যথাস্থানত বহুৱাই কেনেদৰে বাক্য সজা হয় আৰু প্ৰত্যকটো ৰূপ আৰু বাক্যই কেনেদৰে অৰ্থ বহন কৰে, ভাষাৰ এনেবোৰ দিশৰ কথাই ভাষাবিজ্ঞানী এজনে পদ্ধতি আৰু প্ৰণালীৰ সহায়ত বিশ্লেষণ কৰে।

**(৩) বস্তুধৰ্মিতা ঃ**

ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নৰ তৃতীয় গুণটো হৈছে— **বস্তুনিষ্ঠতা**। ভাষাৰ অধ্যয়ন সদায় বস্তুনিষ্ঠ। ভাষাবিজ্ঞানী এজনে ভাষাৰ অধ্যয়নক সদায় নিৰপেক্ষ দৃষ্টিভঙ্গীৰে বিচাৰ কৰে। ভাষাবিজ্ঞানীয়ে ভাষা সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা কৰি যিবোৰ তথ্য আৰু সংজ্ঞা দাঙি ধৰে এই তথ্য বা সংজ্ঞা দহজনে পৰীক্ষা কৰি চাব পাৰে। যদি কোনো সংজ্ঞা বা তথ্য মনঃপুত নহয় তেতিয়া পুনৰ পৰীক্ষা-নিৰীক্ষাৰ যোগেদি সহজসাধ্য কৰি ল'ব পাৰে। ভাষা সম্পৰ্কীয় কোনো তথ্য গোপন নহয়, দহজনে তাক খোলা মনেৰে পৰীক্ষা (verifiable)

কৰি চাব পাৰে।

মুঠতে ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নত ভাষা সম্পৰ্কীয় নিৰ্ভুল তথ্য সংগ্ৰহ কৰি এইবোৰৰ প্ৰণালীবদ্ধভাৱে পৰীক্ষা-নিৰীক্ষা চলাই স্পষ্টৰূপত এটা সিদ্ধান্ত দাঙি ধৰা হয় বাবে ভাষাৰ অধ্যয়নক 'ভাষাবিজ্ঞান' বুলি কোৱা হৈছে। ভাষাবিজ্ঞানত দাঙি ধৰা প্ৰতিটো সিদ্ধান্তই প্ৰামাণিক আৰু পৰীক্ষণীয়।

তোমালোকে ভাষাবিজ্ঞানো কি, ইয়াৰ স্বৰূপ কেনেকুৱা আদি সম্পৰ্কে জানিলা। এতিয়া ভাষাবিজ্ঞান চৰ্চা কেতিয়াৰ পৰা হৈছিল আৰু ইয়াৰ গতি প্ৰকৃতিনো কেনেকুৱা এই সম্পৰ্কে তোমালোকক ক'বলৈ ওলাইছোঁ।

**আত্মমূল্যায়ন ১ ঃ**

**ভাষাবিজ্ঞানক কিয় বিজ্ঞান বোলা হৈছে ?**

## ২.৩ ভাষাবিজ্ঞানৰ বিকাশ ঃ

জীৱশ্ৰেষ্ঠ মানুহৰ শ্ৰেষ্ঠ সম্পদ হৈছে ভাষা। মানুহে নিজৰ শ্ৰেষ্ঠতম অধিকাৰ ভাষা সম্পৰ্কে সচেতন হৈ প্ৰাচীন কালৰে পৰা ভাষা সম্পৰ্কে চিন্তা-চৰ্চাৰ পাতনি মেলাৰ প্ৰমাণ পোৱা যায়। মানুহে কোৱা ভাষানো কি, ভাষাৰ উৎপত্তি কেনেদৰে হ'ল, ভাষাসমূহৰ গঠন, প্ৰয়োগ, বিৱৰ্তন আদি সম্পৰ্কে জানিবলৈ প্ৰাচীন কালৰে পৰা মানুহ আগ্ৰহী হৈ আহিছে। ফলস্বৰূপে, ভাষা বিষয়ক নানা চিন্তা-চৰ্চাৰ আৰম্ভ হ'বলৈ ধৰিলে। প্ৰকৃততে ভাষা সম্পৰ্কে শৃংখলাবদ্ধ আৰু ধাৰাবাহিক আলোচনা আৰম্ভ হয় খৃঃ পূঃ পঞ্চম শতাব্দীৰ মানৰ পৰাহে। বিশ্বৰ ভিতৰত প্ৰথম ভাৰতবৰ্ষতেই এনে ধৰণৰ চিন্তাৰ প্ৰথম

সূচনা হয়। ভাৰতৰ পাছতে গ্ৰীচ দেশত এনে ভাষাৰ চিন্তাৰ সূচনা হয়।

খৃঃ পূঃ পঞ্চম শতিকাৰ পৰা বৰ্তমান পৰ্যন্ত এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত হোৱা ভাষা চিন্তাৰ ক্ৰমবিকাশৰ ইতিহাসক প্ৰধানতঃ তিনিটা ধাৰাত ভাগ কৰিব পাৰি। এই ধাৰা কেইটা হৈছে—

- **ব্যাকৰণৰ ধাৰা** ঃ পৰম্পৰাগত ব্যাকৰণৰ ধাৰা।
- **ভাষাতত্ত্বৰ ধাৰা** ঃ তুলনামূলক ঐতিহাসিক ভাষা চৰ্চাৰ ধাৰা।
- **ভাষাবিজ্ঞান** ঃ প্ৰণালীবদ্ধ ভাষা চিন্তাৰ ধাৰা বা আধুনিক ভাষা চিন্তাৰ ধাৰা।

### ২.৩.১ ব্যাকৰণৰ ধাৰা ঃ

খ্ৰীষ্টপূৰ্ব ১২০০-৮০০ ভিতৰত ভাৰতবৰ্ষত ভাষা চৰ্চাৰ কেতবোৰ প্ৰমাণ পোৱা যায়। বৈদিক সাহিত্য তথা ব্ৰাহ্মণ গ্ৰন্থৰ জৰিয়তে ভাৰতত ভাষা-চিন্তাৰ প্ৰমাণ পোৱা যায় যদিও প্ৰকৃতাৰ্থত খৃঃপূঃ পঞ্চম শতিকাত ৰচিত পাণিনিৰ ‘অষ্টাধ্যায়ী’ৰ সময়ৰ পৰাহে ভাৰতত ব্যাকৰণ চিন্তাৰ উন্মেষ ঘটে। পাণিনিৰ ব্যাকৰণ চিন্তাই সুনিৰ্দিষ্ট আৰু প্ৰণালীবদ্ধ ৰূপত আত্মপ্ৰকাশ কৰে। পাণিনিৰ হাতত পূৰ্ণতা লভা এই ব্যাকৰণখন বিশ্বৰ প্ৰথম পূৰ্ণাংগ ব্যাকৰণ আৰু এই ব্যাকৰণক ‘মানৱ বুদ্ধিমত্তাৰ মহত্তম কীৰ্তি’ বুলি অভিহিত কৰা হৈছে।

আনহাতে পাশ্চাত্য জগতত ভাষা চিন্তাৰ অংকুৰণ ঘটিছিল প্ৰাচীন গ্ৰীচ দেশত। দাৰ্শনিক প্লেটোৱেই প্ৰায় খৃঃ পূঃ ৩য়-৪ৰ্থ শতিকাত ভাষা চিন্তাৰ অংকুৰণ ঘটোৱা প্ৰথমজন ব্যক্তি আছিল। তেওঁৰ ‘Dialogues’ নামৰ গ্ৰন্থত ভাষাৰ উৎপাদনৰ লগত মনৰ সম্বন্ধ, শব্দ আৰু অৰ্থৰ মাজৰ যোগসূত্ৰ ইত্যাদি লৈ নানা যুক্তিনিৰ্ভৰ চিন্তা আগবঢ়াই পৰৱৰ্তী ভাষাবিদসকলৰ বাবে নতুন ক্ষেত্ৰ মুকলি কৰি দিছিল। প্লেটোৰ পৰৱৰ্তী দাৰ্শনিক এৰিষ্টোটলে ইউৰোপীয় জগতৰ ভাষাৰ উপাদান অৰ্থাৎ বৈয়াকৰণিক দিশসমূহৰ বিশদভাৱে আলোচনা কৰি ভাষা-চিন্তাৰ সৌধ নিৰ্মাণ কৰে। পাশ্চাত্য জগতৰ এই ব্যাকৰণৰ ধাৰটোক দুটা ভাগত ভগোৱা হয়। প্লেটো আৰু এৰিষ্টোটলৰ ভাষা-চিন্তাক দাৰ্শনিক ব্যাকৰণৰ ধাৰা আৰু খৃঃ পূঃ দ্বিতীয় শতিকাত লিখা ডাইঅ’নিচিয়াচ থাক্স (Dianysius Thrax)ৰ দ্বাৰা ৰচিত ‘Tekhne Grammatika’ পৰ্যন্ত বৈয়াকৰণিক দিশৰ আলোচনাক ‘দাৰ্শনিক ব্যাকৰণ’ বুলি অভিহিত কৰা হয়। এই ব্যাকৰণৰ ধাৰাটো অষ্টাদশ শতিকা পৰ্যন্ত চলি আছিল।

## ২.৩.২ ভাষাতত্ত্বৰ ধাৰা ঃ

ভাষাচিন্তাৰ ক্ৰমবিকাশৰ দ্বিতীয়টো ধাৰাৰ ১৭৮৬ খৃষ্টাব্দত আৰম্ভণি বুলি ধৰা হয়। এই ধাৰাৰ প্ৰথম প্ৰবক্তা হৈছে চাৰ উইলিয়াম জোনচ (Sir William Jones)। ১৭৮৬ খৃষ্টাব্দৰ ২ ফেব্ৰুৱাৰীত কলকতাৰ 'ৰয়েল এচিয়াটিক ছোছাইটি'ৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত জোনচে এটি লিখিত বক্তৃতা প্ৰদান কৰিছিল। জোনচে এই বক্তৃতাটিৰ মাজেদি ঘোষণা কৰিছিল যে **'সংস্কৃত ভাষা যিমানেই প্ৰাচীন নহওক লাগিলে তাৰ গঠন প্ৰণালী বিস্ময়জনক, গ্ৰীক ভাষাতকৈও নিখুঁত, লেটিন ভাষাতকৈও বিস্তৃত আৰু এই দুই ভাষাতকৈ বেছি পৰিশীলিত।'** জোনচৰ মন্তব্যক কেন্দ্ৰ কৰিয়েই সমগ্ৰ ইউৰোপত প্ৰাচীন সাহিত্যেৰে সমৃদ্ধ ভাষাবোৰৰ তুলনামূলক আলোচনা হ'বলৈ ধৰিলে। ফলস্বৰূপে তুলনামূলক ভাষাতত্ত্ব (Comparative Philology) নামেৰে ভাষা চিন্তাই গা কৰি উঠিল। ১৮০৮ চনত প্ৰকাশিত জাৰ্মান ভাষাতাত্ত্বিক ফ্ৰিয়েডিখ ৰন শ্লেগেলেৰ 'On the language and the wisdom of the Indians' নামৰ গ্ৰন্থৰ জৰিয়তে পোন প্ৰথম তুলনামূলক ভাষাতত্ত্বৰ সূচনা হয়। তাৰপাছত লাহে লাহে ঐতিহাসিক অধ্যয়নেও প্ৰসাৰ লাভ কৰিলে।

ঊনবিংশ শতিকাৰ সপ্তম-অষ্টম দশকত জাৰ্মান দেশত নব্য বৈয়াকৰণগোষ্ঠীৰ কাল ব্ৰুগমেন, বেৰ্টোল ডেলক্ৰক, হাৰমান ওচথোফ, ফ্ৰান্সৰ অটোৱান মেইতেই, আমেৰিকাৰ হুইটনি আদি ভাষাতাত্ত্বিকসকলে তুলনামূলক ভাষাতত্ত্বৰ পৰিসৰ বৃদ্ধি কৰিলে। আনহাতে প্ৰাচীন সাহিত্যৰ মাজতে আবদ্ধ নাথাকি আধুনিক ইংৰাজী, ফৰাচী আদি ভাষাৰ ক্ৰমবিকাশৰ ইতিহাস সম্পৰ্কেও আলোচনা কৰিবলৈ ল'লে। তদুপৰি সমগোত্ৰীয় ভাষাৰ মাজত তুলনা অব্যাহত ৰাখিলে। ফলস্বৰূপে, ঐতিহাসিক ভাষাতত্ত্বৰ জন্ম হ'ল।

## ২.৩.৩ ভাষাবিজ্ঞানৰ ধাৰা ঃ

ফ্ৰান্সৰ ফৰাচী ভাষাতাত্ত্বিকসকলে তেওঁলোকৰ ভাষা-আলোচনাক 'Linguistique' অভিধাৰে বুজাইছিল। ঊনবিংশ শতিকাৰ মাজভাগৰ পৰাহে ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নত গুৰুত্ব দিয়ে। ঊনবিংশ শতিকাত সমগ্ৰ ইউৰোপত ভাষাৰ এক নতুন চিন্তা আৰু চেতনাৰ জোৱাৰ উঠে। বিশেষকৈ, ভাষাবিজ্ঞানীসকল ভাষাৰ প্ৰচলিত ধ্যান-ধাৰণা, চিন্তা-আদৰ্শৰ পৰা আঁতৰি আহি বাস্তৱ ধ্যান-ধাৰণাৰ প্ৰতি আগ্ৰহী হ'বলৈ ধৰিলে। ১৯০০ চনত জাৰ্মান দেশত নব্য-বৈয়াকৰণগোষ্ঠী (New Gramarian)ৰ জন্ম হয়। এই গোষ্ঠীৰ প্ৰতিষ্ঠাতা আছিল আগষ্ট কম্পট্ (August Compt)। নব্য বৈয়াকৰণ-গোষ্ঠীৰ দ্বাৰা ভাষাৰ বিকাশ, পৰিৱৰ্তন, ভাষাৰ গঠন আদিৰ আলোচনা

হোৱাৰ উপৰিও মিচেল ব্ৰেইল (Michel Brail)ৰ দ্বাৰা ঐতিহাসিক অৰ্থতত্ত্বৰ আৰম্ভ হয়। ফ্ৰান্সৰ ফৰাচী ভাষাতাত্ত্বিকসকলে ঐতিহাসিক দৃষ্টিভঙ্গীৰে কৰা ভাষাৰ আলোচনাৰ ক্ষেত্ৰত পোন প্ৰথম 'Comparative Philology' এই অভিধাটোৰ সলনি 'Historical Linguistics' এই অভিধাটোৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। এইক্ষেত্ৰত সুপ্ৰসিদ্ধ ভাষাতাত্ত্বিক **অটোৱান মেইয়েই** লিখা দুখন গ্ৰন্থ বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থ দুখন হৈছে – ***'Historical and General Linguistics'*** আৰু ***'The Comparative Method of Historical Linguistics'***। দুয়োখন গ্ৰন্থতে পূৰ্বৰ 'Philology' অভিধাটোৰ পৰিৱৰ্তে 'Linguistics' অভিধাটো প্ৰয়োগ কৰিছিল। ইয়াৰ পাছৰ পৰাই ভাষাৰ আলোচনাত 'Linguistics' এই অভিধাটো ব্যৱহাৰ হ'বলৈ ধৰিলে। বিংশ শতাব্দীৰ আগৰ আলোচনাক 'ঐতিহাসিক ভাষাবিজ্ঞান' (Historical Linguistics) আৰু বিংশ শতাব্দীৰ নতুন ধাৰাৰ আলোচনাক 'বৰ্ণনাত্মক ভাষাবিজ্ঞান' (Descriptive Linguistics) নামেৰে অভিহিত কৰিলে।

### ২.৩.৪ আধুনিক ভাষাবিজ্ঞানৰ ধাৰা ঃ

**কুৰি শতিকাৰ দ্বিতীয় দশকত চুইজাৰলেণ্ডৰ ভাষাবিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চচ্যুৰ (Ferdinand de Saussure)ৰ 'Course in General Linguistics' প্ৰকাশ পোৱাৰ পাছত আধুনিক ভাষাবিজ্ঞান চৰ্চাৰ সূত্ৰপাত ঘটে।** চচ্যুৰে ভাষাত অন্তৰ্নিহিত হৈ থকা উপাদানবিলাকৰ বাস্তৱসন্মত বিচাৰ-বিশ্লেষণত গুৰুত্ব আৰোপ কৰি ভাষাৰ অধ্যয়নত এক নতুন জোৱাৰ তোলে। বিশেষকৈ চচ্যুৰে ভাষাৰ ধ্বনিগত (Phonological), ৰূপগত (Morphological), বাক্যগত (Syntactical) আৰু অৰ্থগত (Semantical) আদি দিশৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই পদ্ধতিগতভাৱে আলোচনা কৰাত গুৰুত্ব দিয়ে। চচ্যুৰে প্ৰথমবাৰৰ বাবে ভাষাৰ গঠনমূলক সংগতি (Structural Symmetry)ৰ কথা উল্লেখ কৰিছিল। এনে কাৰণতে চচ্যুৰক **'আধুনিক ভাষাবিজ্ঞানৰ পিতৃ'** (Father of Modern Linguistics) বুলি অভিহিত কৰা হয়।

### ভাষা সম্পৰ্কীয় চচ্যুৰ মৌলিক চিন্তা ঃ

চচ্যুৰে ভাষাবিজ্ঞানৰ আলোচনাত তলত দিয়া মৌলিক চিন্তা কেইটা আগবঢ়াইছিল–

- চচ্যুৰে ভাষা অধ্যয়নক কালক্ৰমিক (Diachronic) আৰু এককালিক

(Synchronic) এই দুটা ভাগত ভাগ কৰি এককালিক ভাষাৰ চৰ্চাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

- চচ্যুৰে ভাষা অৱস্থিতিত 'লাঁগ' আৰু 'পাৰল' এই দুই ভাগত বিভক্ত কৰি লাঁগৰ বিচাৰ-বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।
- চচ্যুৰে ভাষাৰ গাঁথনিক দিশত দুটা দিশৰ সম্বন্ধৰ কথা উপস্থাপন কৰিছে—

  সহাবদ্ধ বা আন্বয়িক (Syntagmatic)

  ক্ৰমাবদ্ধ বা আনুষঙ্গিক (Paradigmatic)।
- চচ্যুৰে ভাষাক চিহ্নৰ প্ৰণালী বুলি বৰ্ণনা কৰিছে। ভাষাৰ চিহ্ন বা উপাদানসমূহৰ পাৰস্পৰিক সম্বন্ধৰ প্ৰতি সজাগতা আৰু গঠনাত্মক সঙ্গতি বিচাৰত গুৰুত্ব আৰোপ কৰিছে।

চচ্যুৰে কালক্ৰমিক বা ঐতিহাসিক ভাষা-চৰ্চাৰ ক্ষেত্ৰৰ পৰা আঁতৰি আহি এককালিক ভাষিক স্তৰৰ গাঁথনিক দিশৰ বিশ্লেষণত গুৰুত্ব আৰোপ কৰি তাৰ নিয়ম-নীতি নিৰ্দ্ধাৰণ কৰিছিল কাৰণে তেওঁৰ দ্বাৰা 'গঠনমূলক ভাষাবিজ্ঞান' প্ৰতিষ্ঠা হৈছিল আৰু ইয়ে আধুনিক ভাষাবিজ্ঞানৰ সূচনা কৰিছিল।

**চচ্যুৰ পাছত প্ৰধানকৈ কেইজনমান ভাষাচিন্তাকাৰীৰ হাতত আধুনিক ভাষা-চিন্তা ধাৰাই অধিক সমৃদ্ধি লাভ কৰি ক্ৰমবিকাশৰ পথত অগ্ৰসৰ হৈছিল। তেনে কেইজনমান ভাষা চিন্তক হ'ল ফ্ৰেনজ বোৱাছ, এডৱাৰ্ড ছাপিৰ, লিওনাৰ্ড ব্লুমফিল্ড, নোয়ম চমস্কি আদি। তেওঁলোকৰ ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চাই আধুনিক ভাষাবিজ্ঞানৰ ধাৰাক অধিক সমৃদ্ধ কৰিছিল।**

নৃতাত্ত্বিক ফ্ৰেনজ বোৱাছে ভাষাৰ বিশ্লেষণ সম্পৰ্কত এক নতুন চিন্তাৰ উন্মেষ ঘটালে। তেওঁৰ মতে প্ৰকৃত উচ্চাৰিত দিশৰ পৰা ভাষাসমূহৰ বৰ্ণনা তথা বিশ্লেষণ কৰিব লাগে। বোৱাছে **১৯১১** চনত আমেৰিকাৰ আদিম অধিবাসীৰ ভাষাক লৈ প্ৰকাশ কৰি উলিয়ায় 'A Hand book of American Indian Language'। বোৱাছৰ এই নৱ প্ৰচেষ্টাত সহযোগ কৰে প্ৰথমে এডৱাৰ্ড ছাপিৰে আৰু লিওনাৰ্ড ব্লুমফিল্ডে। এই তিনিওজন পণ্ডিতে ভাষাৰ গাঁথনিক দিশৰ বিষয়ে বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰে আৰু বৰ্ণনামূলক নীতিৰ পদ্ধতি সম্পৰ্কীয় গ্ৰন্থ প্ৰণয়ন কৰে। ১৯২১ চনত চাপিৰে 'Language, An Introduction to the Study of Speech' আৰু ১৯৩৩ চনত ব্লুমফিল্ডে 'Language' নামেৰে এই দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। এই দুয়োখন গ্ৰন্থই বৰ্ণনামূলক দৃষ্টিভঙ্গী গ্ৰহণ কৰিবলৈ ভাষাবিজ্ঞানীসকলক অনুপ্ৰাণিত কৰে। ভাষাৰ ধ্বনি, ৰূপ আদি গাঁথনিক দিশৰ বৰ্ণনাই প্ৰাধান্য পোৱাৰ বাবে

এই ধাৰাৰ ভাষাৰ আলোচনা বৰ্ণনামূলক বুলি অভিহিত কৰা হয়।

**১৯৫৭ চনত নোয়ম চমস্কিৰ ‘Synthetic Structures’ প্ৰকাশ হোৱাৰ লগে লগে আধুনিক ভাষাবিজ্ঞানত এক নতুন তত্ত্বৰ সূচনা হয়।** এইটোৱে ভাষাৰ অধ্যয়নক অধিক বিজ্ঞানসন্মত কৰি তোলে। চমস্কিৰ তত্ত্বই পূৰ্বৰ সকলো চিন্তাধাৰাক অধিক আগুৱাই যাবলৈ সক্ষম কৰি তোলে। তেওঁৰ মতে ভাষাবিশ্লেষণৰ মূল লক্ষ্য হ'ব লাগে— অভ্যন্তৰ বোধ বা অন্তৰ্লীন জ্ঞানৰ দ্বাৰা কেনেকৈ বাক্য ৰূপান্তৰ আৰু সৃজনীশীল হয় তাৰ নিয়মাৱলী আৱিস্কাৰ কৰা। চমস্কিৰ তত্ত্বই দেখুৱালে যে, মানুহৰ ভাষাত এক বিশ্বজনীনতা আছে। কিয়নো মানুহৰ কোৱা আৰু শুনাৰ প্ৰক্ৰিয়া একে। চমস্কিৰ চিন্তাধাৰাৰ ‘Transformational Generative Grammer’ৰ মূল কথা হৈছে— বৃহত্তৰ বাক্য গোটৰ পৰা ক্ষুদ্ৰ ধ্বনিগোটলৈ নিম্নগামী হৈ ভাষা বিশ্লেষণ কৰা পদ্ধতি।

আধুনিক ভাষা চৰ্চাক নানান পণ্ডিতে ক্ৰমাৎ সমৃদ্ধি দান কৰি আহিছে। চচ্যুৰৰ তত্ত্বৰ অনুসৰণত ডেনমাৰ্কৰ লুইচ হিয়েলমস্লেভে ১৯৪৩ চনত ‘গ্ল’ছমেটিকছ’ নামৰ এটা নতুন তত্ত্বৰ উদ্ভাৱন কৰে। তেওঁৰ মতে সম্পূৰ্ণ গাণিতিকভাৱে ভাষাৰ উপাদানৰ মাজত সম্পৰ্ক বিচাৰ কৰিব লাগে। চাৰ্লচ ফিলমোৰে দাঙি ধৰা ‘Case-Grammar’ নতুন চিন্তা-আলোচনাৰ অন্যতম ভাষা বিশ্লেষণৰ ধাৰা। ফিলমোৰৰ বিশ্লেষণৰ ধাৰাই ভাষাৰ গাঁথনিক বিষয়ত নতুন চিন্তাৰ উন্মেষ ঘটায়।

বিংশ শতিকাৰ পঞ্চাশ দশকৰ পৰা ভাষাচিন্তাৰ উল্লেখনীয় দিশত আগবঢ়া দুটা শাখা হৈছে–

(১) সমাজ ভাষাবিজ্ঞান

(২) মনোভাষাবিজ্ঞান

ভাষাবিজ্ঞানৰ এই দুই শাখাই আলোচনাৰ ক্ষেত্ৰত এক সুকীয়া পৰিচয় দান কৰিছে। তদুপৰি বৰ্তমান কালত ভাষাবিজ্ঞানে এক বিস্তীৰ্ণ ক্ষেত্ৰ সামৰি লৈছে। এনে দুবিধ ভাষাবিজ্ঞানৰ শাখা হৈছে– প্ৰয়োগ ভাষাবিজ্ঞান আৰু শৈলীবিজ্ঞান।

বৰ্তমানকালত নানা আধুনিক যন্ত্ৰপাতিৰ জৰিয়তে ভাষা আলোচনাক অধিক বিজ্ঞানসন্মত কৰি তুলি ক্ৰমশঃ উন্নতিৰ দিশে আগুৱাই নিয়া হৈছে। আধুনিক কালত ভাষাবিজ্ঞানীৰ নতুন চিন্তা ভাৱনাই ভাষা আলোচনাক এক বৃহৎ পৰিসৰ দান কৰিছে।

**আত্মমূল্যায়ন ২ ঃ**

**ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে দাঙি ধৰা ভাষা বিষয়ক মৌলিক চিন্তা কেইটা কি কি ?**

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

## ২.৪ সাৰাংশ ঃ

ওপৰৰ ভাষাবিজ্ঞান সম্পৰ্কীয় আলোচনাৰ জৰিয়তে তোমালোকে ভাষাবিজ্ঞানৰ বিষয়ে বহু কথা জানিলা। এই গোটটি অধ্যয়ন কৰাৰ পাছত কি কি শিকিলো এবাৰ জুকিয়াই চাওঁ আহাঁ।

- ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নেই হৈছে ভাষাবিজ্ঞান।
- ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধৰ পৰা 'ভাষাবিজ্ঞান' এই অভিধাটোৰ প্ৰচলন হয়।
- ভাষা বিজ্ঞানত ভাষাৰ চাৰিটা প্ৰক্ৰিয়া সম্পৰ্কে অধ্যয়ন কৰা হয়। এই প্ৰক্ৰিয়া কেইটা হৈছে— ধ্বনিপ্ৰণালী, ৰূপৰ প্ৰণালী, বাক্যৰ প্ৰণালী আৰু অৰ্থৰ প্ৰণালী।
- ফাৰ্ডিনাণ্ড দ্য চচ্যুৰ হাতত ভাষাবিজ্ঞানৰ জন্ম হয়। চচ্যুৰক আধুনিক ভাষাবিজ্ঞানৰ পিতৃ বুলি কোৱা হয়। চচ্যুৰে ভাষা সম্পৰ্কীয় কেইবাটাও মৌলিক চিন্তা আগবঢ়ায়।
- আমেৰিকাৰ ভাষাবিজ্ঞানী ব্লুমফিল্ডে গঠনমূলক ভাষাবিজ্ঞানক পূৰ্ণ ৰূপত প্ৰতিষ্ঠা কৰে আৰু ব্লুমফিল্ডৰ ভাষাৰ আলোচনাত ভাষাৰ ধ্বনি, ৰূপ আদিৰ গাঁথনিক দিশৰ বৰ্ণনাই ঠাই পোৱা বাবে এই

ধাৰাৰ ভাষাৰ আলোচনাক বৰ্ণনাত্মক ভাষাবিজ্ঞান ৰূপে অভিহিত কৰা হয়।

- নোয়ম চমস্কিৰে বাক্যতত্ত্বৰ দিশত নতুন তত্ত্ব আগবঢ়ায়। চমস্কিৰ ভাষা সম্পৰ্কীয় চিন্তাধাৰাৰ মূল কথা হৈছে– বৃহত্তৰ বাক্য গোটৰ পৰা ক্ষুদ্ৰ ধ্বনিগোটলৈ নিম্নগামী হৈ ভাষা বিশ্লেষণ কৰা পদ্ধতি।
- সাম্প্ৰতিক কালত ভাষাবিজ্ঞানৰ নতুন নতুন শাখাৰ জন্ম হৈছে-- সমাজ ভাষাবিজ্ঞান, মনোভাষাবিজ্ঞান, প্ৰয়োগ ভাষাবিজ্ঞান, ভাষাবিজ্ঞান আধাৰিত সাহিত্য আলোচনাৰ ধাৰা শৈলী বিজ্ঞান আদি।

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ঃ ১**

ভাষাৰ বিজ্ঞানসন্মত আলোচনাকে ‘ভাষাবিজ্ঞান’ বোলা হয়। ই একান্তভাৱে ভাষাৰ বিজ্ঞান বা বৈজ্ঞানিক পদ্ধতিৰে কৰা ভাষা সম্পৰ্কীয় আলোচনা। বিজ্ঞানৰ অৰ্থই হৈছে– বিশেষ জ্ঞান আৰু এই জ্ঞান পৰ্যবেক্ষণ, বিশ্লেষণ আৰু পৰীক্ষা কৰি আহৰণ কৰা হয়। ভৌতিক বিজ্ঞানৰ দৰে অৰ্থাৎ পদাৰ্থ বিজ্ঞান বা ৰসায়ন বিজ্ঞান জাতীয় বিজ্ঞান শাখাৰ দৰে ভাষাবিজ্ঞান বিশুদ্ধ বিজ্ঞান (Pure Science) নহয় যদিও ভাষাৰ অধ্যয়নৰ সকলো কথা অৰ্থাৎ বিচাৰ-বিশ্লেষণ বস্তুধৰ্মী আৰু তত্ত্বসম্বলিত। ইয়াত ভাব প্ৰৱণতা ৰু কল্পনাৰ ঠাই নাই। ফলাফল সদায় সত্য আশ্ৰিত। বিজ্ঞানৰ আলোচনাৰ দৰে ভাষাৰ বিশ্লেষণতো সূক্ষ্ম আৰু পৰীক্ষণীয় পদ্ধতি প্ৰয়োগ কৰা হয়। বিজ্ঞানৰ দৰে ভাষাৰ অধ্যয়নতো নানা যন্ত্ৰপাতি ব্যৱহাৰ কৰা হয়। অৱশ্যে ধ্বনি উচ্চাৰণৰ প্ৰধান যন্ত্ৰ হৈছে বাগিন্দ্ৰিয়। তদুপৰি বাক্‌ধ্বনিৰ শুদ্ধ বিশ্লেষণৰ বাবে স্পেক্টোগ্ৰাফ, কাইমোগ্ৰাফ, অছিলোগ্ৰাফ, লেৰিফোগ্ৰাফ, অটোফনোস্কোপ আদি যন্ত্ৰ ব্যৱহাৰ কৰা হয়। এই যন্ত্ৰপাতিবোৰৰ সহায়ত পৰীক্ষাগাৰত ভাষা সম্পৰ্কে অধ্যয়ন চলাই ভাষা এটাৰ পূৰ্ণাঙ্গ আৰু সত্য তথ্য দাঙি ধৰা হয়। ভাষাৰ অধ্যয়নত সমগ্ৰতা বা সম্পূৰ্ণতা, সামঞ্জস্য বা

সংগতি আৰু পৰিমিতি বা সংক্ষিপ্ততা এই তিনিটা বিধি মানি চলা হয়। সেয়েহে পৰ্যবেক্ষণ, প্ৰণালীবদ্ধ অধ্যয়ন আৰু সাধাৰণীকৰণৰ বস্তুনিষ্ঠ গুণেৰে যিকোনো ভাষাৰ ধ্বনিৰ পৰা অৰ্থ পৰ্যন্ত সকলো দিশ খৰচি মাৰি বৰ্ণনা কৰিব পৰাৰ কাৰণে বৰ্তমান ভাষাৰ অধ্যয়নক বিজ্ঞানৰ শ্ৰেণীভুক্ত কৰি ভাষাবিজ্ঞান বুলি অভিহিত কৰা হৈছে।

**আত্মমূল্যায়ন ঃ ২**

ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে ভাষাবিজ্ঞানৰ আলোচনাত কেইটামান নতুন চিন্তা আগবঢ়াইছিল। এই কেইটা হৈছে—

(১) চচ্যুৰে ভাষাৰ অধ্যয়নক কালক্ৰমিক আৰু এককালিক ৰূপে দুটা প্ৰধান ভাগত ভাগ কৰি এককালিক ভাষা চৰ্চাত অধিক গুৰুত্ব আৰোপ কৰিছিল।

(২) ভাষাৰ অৱস্থিতিত লাঁগ আৰু পাৰল —এই দুই ভাগত বিভক্ত কৰিছিল। সামগ্ৰিকভাৱে মানুহে উচ্চাৰম কৰা মাত বা কথাক ভাষা বুলি ধৰি ইয়াক লাঁগ বা ভাষা পদ্ধতি বুলি অভিহিত কৰিছে। আনহাতে ব্যক্তি অনুযায়ী ভাষাৰ পৃথক পৃথক ৰূপৰ ব্যাৱহাৰিক ৰূপক পাৰল বুলি অভিহিত কৰিছে। তেওঁ লাঁগ বা ভাষা পদ্ধতিৰ গঠন প্ৰণালী অধ্যয়নৰ প্ৰতিহে মনোযোগ দিছিল।

(৩) ভাষাক চিহ্নৰ প্ৰণালী হিচাপে ধৰি চিহ্নক আৰু চিহ্নিতৰ পাৰ্থক্য বিচাৰ আৰু চিহ্নক আৰু চিহ্নিতৰ তাৎপৰ্য গুণ ব্যৱহাৰৰ মাজেদি ভাষা-প্ৰণালী প্ৰতিষ্ঠা কৰিছিল।

(৪) চচ্যুৰে ভাষাৰ গাঁথনিক দিশত দুটা সম্বন্ধৰ কথা উপস্থাপন কৰিছে। এইকেইটা হৈছে– সহাবদ্ধ আৰু ক্ৰমাবদ্ধ সম্বন্ধ।

## অনুশীলন - ২

**(১) চমুকৈ প্ৰকাশ কৰাঁ।**

(ক) ভাষাবিজ্ঞান বুলিলে কি বুজাঁ?

(খ) ভাষাৰ বিজ্ঞানসন্মত আলোচনাৰ গুণ কেইটা আৰু কি কি ?

(গ) ভাষাবিজ্ঞানৰ পিতৃ কোন ?

(ঘ) চমস্কিৰ বাক্যতত্ত্ব সম্পৰ্কীয় কিতাপ দুখনৰ নাম লিখাঁ।

(ঙ) তুলনামূলক ভাষাতত্ত্বৰ অধ্যয়নৰ বাট কোনে মুকলি কৰে ?

(চ) 'Linguistics' এই অভিধাটো কোনে প্ৰথমে ক'ত ব্যৱহাৰ কৰে।

**(২) বহলাই লিখা— (৫০০ মান শব্দৰ ভিতৰত)**

(ক) পাশ্চাত্যত ভাষাবিজ্ঞানৰ বিকাশ কেনেদৰে হৈছিল —আলোচনা কৰাঁ।

(খ) ভাষাৰ অধ্যয়নক কিয় বিজ্ঞান বোলা হয় — যুক্তিৰে আলোচনা কৰাঁ।

(গ) প্ৰাচ্যত ভাষা চৰ্চা কেনেদৰে হৈছিল — চমুকৈ আলোচনা কৰাঁ।

(ঘ) ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ সম্পৰ্ক আৰু পাৰ্থক্য বিচাৰ কৰাঁ।

### অধিক অধ্যয়নাৰ্থে প্ৰসঙ্গ গ্ৰন্থ ঃ

১. *ভাষাবিজ্ঞান* – ড° উপেন্দ্ৰনাথ গোস্বামী

২. *ভাষাৰ উপক্ৰমণিকা* – ড° অৰ্পণা কোঁৱৰ

৩. *আধুনিক ভাষাবিজ্ঞান পৰিচয়* – ড° ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

৪. ***Language*** -- Leonard Bloomfield.

*****

# খণ্ড ২ ঃ ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাগ আৰু ভাষাবিজ্ঞানৰ কেইটিমান মুখ্য ধাৰণা
# (Division of Linguistics Studies and Some Major Concepts of Linguistics)

গোট ১ ঃ ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাগ
গোট ২ ঃ ভাষাবিজ্ঞানৰ কেইটামান প্ৰয়োজনীয় চিন্তা

**প্ৰস্তাৱনা ঃ**

প্ৰথম খণ্ডত তোমালোকে ভাষা কি, ভাষাৰ সংজ্ঞা, ভাষাৰ উপাদান, ভাষাৰ বৈশিষ্ট্য আৰু লগতে ভাষাবিজ্ঞান আৰু ভাষাবিজ্ঞানৰ বিকাশ সম্পৰ্কে বহুতো কথা জানিব পাৰিলা। দ্বিতীয় খণ্ডটিত ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাগ আৰু ভাষাবিজ্ঞানৰ কেইটিমান মুখ্য ধাৰণা সম্পৰ্কে আলোচনা কৰা হ'ব। ভাষাসমূহৰ পুংখানুপুংখৰূপে অধ্যয়নৰ বাবেই ভাষাবিজ্ঞানৰ প্ৰয়োজন। ভাষাক বিভিন্ন দৃষ্টিকোণৰ পৰা বৰ্ণনা আৰু বিশ্লেষণ কৰা হয়। ভাষা সদায় একেদৰে নাথাকে, সময়ৰ সোঁতত ভাষাৰ পৰিৱৰ্তন হয়। ভাষাৰ এই পৰিৱৰ্তনৰ দিশ সম্পৰ্কে আলোচনা ঐতিহাসিক ভাষাবিজ্ঞানত কৰা হয়। ঠিক তেনেদৰে ভাষাৰ গঠন সম্পৰ্কে বৰ্ণনাত্মক ভাষাবিজ্ঞানত আলোচনা কৰা হয়। তদুপৰি ভাষাসমূহৰ মাজত তুলনামূলক আলোচনা তুলনামূলক ভাষাবিজ্ঞানৰ জৰিয়তে কৰা হয়। এনেদৰে বিভিন্ন দৃষ্টিকোণৰ পৰা ভাষাসমূহৰ অধ্যয়ন চলোৱা হয়। ভাষাৰ অধ্যয়নৰ প্ৰয়োজনীয়তা, গুৰুত্ব আৰু প্ৰাসঙ্গিকতা ভাষাবিজ্ঞানীসকলে স্বীকাৰ কৰি আহিছে। বিশেষকৈ কুৰি শতিকাৰ পাছৰ পৰা ভাষাৰ চিন্তাত নতুন নতুন প্ৰশাখাইও ভূমুকি মাৰি ভাষাবিজ্ঞানসন্মত অধ্যয়নৰ বিস্তীৰ্ণ ক্ষেত্ৰখন সামৰি লৈছে। ফলস্বৰূপে ভাষাবিজ্ঞানত নানা সমল প্ৰযুক্ত হৈ নতুন নামকৰণেৰে নতুন নতুন শাখাৰ বিকাশ ঘটিছে। দ্বিতীয় খণ্ডটিৰ প্ৰথম গোটত ভাষাবিজ্ঞানৰ অধ্যয়নৰ বিভিন্ন ভাগবোৰৰ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

ভাষাৰ অধ্যয়ন বিজ্ঞানৰ দিশলৈ গতি কৰাৰ মূলতে হৈছে বৈজ্ঞানিক

চিন্তাধাৰা। ছুইচ ভাষাবিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চছ্যুৰে ভাষাৰ বিজ্ঞানসন্মত চিন্তাৰ আৰম্ভণি ঘটায়। তেওঁ ইংৰাজী 'Course in General Linguistics' নামৰ গ্ৰন্থখনে সাধাৰণ ভাষাবিজ্ঞান সম্পৰ্কীয় নতুন চিন্তাৰ খোৰাক যোগায়। চছ্যুৰে ভাষাৰ তাত্বিক দিশত কেইটামান মৌলিক চিন্তা আগবঢ়ায়। এই কেইটা হৈছে–

(১) ভাষা চৰ্চাৰ দুটা পৃথক ধাৰা হৈছে– এককালিক আৰু কালক্ৰমিক। এককালিক ধাৰাৰ ভাষাৰ অধ্যয়নক অধিক গুৰুত্ব আৰোপ।

(২) লাঁগ (ভাষা পদ্ধতি) আৰু পাৰল (ভাষা ব্যৱহাৰ) এই দুটা ভাগত বিভাজন কৰি 'ভাষা পদ্ধতি'ৰ গঠন প্ৰণালী অধ্যয়নৰ প্ৰতি অধিক মনোযোগ।

(৩) ভাষাক 'চিহ্ন'ৰ প্ৰণালী বুলি ধৰি লৈ 'চিহ্ন'ক আৰু 'চিহ্নিত'ৰ পাৰ্থক্য আৰু তাৎপৰ্য বিচাৰ।

(৪) ভাষাৰ সহাবদ্ধ আৰু ক্ৰমাবদ্ধ সম্বন্ধ।

চচ্যুৰে দাঙি ধৰা ভাষাৰ মুখ্য ধাৰণা কেইটা সম্পৰ্কেও দ্বিতীয় গোটটিত আলোচনা কৰা হ'ব।

# গোট ১ ঃ ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাগ (Division of Linguistics Studies)

**গঠন**

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাগ

১.২.১ বৰ্ণনাত্মক ভাষাবিজ্ঞান

১.২.২ ঐতিহাসিক ভাষাবিজ্ঞান

১.২.৩ তুলনাত্মক ভাষাবিজ্ঞান

১.২.৪ সমাজ ভাষাবিজ্ঞান

১.২.৫ মনোভাষাবিজ্ঞান

১.২.৬ ভূ-ভাষাবিজ্ঞান

১.২.৭ প্ৰায়োগিক ভাষাবিজ্ঞান

**১.৪ সাৰাংশ ঃ**

## ১.০ উদ্দেশ্য ঃ

এই গোটটি অধ্যয়ন কৰাৰ পাছত তোমালোকে—

- ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নৰ ভাগসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- বৰ্ণনাত্মক, ঐতিহাসিক, তুলনাত্মক অধ্যয়ন পদ্ধতিৰ জৰিয়তে কোনো এটা ভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন কৰিব পাৰিবা।
- ভাষাৰ অধ্যয়নত সমাজ ভাষা বিজ্ঞান, মনোভাষাবিজ্ঞান, প্ৰয়োগিক ভাষা বিজ্ঞানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

ভাষাবিজ্ঞানৰ অধ্যয়নে কি কি বিষয় সামৰে আৰু ইয়াৰ প্ৰয়োজনীয়তা কেনেকুৱা এই সম্পৰ্কে তোমালোকৰ আগত বহলাই কম। এইবোৰ কথা সম্পৰ্কে জনাৰ উদ্দেশ্যেই এই গোটটোৰ প্ৰয়োজন আছে। পৃথিৱীৰ প্ৰায়বোৰ মানুহে নিজৰ নিজৰ ভাষা জনাৰ উপৰিও বিভিন্ন কাৰণত বিভিন্ন দেশৰ ভাষা সম্পৰ্কীয় জ্ঞান লাভৰ বাবে আগ্ৰহ কৰে। এনে হেঁপাহ বা স্পৃহাৰ ফলস্বৰূপে ভাষাবিষয়ক নানা ধৰণৰ চিন্তা-চৰ্চাৰ বাট মুকলি হৈছে। তদুপৰি ভাষাবিজ্ঞানীসকলৰ বৌদ্ধিক কৌতুহল আৰু সৃষ্টি প্ৰৱণতাৰ বাবেও ভাষা বিষয়ক অধ্যয়নে বিশেষ গুৰুত্ব লাভ কৰিছে। কোনো এটা ভাষা শুদ্ধৰূপত আয়ত্ত কৰিবলৈ হলে ভাষাৰ আভ্যন্তৰীণ গঠন সম্পৰ্কে পুংখানুপুংখৰূপে জানিব লাগিব। এনেবোৰ কাৰণতে ভাষা অধ্যয়নৰ প্ৰাসঙ্গিকতা আছে।

ভাষাবিজ্ঞানৰ অধ্যয়নৰ পৰিধি অতি ব্যাপক। ভাষাবিজ্ঞানৰ এই ব্যাপক পৰিধিয়ে কি কি বিষয়ে সামৰি লয়, ইয়াৰ প্ৰণালী কেনেকুৱা, কি কি পদ্ধতিৰ সহায়ত ভাষা এটাক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিব পাৰি এনেধৰণৰ বহু প্ৰশ্ন আধুনিক ভাষাবিজ্ঞানীসকলৰ মনত উদয় হয়। ভাষাবিজ্ঞানীসকলৰ মনত উদয় হোৱা প্ৰশ্নৰ সমিধান বিচাৰি তেওঁলোকে ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নত নানা ধৰণৰ শৃংখলাৰ সমাবেশ ঘটাইছে। বিজ্ঞানৰ অন্যান্য বিষয়ৰ দৰে ভাষাক বিজ্ঞানৰ শাৰীত অন্তৰ্ভুক্ত কৰি আধুনিক ভাষাবিজ্ঞানীসকলে নতুন তত্ত্ব আৰু তথ্যৰ যোগান ধৰিছে। ভাষাবিজ্ঞানৰ অধ্যয়নৰ বিষয় হৈছে--– একোটা ভাষাত নিহিত হৈ থকা উপাদান, যেনে– ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ আদিৰ পুংখানুপুংখ বিশ্লেষণ আৰু প্ৰত্যেকটো উপাদানৰ পৰস্পৰ সম্পৰ্ক বিচাৰ। ভাষাবিজ্ঞানৰ বিভিন্ন শাখাত ভাষাৰ এই উপাদানবোৰক বিভিন্ন দৃষ্টিকোণৰ পৰা বৰ্ণনা আৰু বিশ্লেষণ কৰা হয়।

পৰ্যায় সাপেক্ষে এটা ভাষাক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিবলৈ লওঁতে অধ্যয়নৰ বিষয় আৰু পদ্ধতি নিৰ্বাচন কৰি লোৱা হয়। ভাষা সদায় একেদৰে নাথাকে। সময়ৰ সোঁতত বিভিন্নজনৰ মুখত পৰিৱৰ্তন হয়। ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নৰ ইতিহাসলৈ লক্ষ্য কৰিলে কুৰি শতিকাৰ আগলৈকে ভাষাবিজ্ঞানীসকলে ভাষাৰ সময়ৰ সোঁতত হোৱা পৰিৱৰ্তন গতি-প্ৰকৃতি আদি সম্পৰ্কেহে অধ্যয়ন চলাই আছিল অৰ্থাৎ ভাষা একোটাৰ এটা কালস্তৰৰ পৰা আন এটা কালস্তৰলৈ হোৱা পৰিৱৰ্তনৰ গতি-প্ৰকৃতি সম্পৰ্কে কৰা আলোচনাৰ মাজতে আৱদ্ধ আছিল। এই অধ্যয়নত ঐতিহাসিক পদ্ধতি অৱলম্বন কৰিছিল। কিন্তু কুৰি শতিকাৰ পাছৰ পৰা এক কালখণ্ড জুৰি বৰ্তী থকা ভাষাৰ গাঁথনিক স্বৰূপ সম্পৰ্কে অধ্যয়ন কৰাত মনোযোগ দিয়ে। ভাষাৰ এনে গাঁথনিক স্বৰূপ বিশ্লেষণত সাধাৰণতে বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হয়। তদুপৰি ভাষাসমূহৰ মাজত

থকা মিল-অমিল বিচাৰ, অৰ্থাৎ তুলনাৰ জৰিয়তে আলোচনা কৰাৰ ক্ষেত্ৰত ভাষাবিজ্ঞানীসকল আগ্ৰহী হৈ পৰিল আৰু বিভিন্ন দৃষ্টিকোণৰ পৰা একোটা ভাষাৰ পৰীক্ষা-নিৰীক্ষা চলাবলৈ ধৰিলে। এনেদৰে ভাষা বিষয়ক অধ্যয়নত নতুন নতুন শাখা-প্ৰশাখাৰ জন্ম হয়। এই শাখা-প্ৰশাখাবোৰৰ বিষয়ে তোমালোকৰ আগত ক'বলৈ ওলাইছোঁ।

## ১.২ ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাগ ঃ

ভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু প্ৰাসঙ্গিকতালৈ লক্ষ্য কৰি আধুনিক ভাষাবিজ্ঞানীসকলে চলাই থকা ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতিৰ ভিত্তিত ভাষাবিজ্ঞানক তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে। ভাষা অধ্যয়নৰ প্ৰধান শাখাকেইটা হৈছে—

**(১) বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistic)**

**(২) ঐতিহাসিক ভাষাবিজ্ঞান ( Historical Linguistic)**

**(৩) তুলনাত্মক ভাষাবিজ্ঞান (Comparative Linguistic)**

ভাষা অধ্যয়নৰ আৰু কিছুমান নতুন নতুন দিশৰ উদ্ভৱ হৈছে। বিশেষকৈ পাশ্চাত্য জগতত তথা ফাৰ্ডিনাণ্ড দ্য চচ্যুৰ হাতত জন্ম লাভ কৰা আধুনিক ভাষাবিজ্ঞানৰ চিন্তাই পৰৱৰ্তী ভাষাচিন্তাবিদসকলৰ মনোযোগ আকৰ্ষণ কৰে। ভাষাবিদসকলে চচ্যুৰ মৌলিক ভাষাচিন্তাৰ আঁত ধৰিয়েই নতুন নতুন তত্ত্ব সংযোজন কৰে। ফলস্বৰূপে কুৰি শতিকাৰ পাছৰ পৰা আধুনিক ভাষা চিন্তাৰ নতুন নতুন দিশবোৰক তলত দিয়া ধৰণে নামকৰণ কৰা হৈছে—

**(৪) সমাজ ভাষাবিজ্ঞান (Socio Linguistics)**

**(৫) মনো-ভাষাবিজ্ঞান (Psycho Linguistics)**

**(৬) ভূ-ভাষাবিজ্ঞান (Geographical Linguistics)**

**(৭) প্ৰায়োগিক ভাষাবিজ্ঞান (Applied Linguistics)**

### ১.২.১ বৰ্ণনাত্মক ভাষাবিজ্ঞান ঃ

ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে ভাষাৰ অধ্যয়নৰ দুটা দৃষ্টিভঙ্গীৰ কথা উল্লেখ কৰিছে। এই দুটা হৈছে– এককালিক বা সমকালিক (Synchronic) আৰু

কালক্ৰমিক বা ক্ৰমকালিক (diachronic)। চচ্যুৰৰ এককালিক বা সমকালিক ভাষাৰ পৰাই বৰ্ণনাত্মক ভাষাচিন্তাৰ জন্ম হৈছে। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰধান কাম হৈছে- কোনো এটা ভাষাৰ কোনো এটা বিশেষ সময়ৰ পৰিধিৰ ভাষিক গতি-প্ৰকৃতি সম্পৰ্কেহে আলোচনা কৰা। ভাষা পৰিৱৰ্তনশীল, কিন্তু ভাষা এটা যে সময়ৰ সোঁতত সলনি হয় এনেবোৰ কথা বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে আওকাণ কৰি চলে। বৰ্ণনাত্মক ভাষাবিজ্ঞানীয়ে এটা সময়ৰ পৰিধিৰ মাজত বৰ্তি থকা কোনো এটা ভাষাৰ গাঁথনিক ৰূপটো অধ্যয়ন কৰাত অধিক গুৰুত্ব দিয়ে। বৰ্ণনাত্মক ভাষাবিজ্ঞানী ভাষাৰ পদ্ধতিগত দিশটোৰ প্ৰতি আকৰ্ষিত। ভাষাৰ আভ্যন্তৰীণ গঠনৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া বাবে বৰ্ণনাত্মক দৃষ্টিৰে কৰা ভাষাৰ আলোচনাক আধুনিক ভাষাবিজ্ঞানীসকলে গঠনাত্মক ভাষাবিজ্ঞান (Structural Linguistic) বুলি অভিহিত কৰিছে। থোৰতে, গাঁথনিক ভাষাবিজ্ঞান বৰ্ণনাত্মক ভাষাবিজ্ঞানৰেই এক আধুনিকতম ৰূপ। কাৰণ এটা ভাষাৰ ধ্বনি (phoneme), ৰূপ (morpheme), বাক্য (sentence)ৰ গঠন সম্পৰ্কে পদ্ধতিগতভাৱে আলোচনা কৰাটোৱেই বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলৰ মুখ্য উদ্দেশ্য। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ আলোচনাত ভাষাৰ তলত দিয়া স্তৰকেইটা বিশ্লেষণ কৰা হয়–

**(ক) ধ্বনিতত্ত্ব (Phonology) ঃ**

ইয়াত অধ্যয়ন কৰিবলৈ লোৱা ভাষাটোৰ ধ্বনি, বৰ্ণ, উপধ্বনিসমূহৰ বৰ্ণনা থাকে। ধ্বনি, বৰ্ণ, উপধ্বনিসমূহ চিনাক্ত কৰাৰ পিছত তালিকাভুক্ত কৰা হয় আৰু এইবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। তদুপৰি শ্বাসাঘাত, সুৰ, সুৰলহৰ, অক্ষৰ আদি ধ্বনিতত্ত্বৰ দ্বাৰা বিশ্লেষণ কৰি দেখুওৱা হয়।

**(খ) ৰূপতত্ত্ব (Morphology) ঃ**

ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহ বাচি উলিওৱাৰ পাছত ধ্বনি সংযোগৰ দ্বাৰা সৃষ্টি হোৱা ৰূপসমূহৰ বিষয়ে অধ্যয়ন কৰাই ৰূপতত্ত্বৰ কাম। ইয়াত বিশেষ্য, বিশেষণ, ক্ৰিয়া, ক্ৰিয়া বিশেষণ, সৰ্বনাম, অব্যয় আদিৰ গঠন সম্পৰ্কে আলোচনা দাঙি ধৰা হয়। ভাষাটোৰ শব্দমূল আৰু ক্ৰিয়ামূলত যোগ হোৱা প্ৰত্যয় আৰু বিভক্তিসমূহৰ সম্পৰ্কেও ৰূপতত্ত্বত আলোচনা কৰা হয়।

**(গ) বাক্যতত্ত্ব (Syntax) ঃ**

ধ্বনি সংযোগ আৰু ৰূপসংযোগৰ ফলত সৃষ্টি হোৱা পদসমূহক যথা

স্থানত বহুৰাই অৰ্থৰ সংগতি ৰাখি বাক্য সৃষ্টি কৰা হয়। প্ৰত্যেক ভাষাৰ বাক্য গঠনৰ কিছুমান নিজা বৈশিষ্ট্য আছে। বাক্যতত্ত্বৰ সহায়ত বাক্যৰ গঠন প্ৰণালী, বাক্যৰ বিভিন্ন প্ৰকাৰ, ৰূপান্তৰৰ ধাৰাসমূহৰ আলোচনা কৰা হয়। বৰ্ণনাত্মক ভাষাবিজ্ঞানত বাক্যৰ এনে দিশসমূহ সামৰি লোৱা হয়।

### (ঘ) অৰ্থতত্ত্ব (Semantics) ঃ

ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নত শব্দৰ অৰ্থ সম্পৰ্কীয় দিশটো সামৰি লোৱা হয়। ইয়াত শব্দ আৰু অৰ্থৰ সম্বন্ধ, পৰিস্থিতিভেদে শব্দৰ অৰ্থভেদ, শব্দৰ যথাৰ্থ, বিপৰীতাৰ্থ আৰু শব্দৰ মাজত লুকাই থকা অন্তঃৰ্বৰ্তী অৰ্থৰ বিশ্লেষণ কৰা হয়। বৰ্তমান বৰ্ণনাত্মক ভাষা বিজ্ঞানে অৰ্থৰ দিশটোৰ অধিক গুৰুত্ব দিছে আৰু নতুন নতুন দৃষ্টিভংগীৰে শব্দৰ অৰ্থ দিশটোৰ বিজ্ঞানসন্মত বিশ্লেষণ দাঙি ধৰিছে।

### ● উপভাষা বিজ্ঞান (Diolectology) ঃ

কোনো এটা ভাষা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ লগে লগে কিছুমান উপভাষাৰ সৃষ্টি হয়। ভাষাৰ এই উপভাষাবোৰৰ অধ্যয়নকো বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি লয়। বৰ্ণনাত্মক ভাষা বিজ্ঞানৰ সহায়ত ভাষা-উপভাষাবোৰ বিশ্লেষণ কৰি মূল ৰূপটোৰ লগত তুলনা কৰি চোৱা হয় আৰু ধ্বনিগত, ৰূপগত, শব্দগত প্ৰভেদবোৰ ফঁহিয়াই দেখুওৱা হয়। এনে অধ্যয়নৰ ফলত উপভাষাবোৰত সংৰক্ষণ হৈ থকা ভাষাৰ বৈশিষ্ট্যসমূহ পোহৰলৈ আহে।

## ১.২.২ ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics) ঃ

ঐতিহাসিক ভাষাবিজ্ঞানত কোনো এটা ভাষাৰ ক্ৰম বিবৰ্তনৰ ধাৰা সম্পৰ্কে অধ্যয়ন কৰা হয়। বিভিন্নজনৰ মুখ বাগৰি আহোঁতে সময়ৰ সোঁতত ভাষা এটাৰ যথেষ্ট পৰিৱৰ্তন ঘটে। কোনো এটা ভাষা কোন উৎসৰ পৰা ওলাইছে, কেনে পৰিৱৰ্তনৰ মাজেৰে আহি বৰ্তমানৰ অৱস্থা পাইছেহি, এনে কথাবোৰ ঐতিহাসিক ভাষাবিজ্ঞানে সামৰি লয়। ঐতিহাসিক ভাষাবিজ্ঞানীয়ে লিখিত ভাষাক প্ৰামাণ্য উপপাদ্য (Corpas) হিচাপে লৈ আলোচনাত আগবাঢ়ি যায়। ঐতিহাসিক ভাষাবিজ্ঞানৰ অধ্যয়নতো বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ দৰে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, অৰ্থতত্ত্ব আৰু বাক্যতত্ত্ব আদি স্তৰসমূহ সামৰি লয়। বৰ্ণনাত্মক ভাষাবিজ্ঞানে বিশেষকৈ ভাষাৰ কথিত ৰূপটোৰ ওপৰত অধিক

গুৰুত্ব দিয়ে, আনহাতে ঐতিহাসিক ভাষাবিজ্ঞানে ভাষাটোৰ লিখিত নথিপত্ৰৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। সাধাৰণতে প্ৰাচীন শিলালিপি, তাম্ৰফলি, পৰিব্ৰাজকৰ টোকা, প্ৰাচীন হাতেলিখা পুথি আদিৰ পাঠ ঐতিহাসিক ভাষাবিজ্ঞানৰ অধ্যয়নত সমল হিচাপে লোৱা হয়। থোৰতে ক'ব পাৰি যে, ঐতিহাসিক ভাষাবিজ্ঞানৰ প্ৰধান কাম হৈছে– ভাষাটোৰ প্ৰাচীন স্তৰৰ পৰা আধুনিক স্তৰলৈকে স্তৰভেদে সকলোবোৰ প্ৰাচীন লিখিত নিদৰ্শন সংগ্ৰহ কৰি সময়ে সময়ে ঘটা ভাষাটোৰ পৰিৱৰ্তনৰ বিভিন্ন দিশৰ পুংখানুপুংখভাৱে অধ্যয়ন চলোৱা। ঐতিহাসিক ভাষাবিজ্ঞানৰ অধ্যয়নৰ ফলত পৃথিৱীৰ ভাষাসমূহ বৰ্গীকৰণ কৰাত যথেষ্ট সহায় হয়।

**আত্মমূল্যায়ন ১ ঃ**

**ঐতিহাসিক ভাষাবিজ্ঞান কাক বোলে? ঐতিহাসিক ভাষাবিজ্ঞানৰ পদ্ধতিগত আলোচনাৰ সম্পৰ্কে লিখাঁ।**

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

## ১.২.৩ তুলনাত্মক ভাষাবিজ্ঞান (Comparative Linguistics) ঃ

ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নৰ ক্ষেত্ৰত তুলনাত্মক অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে। তুলনাত্মক ভাষাবিজ্ঞানত সমগোত্ৰীয় দুটা বা ততোধিক ভাষাৰ মাজত ধ্বনিগত, ৰূপগত, বাক্যগত আৰু অৰ্থগত আদি দিশত পৰস্পৰ সম্পৰ্ক দেখুওৱা হয়। তুলনামূলক অধ্যয়নে আলোচ্য ভাষাসমূহ যে একে মূলৰ পৰা ওলাইছে এই কথাৰে প্ৰমাণ কৰি দেখুৱায়। তুলনামূলক ভাষাবিজ্ঞানে সাধাৰণতে দুটা কথাত মনোযোগ দিয়ে। এটা হৈছে– ভাষা এটা সময়ৰ সোঁতত বিভিন্নজনৰ মুখ বাগৰি আহোঁতে ভাষাটোৰ আমূল পৰিবৰ্তন ঘটে এই কথাৰ সত্যতা নিৰূপণ কৰে। আনটো হৈছে– ভাষাসমূহৰ মূল বা পূৰ্ব ৰূপ নিৰূপণ কৰাত তুলনাত্মক ভাষাবিজ্ঞানে সহায় কৰে। ভাষাসমূহৰ বৰ্গীকৰণ কৰাৰ ক্ষেত্ৰতো তুলনামূলক ভাষাবিজ্ঞানৰ গুৰুত্ব অসীম।

### ● ভেদাত্মক ভাষাবিজ্ঞান (Contrastive Linguistics) ঃ

দুটা সমগোত্ৰীয় বা বিষমগোত্ৰীয় ভাষাক বৰ্ণনাত্মক দৃষ্টিভঙ্গীৰে তুলনা কৰি দেখুওৱা হয়। এনে অধ্যয়নত ভাষাৰ কথিত ৰূপটোৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। অধ্যয়ন কৰিবলৈ লোৱা ভাষা দুটাৰ ধ্বনি, ৰূপ, বাক্য, অৰ্থ আদি উপাদানসমূহৰ মাজত থকা মিল-অমিল দেখুৱাই ভাষাৰ ঘাই ঘাই বৈশিষ্ট্য দাঙি ধৰা হয়। কেতিয়াবা দুটাতকৈ অধিক ভাষাৰ মাজতো বৰ্ণনাত্মক দৃষ্টিৰে তুলনা কৰা হয়।

### ১.২.৪ সমাজ ভাষাবিজ্ঞান (Socio-Linguistics) ঃ

ভাষা সমাজক কেন্দ্ৰ কৰি বৰ্তী থাকে। একোখন সমাজৰ বিবিধ সামাজিক সংগঠনৰ প্ৰতিফলন ঘটে ভাষাৰ মাজেদিয়েই। সমাজৰ লগত ভাষাৰ সম্বন্ধ অঙ্গাঙ্গী। ভাষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ সকলো দিশ সমাজ ভাষাবিজ্ঞানত অধ্যয়ন কৰা হয়। আনহাতে সমাজ ভাষাবিজ্ঞানৰ অধ্যয়নৰ যোগেদি ভাষিক আৰু সামাজিক স্তৰত বিভিন্ন ধৰণে দেখা দিয়া ভাষাৰ বিভিন্নতাক একত্ৰীকৰণ কৰিবলৈ চেষ্টা কৰা হয়।

সমাজ ভাষাবিজ্ঞান শাখাটো পঞ্চাশ দশকৰ মাজভাগৰ পৰাহে সৰবৰহী হৈ উঠে। সমাজৰ পৰিপ্ৰেক্ষিতত ব্যক্তিৰ ভাষা ব্যৱহাৰৰ বিচিত্ৰতাক কেন্দ্ৰ কৰিয়েই সমাজ ভাষাবিজ্ঞান গঢ় লৈ উঠিছে। সমাজ ভাষাবিজ্ঞানীয়ে কোনো ভাষিক সম্প্ৰদায়ৰ মাজত চলি থকা একোটা ৰূপক ধৰি লৈ সামাজিক দিশৰ পৰা ভাষাৰ ব্যাখ্যা কৰি দেখুৱাই আৰু ভাষাৰ বিভিন্ন ৰূপবোৰৰ মাজত দেখা দিয়া সামাজিক বৈশিষ্ট্যসমূহো ফঁহিয়াই আলোচনা কৰে। সমাজ ভাষাবিজ্ঞানত ভাষাৰ এই দুয়োটা দিশতে অধিক গুৰুত্ব দিয়ে।

(ক) কওঁতা অনুযায়ী (according to user) ভাষাৰ বিভিন্ন ৰূপ

(খ) কোৱাৰ ধৰণ অনুযায়ী (according to use) ভাষাৰ বিভিন্ন ৰূপ

সমাজবিজ্ঞানীয়ে সমাজৰ বিভিন্ন স্তৰত বিভিন্ন ৰূপেৰে দেখা দিয়া ভাষিক ভিন্নতাখিনিক বিশ্লেষণ কৰিবলৈ যত্ন কৰে। মুঠতে সমাজ ভাষাবিজ্ঞানৰ অধ্যয়নত সমাজৰ বিভিন্ন শ্ৰেণী অনুসৰি সৃষ্টি হোৱা ভাষাৰ ভিন্ন ৰূপ, ভাষাৰ মান্য আৰু আঞ্চলিক ৰূপ, ভাষাৰ প্ৰতি সামাজিক দৃষ্টিভঙ্গী, ভাষা ব্যৱহাৰৰ ধৰণ, বহু ভাষিক, দ্বিভাষিক পৰিস্থিতিৰ সামাজিক ভিত্তি আদি দিশসমূহ চালি জাৰি চোৱা হয়।

### ১.২.৫ মনো-ভাষাবিজ্ঞান (Psycho-linguistics) ঃ

ভাষাবিজ্ঞানৰ এই শাখাত ভাষাক মনস্তাত্ত্বিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰে। ভাষাৰ এনে অধ্যয়নত মনোবৈজ্ঞানিক আচৰণ আৰু ভাষিক আচৰণৰ সহ সম্বন্ধ আছে। ক্ৰিচ্‌টলে (Crystal) মনোভাষাবিজ্ঞান সম্পৰ্কে এনেদৰে কৈছে– **মনোভাষাবিজ্ঞান হৈছে ভাষাবিজ্ঞানৰ এটা শাখা য'ত মানুহৰ ভাষিক আচৰণ আৰু মানসিক প্ৰতিক্ৰিয়াসমূহৰ সম্বন্ধ সম্পৰ্কে অধ্যয়ন চলোৱা হয়।** এক কথাত ক'বলৈ গ'লে ভাষাবিজ্ঞান আৰু মনোবিজ্ঞান এই দুয়োটাৰ সমন্বয়তেই মনোভাষাবিজ্ঞানৰ জন্ম হৈছে। মনোভাষাবিজ্ঞানৰ অধ্যয়নত

সাধাৰণতে তলত দিয়া প্ৰশ্নসমূহৰ সমিধান বিচৰা হয়।

(১) মানুহে কোৱা ভাষাকহে ভাষা বুলি কিয় কোৱা হয়?

(২) মানৱ শিশুৱে ভাষা কেনেদৰে আহৰণ কৰে?

(৩) মানুহে কেনেদৰে কথা কয়, কথা কোৱাৰ অন্তৰালত কি কি মানসিক প্ৰক্ৰিয়া জড়িত হৈ আছে?

(৪) মানুহে ভাষা কেনেকৈ বুজে?

(৫) ভাষাৰ অৰ্থবোধ কৰাৰ ক্ষেত্ৰত কি কি প্ৰক্ৰিয়া অন্তৰ্নিহিত হৈ আছে?

মনোভাষাবিজ্ঞানৰ প্ৰধান আলোচ্য বিষয় হৈছে– সাধাৰণ অৰ্থত ভাষা বুলিলে আমি যাক বুজো তাৰ পিছফালে থকা মনৰ ক্ৰিয়া কলাপৰ কথাহে ইয়াত আলোচনা কৰা হয়। মনোভাষাবিজ্ঞানৰ অধ্যয়নৰ পৰিসৰো যথেষ্ট বহল। মনোভাষাবিজ্ঞানৰ অধ্যয়নৰ যোগেদি পোৱা তথ্যসমূহক ভাষা শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি।

**আত্মমূল্যায়ন ২ ঃ**

**মনোভাষাবিজ্ঞানসন্মত অধ্যয়নে কি কি বিষয় সামৰি লয় ?**

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

### ১.২.৬ ভূ-ভাষাবিজ্ঞান (Geographical Linguistics) ঃ

ভূ-ভাষাবিজ্ঞান ভাষাবিজ্ঞান অধ্যয়নৰ এটি নতুন শাখা। এই ভাষাবিজ্ঞানত ভাষাৰ ব্যৱহাৰিক দিশটোৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। কোনো এক ভৌগোলিক পৰিৱেষ্টনৰ মাজত প্ৰচলিত ভাষা এটাৰ বিভিন্ন ভাষাৰ সৈতে সংমিশ্ৰণ ঘটাৰ ফলত ৰূপৰ পৰিৱৰ্তন ঘটে। কেতিয়াবা এটা ভাষা অন্য এটা ভাষাৰ লগত মিশ্ৰণ ঘটি নিজা বৈশিষ্ট্যখিনি হেৰুৱাই সুকীয়া বৈশিষ্ট্যৰ গঢ় লৈ উঠে। এনেদৰে ভাষাৰ পৰা উপভাষাবিলাক বিভাজিত হৈ বিভিন্ন ৰূপ লাভ কৰে। ভাষাবিজ্ঞানৰ সহায়ত ক্ষেত্ৰ জৰীপৰ দ্বাৰা স্থানীয় ভাষা-উপভাষাসমূহৰ প্ৰচলিত ধ্বনি, ৰূপ, শব্দ, বাক্যবিন্যাস আদিৰ ক্ষেত্ৰত দেখা দিয়া পৰিবৰ্তন বৰ্ণনাত্মক, ঐতিহাসিক আৰু তুলনামূলক দৃষ্টিকোণৰ পৰা অধ্যয়ন চলাই সেই ভাষা-উপভাষাসমূহৰ ভৌগোলিক পৰিসীমা নিৰ্দ্ধাৰণ কৰা হয় আৰু ভাষিক মানচিত্ৰও (Linguistic Atlas) প্ৰস্তুত কৰা হয়, এই অধ্যয়নক উপভাষা বিজ্ঞান (Dialectology) নামেৰেও নামাঙ্কিত কৰা হয়। কোনো এটা ভাষাৰ উপভাষাসমূহৰ চিনাক্তকৰণত ভূ-ভাষাবিজ্ঞানে যথেষ্ট সহায় কৰে।

### ১.২.৭ প্ৰায়োগিক ভাষাবিজ্ঞান (Applied Linguistics) ঃ

ভাষাবিজ্ঞানীয়ে বিভিন্ন ভাষাবোৰক প্ৰণালীৱদ্ধভাৱে অধ্যয়ন কৰি কিছুমান তথ্য আৱিস্কাৰ কৰে। আৱিস্কৃত তথ্যবিলাকক লৈ বিভিন্ন সময়ত ভাষা শিক্ষকে ছাত্ৰক ভাষা শিক্ষা দিয়ে। ৰেডিঅ', টেলিভিচন বা অন্যান্য যন্ত্ৰপাতিৰ মাধ্যমেদিও ভাষা শিক্ষা দিয়া হয়। টেলিসংযোগ ব্যৱস্থা আদিক ভাষাৰ জ্ঞানৰ সমল যোগাওঁতা হিচাপে ব্যৱহাৰ কৰা হয়। এনেদৰে ব্যৱহাৰিক বা প্ৰায়োগিক দিশত ভাষা শিক্ষা দিবৰ বাবে ভাষাবিজ্ঞানৰ সহায়ত জ্ঞানৰ যি প্ৰয়োগ কৌশল আৱিস্কাৰ কৰা হৈছে, তাকে প্ৰয়োগিক ভাষা-বিজ্ঞান বুলি কোৱা হৈছে। প্ৰায়োগিক ভাষা-বিজ্ঞানীয়ে ভাষা এটা অধ্যয়ন কৰি ভাষাটো আয়ত্ত কৰাৰ কিছুমান কৌশল অৱলম্বন কৰে। প্ৰথমতে বিষয়টো উপস্থাপন কেনেদৰে কৰিব, কেনেদৰে শিক্ষা দিব, ভাষাটোৰ শুদ্ধ উচ্চাৰণ, সুৰ লহৰ আদিৰ বিষয়ে প্ৰয়োগ ভাষাবিজ্ঞানীয়ে পৰামৰ্শ দাঙি ধৰে। ভাষাক অনুশীলন কৰিবৰ বাবে শব্দৰ নমুনা, বাক্যৰ নমুনাও দাঙি ধৰে।

### ১.৪ সাৰাংশ ঃ

- কোনো এটা ভাষা শৃঙ্খলাবদ্ধ বা প্ৰণালীবদ্ধ ভাবে অধ্যয়ন কৰিবলৈ যাওঁতে ভাষাবিজ্ঞানৰ বহু কথা জনা দৰকাৰ। ভাষাবিজ্ঞানসন্মত অধ্যয়নে

সামৰি লোৱা ভাষাৰ অধ্যয়নৰ বিস্তৃত ক্ষেত্ৰখন, ভাষাৰ অধ্যয়ন পদ্ধতি আৰু বিভিন্ন শৃঙ্খলাৰ লগত ভাষাবিজ্ঞানৰ সম্বন্ধৰ কথা তলত দাঙি ধৰা তালিকাখনৰ পৰা তোমালোকে সহজে বুজিব পাৰিবা।

<table>
<tr><td rowspan="2">মনো ভাষাবিজ্ঞান<br>১. ভাষা আৰু মন,<br>২. যুক্তি আৰু ভাষা,<br>৩. ভাষাজ্ঞান</td><td colspan="4">সংজ্ঞাপন আৰু সংজ্ঞাপনতত্ত্ব</td><td rowspan="2">ঐতিহাসিক আৰু তুলনামূলক ভাষাবিজ্ঞান</td></tr>
<tr><td colspan="4">নৃবৃত্ত ভাষাবিজ্ঞান</td></tr>
<tr><td rowspan="3">সমাজ ভাষাবিজ্ঞান<br>১. দ্বিভাষিত্ব<br>২. ভাষা লিঙ্গ<br>৩. ভাষাৰ ভেদ<br>৪. ভাষা আৰু সমাজ</td><td colspan="4">বৰ্ণনাত্মক ভাষাবিজ্ঞান</td><td></td></tr>
<tr><td rowspan="2">ধ্বনি বিজ্ঞান</td><td rowspan="2">ধ্বনি তত্ত্ব</td><td>ৰূপতত্ত্ব</td><td>বাক্যতত্ত্ব</td><td>উপভাষা বিজ্ঞান<br>অৰ্থতত্ত্ব</td></tr>
<tr><td colspan="2">অভিধানতত্ত্ব</td><td>চিহ্ন বিজ্ঞান</td></tr>
<tr><td>নৃতাত্ত্বিক ভাষাবিজ্ঞান<br>জনগোষ্ঠী আৰু<br>ভাষাৰ সম্পৰ্কে</td><td colspan="4"></td><td>প্ৰায়োগিক ভাষাবিজ্ঞান<br>(ভাষা কৌশল আৰু পৰীক্ষণ)<br>শৈলীবিজ্ঞান আৰু কথা বিশ্লেষণ</td></tr>
</table>

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ১ ঃ**

ভাষা একোটাৰ ধ্বনি, ৰূপ, শব্দ, অৰ্থ আদিৰ সময়ে সময়ে পৰিৱৰ্তন ঘটে। ভাষাটোৰ মূল কি, কি কি পৰিবৰ্তনৰ মাজেৰে আহি বৰ্তমানৰ ৰূপ পাইছে এনেবোৰ কথাৰ পদ্ধতিগত ভাৱে কৰা অধ্যয়নকে ঐতিহাসিক ভাষাবিজ্ঞান বোলা হয়।

**ঐতিহাসিক ভাষাবিজ্ঞানৰ পদ্ধতিগত আলোচনা ঃ**

ঐতিহাসিক ভাষাবিজ্ঞানৰ অধ্যয়নত সাধাৰণতে তলত দিয়া ভাষা সম্পৰ্কীয় দিশসমূহ আলোচনা কৰা হয়।

- ঐতিহাসিক ভাষাবিজ্ঞানে ভাষাৰ লিখিত সমলক প্ৰামাণ্য উপাদান হিচাপে লয়। যেনে– প্ৰাচীন লিপিসমূহৰ সংৰক্ষিত লিখিত তথ্য, পৰিব্ৰাজকৰ টোকা, প্ৰাচীন লিখিত গ্ৰন্থ ইত্যাদি।

- ভাষাৰ অধ্যয়নত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, অৰ্থতত্ত্ব, বাক্যতত্ত্ব আদি প্ৰতিটো দিশৰ আলোচনা অপৰিহাৰ্য।
- প্ৰত্যেক ভাষাৰ একোটা মূল বা উৎস থাকে। ঐতিহাসিক ভাষাবিজ্ঞানত ভাষাৰ পূৰ্ব স্তৰটোৰ পূৰ্ব স্তৰ আৰু পূৰ্ব স্তৰৰো অধ্যয়ন কৰি ভাষাৰ ইতিহাস উলিওৱা হয় অৰ্থাৎ ভাষাৰ ক্ৰম বিৱৰ্তনৰ ধাৰা সম্পৰ্কে পুংখানুপুংখৰূপে অধ্যয়ন চলোৱা হয়। প্ৰায়বোৰ ভাষাতে এই ক্ৰম বিৱৰ্তনৰ প্ৰাচীন, মধ্য আৰু আধুনিক তিনিটা স্তৰ পোৱা যায়। এই স্তৰ কেইটাৰ সম্পৰ্কে আলোচনা কৰি স্তৰসমূহৰ লক্ষণসমূহ বাছি উলিওৱা ঐতিহাসিক ভাষাবিজ্ঞানৰ কাম।
- পৃথিৱীৰ ভাষাসমূহৰ বংশগত স্বৰূপ নিৰ্ণয় কৰোঁতে ঐতিহাসিক ভাষাবিজ্ঞান পদ্ধতিয়ে কেনেদৰে সহায় কৰে এনেবোৰ কথাও উল্লেখ থাকিব লাগিব। উদাহৰণস্বৰূপে সংস্কৃত, গ্ৰীক, জাৰ্মান, লেটিন আদি ভাষাসমূহৰ
- ভাষাৰ ধ্বনি, ৰূপ, অৰ্থ পৰিৱৰ্তনৰ সাৰ্বজনীন ধাৰাসমূহ চিনাক্ত কৰি অধ্যয়ন কৰিবলগীয়া ভাষাটোত এই ধাৰাবোৰ কিদৰে সংঘটিত হৈছে, এনেবোৰ প্ৰক্ৰিয়া উল্লেখ কৰি উদাহৰণৰ সৈতে বুজাই দিয়া হয়। আনহাতে অৰ্থতত্ত্বৰ আলোচনাত শব্দৰ পুৰণি অৰ্থ কি আছিল, বৰ্তমান কেনেদৰে পৰিবৰ্তন ঘটিছে আৰু কেনেধৰণে অৰ্থ সাধিত হৈছে — এনে কথাবোৰো ঐতিহাসিক ভাষাবিজ্ঞানে সামৰি লয়।

**আত্মমূল্যায়ন ২ ঃ**

মনোভাষাবিজ্ঞান হৈছে ভাষাৰ অধ্যয়নৰ এক শাখা। ইয়াত আলোচিত দিশকেইটা হৈছে—

(১) মানুহে কেনেদৰে ভাষা আহৰণ কৰে;

(২) ভাষা আহৰণ কৰাৰ অন্তৰালত কি কি মানসিক প্ৰক্ৰিয়া জড়িত হৈ আছে;

(৩) ভাষাৰ আহৰণত শিশুৰ জন্মগত ক্ষমতা সম্পৰ্কে;

(৪) মানুহে ভাষা কেনেকৈ বুজে, অৰ্থাৎ ভাষাৰ অৰ্থবোধ কৰাৰ ক্ষেত্ৰত কি কি প্ৰক্ৰিয়া অন্তৰ্নিহিত হৈ আছে।

## অনুশীলন - ১

**(ক) চমু উত্তৰ দিয়া।**

(১) ভাষাবিজ্ঞানৰ অধ্যয়নে কি কি দিশ সামৰি লয়?

(২) বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ কথিত ৰূপত নে লিখিত ৰূপটোৰ ওপৰত অধিক গুৰুত্ব দিয়ে?

**(খ) বহলাই লিখা ঃ (৫০০ মান শব্দৰ ভিতৰত লিখিবা)**

(১) ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নত কি কি পদ্ধতি প্ৰয়োগ কৰা হয়? এই পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰাঁ।

(২) ভাষাবিজ্ঞানৰ অধ্যয়নৰ স্তৰ বা ভাগ কেইটা কি কি? প্ৰত্যেকটো ভাগৰ বিষয়ে চমুকৈ লিখাঁ।

(৩) বৰ্ণনাত্মক ভাষা বিজ্ঞান বুলিলে কি বুজা? বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ জৰিয়তে কথিত ভাষা এটা কেনেদৰে অধ্যয়ন কৰিবা সকলো কথা বিবৰি লিখাঁ।

(৪) ঐতিহাসিক ভাষাবিজ্ঞান কাক বোলে? যিকোনো এটা ভাষা ঐতিহাসিক পদ্ধতিৰে কেনেদৰে অধ্যয়ন কৰিবা, উদাহৰণৰ সৈতে এটি টোকা যুগুত কৰাঁ।

**(গ) চমু টোকা লিখাঁ ঃ**

(১) সমাজ ভাষাবিজ্ঞান

(২) প্ৰায়োগিক ভাষাবিজ্ঞান

(৩) উপভাষাবিজ্ঞান

(৪) বৈপৰীত্যমূলক ভাষাবিজ্ঞান

(৫) তুলনামূলক ভাষাবিজ্ঞান

*****

# গোট নং ২ ঃ ভাষাবিজ্ঞানৰ কেইটিমান প্ৰয়োজনীয় চিন্তা (Some major concepts of Linguistics)

**গঠন**

২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ ভাষাবিজ্ঞানৰ কেইটামান মুখ্য ধাৰণা

২.২.১ এককালিক আৰু ক্ৰমকালিক ভাষাবিজ্ঞান

২.২.২ লাঁগ আৰু পাৰল

২.৩ সাৰাংশ

**২.০ উদ্দেশ্য ঃ**

এই গোটটি পঢ়াৰ পাছত তোমালোকে—

- আধুনিক ভাষা-বিজ্ঞানসন্মত ধাৰাৰ সহায়ত ভাষা সম্পৰ্কে অধ্যয়ন কৰিব পাৰিবা।
- এককালিক ভাষাবিজ্ঞানৰ দুটা বিশেষ দিশ লাঁগ(Langue) আৰু পাৰল(Parole)ৰ পাৰ্থক্যসমূহ বিচাৰ কৰিব পাৰিবা।
- ছছ্যুৰৰ ভাষাচিন্তাই পৰৱৰ্তীকালৰ ভাষাবিজ্ঞানীসকলৰ মনত কেনেদৰে আলোড়ন সৃষ্টি কৰিছে এই সম্পৰ্কে আলোচনা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

গোট ১ত তোমালোকে ভাষাবিজ্ঞানসন্মত অধ্যয়নৰ পদ্ধতিসমূহৰ বিষয়ে অধ্যয়ন কৰিলা। এই গোটটিত ভাষাবিজ্ঞানসন্মত অধ্যয়নত প্ৰয়োজনীয় কেইটামান মৌলিক চিন্তাৰ বিষয়ে আলোচনা কৰিবলৈ লৈছোঁ।

ভাষাৰ বিজ্ঞানসন্মত চিন্তা ছছ্যুৰৰ পূৰ্বে কোনেও কৰা নাছিল। ইয়াৰ আগেয়ে তুলনামূলক-ঐতিহাসিক ভাষাতত্বৰ ভেঁটিতহে ভাষা সম্পৰ্কীয় আলোচনা চলি আছিল। ছছ্যুৰেও প্ৰথমে তুলনামূলক, ঐতিহাসিক ভাষাতত্বৰ ভেঁটিতেই ভাষা অধ্যয়ন কৰিছিল। সমগ্ৰ ঊনবিংশ শতিকা জুৰি 'নব্য বৈয়াকৰণ গোষ্ঠী'ৰ উদ্যোগত ভাষাৰ ঐতিহাসিক বিৱৰ্তনৰ আলোচনাই সমৃদ্ধি লাভ কৰিছিল। কিন্তু এনে ঐতিহাসিক অধ্যয়নত ভাষাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অংশৰ বিশ্লেষণৰ প্ৰতি যি ধাৰণা প্ৰতিফলিত হৈছিল সি ভাষাৰ স্বাভাৱিক কাৰ্যবিধি আৰু গাঁথনিক ধাৰণাৰ চিন্তা আঁতৰাই ৰাখিছিল। ছছ্যুৰ মতে ভাষা এক সামাজিক সম্পদ, তেওঁ ভাষাৰ মানৱীয় আচৰণৰ প্ৰতি স্পষ্ট ভাৱে মনোযোগ আকৰ্ষণ কৰিছিল অৰ্থাৎ ভাষা-প্ৰণালী সম্পৰ্কে মনোযোগ আকৰ্ষণ কৰি ভাষাৰ আলোচনাক বৈজ্ঞানিক ভিত্তি প্ৰদান কৰিছিল। ছছ্যুৰৰ এনে দৃষ্টিভঙ্গীৰ ফলতেই ভাষাৰ গঠন প্ৰণালীৰ বিভিন্ন উপাদানৰ পাৰস্পৰিক সম্বন্ধ বিচাৰ-বিশ্লেষণ প্ৰক্ৰিয়াৰ সূচনা হয়। এনেদৰে ভাষাৰ অধ্যয়নত এক নতুন অধ্যায় সংযোজিত হয় আৰু এই নতুন অধ্যায়েই হৈছে— আধুনিক ভাষাবিজ্ঞানৰ মূল ধাৰা। এই ধাৰাক **'গঠনমূলক ভাষা বিজ্ঞান'**ৰ ধাৰা নামেৰে অভিহিত কৰা হয়। ছছ্যুৰে ভাষাবিজ্ঞানৰ দিশত আগবঢ়োৱা তত্ত্বেবোৰ হৈছে— **এককালিক আৰু কালক্ৰমিক**, **লাঁগ আৰু পাৰল**, **চিহ্নক আৰু চিহ্নিত**, **সহবদ্ধ আৰু ক্ৰমবদ্ধ** আদি এই তত্ত্ববোৰ যুগ্ম বৈপৰীত্যৰ আধাৰত বিচাৰ কৰা হৈছে।

## ২.২ ভাষাবিজ্ঞানৰ কেইটিমান মুখ্য ধাৰণা ঃ


ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰাই আধুনিক ভাষা-বিজ্ঞানৰ ধাৰা এটাৰ বিকাশ ঘটে। ১৯১৫ খৃ.ত ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰ 'Course de Linguistique Generale' বা 'Course in General Linguistic' প্ৰকাশ পোৱাৰ পৰাই আধুনিক ভাষাবিজ্ঞানৰ ধাৰাটোৰ আৰম্ভণি ঘটে। ছছ্যুৰকে ভাষাবিজ্ঞানৰ পিতৃ বুলি কোৱা হয়। ছছ্যুৰৰ ভাষাবিজ্ঞানৰ ধাৰাই ইউৰোপ আৰু আমেৰিকাৰ ভাষাবিজ্ঞানীসকলৰ মনত প্ৰবল জোৱাৰ তোলে আৰু আমেৰিকাক কেন্দ্ৰ কৰি বিংশ শতাব্দীত নতুন ধাৰাৰে ভাষাৰ গঠন বিন্যাসমূলক বৰ্ণনাৰ আলোচনাৰ ধাৰাক সূচনা কৰে।


ছছ্যুৰ গ্ৰন্থত প্ৰকাশ পোৱা চিন্তাই পূৰ্বৰ্তী ভাষা চৰ্চাৰ ধাৰাৰ আমূল পৰিবৰ্তন ঘটায় আৰু এই ভাষা চিন্তাৰ পৰাই নতুন ভাষা-চিন্তা স্ৰোত প্ৰবাহিত হয়। ছছ্যুৰ ভাষাবিজ্ঞানত কেইটামান মৌলিক চিন্তা-প্ৰসূত যুগ্ম বৈপৰীত্য দেখিবলৈ পোৱা যায়। এই মৌলিক চিন্তা সম্পৰ্কে তলত বহলাই আলোচনা কৰা হৈছে।

## ২.২.১ কালক্ৰমিক আৰু এককালিক ভাষাবিজ্ঞান (Diochronic and Synchronic) ঃ

ছছ্যুৰে ভাষাৰ আলোচনাক কালক্ৰমিক আৰু এককালিক ৰূপে দুটা প্ৰধান ভাগত ভাগ কৰিছে। তেওঁ এককালিক ভাষা চৰ্চাত অধিক গুৰুত্ব আৰোপ কৰিছে। ছছ্যুৰ মতে কালক্ৰমিক ভাষাৰ অধ্যয়ন অতি সীমিত। এনে অধ্যয়নত কোনো এটা ভাষাৰ এটা কাল স্তৰৰ পৰা আন এটা কাল স্তৰলৈ হোৱা ভাষাৰ পৰিৱৰ্তনৰ গতি-প্ৰকৃতি কেনেধৰণৰ এই সম্পৰ্কে আলোচনা কৰা হয়। এনে আলোচনা সীমাবদ্ধ, ছছ্যুৰৰ মতে ভাষাৰ সময়ে সময়ে হোৱা পৰিৱৰ্তনৰ গতি-প্ৰকৃতি অধ্যয়ন কৰিলে ভাষাৰ অধ্যয়ন সম্পূৰ্ণ নহয়। সেয়েহে ছছ্যুৰে কোনো এটা ভাষাৰ এককালিক প্ৰচলিত ৰূপ সম্পৰ্কে অধ্যয়নত অধিক মনোনিবেশ কৰিছিল। তদুপৰি ছছ্যুৰে এককালিক প্ৰচলিত ভাষাৰ গঠন পদ্ধতিৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ভাষাৰ এই এককালিক গাঁথনিক ৰূপটো জানিবলৈ হ'লে যিবোৰ উপাদানেৰে ভাষা এটা গঠন হয় আৰু এই উপাদানবোৰৰ মাজত থকা পৰস্পৰ সম্পৰ্ক আদিৰ বিষয়ে অধ্যয়ন কৰিব লাগিব। ছছ্যুৰৰ মতে এটা কালত প্ৰচলিত ভাষাৰ প্ৰত্যেক উপাদানৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক বিচাৰেই এককালিক ভাষাবিজ্ঞানৰ লক্ষ্য হোৱা উচিত। ঐতিহাসিক ভাষা চৰ্চাৰ ক্ষেত্ৰৰ পৰা আঁতৰি আহি এককালিক ভাষিক স্তৰৰ বা গাঁথনিক দিশৰ বিশ্লেষণত অধিক গুৰুত্ব আৰোপ কৰিছিল বাবে ছছ্যুৰৰ এই ভাষাবিজ্ঞানক গঠনমূলক ভাষাবিজ্ঞান (structural linguistic) বোলা হৈছিল।

এককালিক আৰু কালক্ৰমিক ভাষাবিজ্ঞানৰ দৃষ্টিভঙ্গীৰ মাজত থকা সম্পৰ্ক আৰু ব্যৱধানখিনি ছছ্যুৰে দেখুওৱাৰ দৰে এটা ৰেখা চিত্ৰৰ সহায়ত অংকন কৰি দেখুৱা হৈছে।




চিত্ৰ নং ১ চিত্ৰ নং ২

চিত্ৰ নং ২ত দেখুওৱা ক-খ ৰেখাডাল এককালিক ভাষাবিজ্ঞানৰ স্তৰ আৰু গ-ঘ ৰেখাডাল কালক্ৰমিক ভাষাবিজ্ঞানৰ স্তৰ। এটা ভাষাই গ-ঘ কালক্ৰমিক স্তৰ পাৰ হৈ এটা কালস্তৰ পায় আৰু অতিক্ৰম কৰি যায়; ই গতিশীল। কালক্ৰমিক গতিপথৰ গ-ঘ ৰেখাই ক-খ ৰেখাক স্পৰ্শ কৰা বিন্দুটোৱেই ভাষাৰ এককালিক স্তৰ, এই স্তৰ স্থিতিশীল। এককালিক স্তৰত ভাষাৰ প্ৰতিটো উপাদানত দৃষ্টি নিক্ষেপ কৰি উপাদানসমূহৰ পাৰস্পৰিক সম্পৰ্ক দেখুওৱাটোৱে ভাষাবিজ্ঞানীসকলৰ প্ৰধান লক্ষ্য হোৱা উচিত বুলি ছছ্যুৰে মত প্ৰকাশ কৰিছে।

ছছ্যুৰে এককালিক আৰু কালক্ৰমিক ভাষাবিজ্ঞানৰ ধাৰা দুটাৰ মাজত সমন্বয় হ'ব নোৱাৰে বুলি মত প্ৰকাশ কৰিছিল যদিও সি প্ৰকৃততে দুয়োটা ধাৰাৰ মাজত স্বাতন্ত্ৰ্য প্ৰতিপন্ন কৰাৰহে উদ্দেশ্য আছিল। ছছ্যুৰৰ পৰৱৰ্তী ভাষাবিজ্ঞানীসকলে এই দুই ধাৰাৰ মাজত সমন্বয় হ'ব নোৱাৰা কথাটো মানি ল'বলৈ টান পাইছিল। যিহেতু কালক্ৰমিক স্তৰৰ অৰ্থাৎ ঐতিহাসিক বিৱৰ্তনত হোৱা ৰূপৰ আলোকতহে ভাষাৰ বৰ্তমান ৰূপৰ অৰ্থাৎ এককালিক স্তৰৰ ভাষাৰ বিশ্লেষণ কৰিব পাৰি। আচলতে পৰস্পৰৰ পৰিপূৰক এই দুই ধাৰাৰ মাজত থকা সূক্ষ্ম বৈপৰীত্য কিছুমানে দুইটাকে ভাষাৰ দুটা অধ্যয়ন পদ্ধতি ৰূপে গঢ়ি তুলিছে।

## ২.২.২ লাঁগ আৰু পাৰল (Langue and Parole) ঃ

ছচ্যুৰে দাঙি ধৰা ভাষাবিজ্ঞানৰ মৌলিক চিন্তাসমূহৰ ভিতৰত— লাঁগ আৰু পাৰল এই দুটাৰ উল্লেখ পোৱা যায়। ছচ্যুৰে ভাষাৰ অৱস্থিতিত লাঁগ অৰ্থাৎ ভাষা পদ্ধতি আৰু পাৰল অৰ্থাৎ ভাষা ব্যৱহাৰ এই দুটা ভাগত বিভাজন কৰি 'লাঁগ'ৰ বিচাৰ-বিশ্লেষণৰ প্ৰতি মনোযোগ দিয়ে।

লাঁগ হৈছে ভাষাৰ সামাজিক ৰূপ। ই নিয়মৰ অধীন। ব্যাকৰণ + শব্দ ভাণ্ডাৰ + উচ্চাৰণ (Grammer + vocabulary + pronounciation) অৰ্থাৎ ভাষা ধ্বনি প্ৰণালী, ৰূপ প্ৰণালী আৰু অৰ্থ প্ৰতিপাদন এই আটাইকেইটা প্ৰণালীৰ সামগ্ৰিক ৰূপ। ই ব্যাকৰণসন্মত। ভাষা এটা মানুহে সমাজত থাকি পৰম্পৰাগতভাৱে আয়ত্ত কৰে। অসমীয়া বা ইংৰাজী ভাষা বুলিলে যিবোৰ নিয়ম মানি চলা হয় বা যিবোৰ নিয়মে ভাষা দুটাক নিয়ন্ত্ৰণ কৰে, এইবোৰেই লাঁগ সম্বন্ধীয় কথা।

আনহাতে 'পাৰল' হৈছে ভাষাৰ ব্যৱহাৰ অৰ্থাৎ ব্যক্তি অনুযায়ী ব্যৱহাৰ কৰা ভাষাৰ পৃথক পৃথক ৰূপ। মানুহে বিভিন্ন সময়ত বিভিন্ন প্ৰসঙ্গ অনুসৰি ভাষা এটাক বেলেগ বেলেগ ধৰণে ব্যৱহাৰ কৰে। দৈনন্দিন কথা-বতৰাত মানুহে ব্যাকৰণৰ নীতি মানি নচলে বা ব্যাকৰণৰ নিয়ম-নীতি উলংঘা কৰে। কেতিয়াবা বক্তাই ইচ্ছানুযায়ীও একোটা ব্যাকৰণসন্মত বাক্যক বিভিন্ন ৰূপত প্ৰকাশ কৰিব পাৰে। ভাষাৰ এনে ব্যৱস্থাৰ ৰীতিয়েই হৈছে 'পাৰল' সম্বন্ধীয় কথা। উদাহৰণস্বৰূপে –

*ৰাম কালিলৈ গুৱাহাটীলৈ যাব।*

এইটো ব্যাকৰণসন্মত এটা অসমীয়া ভাষাৰ বাক্য। ইয়াক সামাজিকভাৱে এনেদৰে ব্যৱহাৰ কৰা হয়। কিন্তু বিভিন্ন প্ৰসঙ্গ কথা-বতৰা বা ব্যক্তিৰ ইচ্ছানুযায়ীও এই বাক্যক ভিন্ ভিন্ ৰূপেৰে ব্যৱহাৰ কৰা দেখা যায়। যেনে-

*ৰাম কালিলৈ গুৱাহাটী যাব।*

*কালিলৈ ৰাম গুৱাহাটীলৈ যাব।*

*গুৱাহাটীলৈ ৰাম কালিলৈ যাব।*

*কালিলৈ গুৱাহাটীলৈ ৰাম যাব।*

ব্যক্তিনিৰ্ভৰ সময়কেন্দ্ৰিক পৃথক পৃথক ভাষাৰ এই ৰূপবোৰেই হৈছে ভাষাৰ পাৰল সম্বন্ধীয় কথা।

**লাঁগ আৰু পাৰলৰ পাৰ্থক্য ঃ**

| লাঁগ | পাৰল |
|---|---|
| ১। ই স্থিতিশীল আৰু সমাজকেন্দ্রিক। | ১। ই গতিশীল আৰু ব্যক্তিকেন্দ্রিক। |
| ২। ই ভাষা সম্প্রদায়ৰ প্রথাসন্মত ব্যৱস্থা গতিকে ই নিয়মৰ অধীন। | ২। ই ব্যক্তিৰ ইচ্ছাধীন কাৰণে ই নিয়মৰ অধীন নহয়। |
| ৩। ই নির্দ্দিষ্ট ভাষা সম্প্রদায়ৰ সাধাৰণ ভাষিক ৰূপ। গতিকে ই নৈর্ব্যক্তিক। ই প্রত্যেক ব্যক্তিৰ মন-মগজুৰ সমষ্টিগত ৰূপত সংৰক্ষিত হৈ থাকে। | ৩। ই সম্পূর্ণ ব্যক্তিগত, ই ব্যক্তি অনুযায়ী ভাষাৰ পৃথক পৃথক ব্যৱহাৰিক ৰূপ। |
| ৪। ই এক সামগ্রিক ৰূপ, ইয়াৰ প্রকাশ সমষ্টিগত আৰু স্থায়ী। | ৪। ই সামগ্রিক ৰূপ নহয়, ইয়াৰ প্রকাশ ব্যক্তিগত আৰু ক্ষণিক। |
| ৫। ইয়াক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিব পাৰি। | ৫। ইয়াক বিজ্ঞানসন্মত ভাৱে অধ্যয়ন কৰিব নোৱাৰি। |

ছছ্যুৰে লাঁগ সমজাতীয় বা একে প্রকৃতিৰ হোৱা বাবে অধ্যয়ন কৰিব পাৰি, আনহাতে পাৰল একে প্রকৃতিৰ নহয় বাবে অধ্যয়ন কৰিব নোৱাৰি বুলি মন্তব্য কৰিছিল। কিন্তু পৰৱর্তী ভাষাবিজ্ঞানীসকলৰ ভাষাচিন্তাত ‘পাৰল’ক কেন্দ্র কৰিয়েই সমাজ পৰিপ্রেক্ষিত ব্যক্তিৰ ভাষা ব্যৱহাৰৰ বৈচিত্র্যক লৈয়ে ‘সমাজ ভাষাবিজ্ঞান’ এই গুৰুত্বপূর্ণ শাখাটোৱে বিকাশ লাভ কৰিছে। আনহাতে ‘লাঁগ’ক কেন্দ্র কৰি অর্থাৎ ব্যক্তিৰ মন আৰু মগজুত বর্তী থকা নিয়মক কেন্দ্র কৰি ‘মনো ভাষাবিজ্ঞান’ৰ বিকাশ ঘটিছে। এনেদৰে পৰৱর্তী কালত ছছ্যুৰৰ লাঁগ আৰু পাৰলৰ বিভাজনে আধুনিক ভাষাচিন্তাত নতুন মাত্রা প্রদান কৰিছে।

**আত্মমূল্যায়ন ১ ঃ**

**ছছ্যুৰ ভাষাবিজ্ঞানৰ চিন্তা কেইটাক কিয় যুগ্ম বৈপৰীত্য বোলা হৈছে?**

*(১০০টা শব্দৰ ভিতৰত লিখা।)*

## ২.৩ সাৰাংশ ঃ

ভাষাবিজ্ঞানৰ পিতৃ ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰে ইতিহাস-নিৰপেক্ষ অধ্যয়নে আৰু ভাষাবিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগেৰে ভাষা-বিশ্লেষণত গুৰুত্ব আৰোপ কৰিছিল। ছছ্যুৰে ভাষাৰ অধ্যয়নত গুৰুত্ব দিবলগীয়া চাৰিটা প্ৰধান যুগ্ম-বৈপৰীত্য আধাৰিত তত্ত্বৰ কথা কৈছে। এই কেইটা হৈছে–


- ভাষা বিশ্লেষণৰ এককালিক আৰু কালক্ৰমিক দুটা ধাৰাৰ প্ৰতিষ্ঠা আৰু এককালিক ধাৰাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান।

- এককালিক ভাষিক ক্ষেত্ৰত দুটা বিশেষ দিশ হৈছে– লাঁগ আৰু

পাৰল। লাঁগ 'ভাষাৰ পদ্ধতি' আৰু পাৰল 'ভাষা ব্যৱহাৰ'। লাঁগ ভাষাতাত্ত্বিক অধ্যয়নৰ বিষয় হ'ব লাগে বুলি ছছ্যুৰে মত দিছে। পাৰল ব্যক্তি-নির্ভৰ, ব্যক্তিকেন্দ্রিক হোৱা বাবে ইয়াৰ অধ্যয়ন হ'ব নোৱাৰে বুলি ছছ্যুৰে মন্তব্য কৰিছিল। অৱশ্যে পৰৱৰ্তী কালত ভাষাৰ দুয়োটা দিশতে অধ্যয়ন হোৱা দেখিবলৈ পোৱা গৈছে।

■ ভাষাক 'চিহ্ন'ৰ প্ৰণালী হিচাপে ধৰি 'চিহ্নক' আৰু 'চিহ্নিত'ৰ পাৰ্থক্য বিচাৰ কৰিছে। চিহ্নকে যি বুজায় তাৰ ধাৰণা দিয়ে আৰু চিহ্নিতে যাক বুজোৱা হয় তাৰ অৰ্থ জ্ঞাপন কৰে।

ছছ্যুৰে এককালিক আৰু কালক্ৰমিক ভাষাবিজ্ঞানৰ লগত লাঁগ আৰু পাৰলৰ সম্বন্ধ এনেদৰে চিত্ৰৰ সহায়ত দাঙি ধৰিছে।




**আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ**

**আত্মমূল্যায়ন ১ ঃ**

ছছ্যুৰৰ ভাষা সম্পৰ্কীয় চিন্তাকেইটা হৈছে—

(ক) এককালিক আৰু কালক্ৰমিক ধাৰা

(খ) লাঁগ (ভাষা পদ্ধতি) আৰু পাৰল (ভাষা ব্যৱহাৰ)

(গ) চিহ্ন, চিহ্নক আৰু চিহ্নিত

(ঘ) সহবদ্ধ আৰু ক্ৰমবদ্ধ সম্বন্ধ।

এই মৌলিক ভাষা চিন্তাকেইটা যুগ্ম বৈপৰীত্য (Binary opposition)ৰ আধাৰত বিচাৰ কৰিছে। 'যুগ্মতা'ই সহ অৱস্থিতি, যুগল স্থিতিৰ ধাৰণা দিয়ে। ইয়াৰ পৰাই উদ্ভৱ হৈছে– সহ অৱস্থিত অৰ্থাৎ যুগ্ম বৈপৰীত্য; ই বিপৰীত ক্ৰিয়ামূলক দুটা দিশৰ স্বতন্ত্ৰতা প্ৰকাশ কৰে। এটা বস্তুক আন এটাৰ পৰা স্বতন্ত্ৰ বুলি জনাৰ মূলতে আছে দুয়োটাৰ মাজত থকা বিৰোধ বা বৈপৰীত্য। ভাষাতো বৈপৰীত্যমূলক যুগ্মতাৰ স্থিতিৰ মাজেদি অৰ্থৰ পাৰ্থক্য ঘটে। ছচ্যুৰৰ ভাষাৰ উক্ত মৌলিক চিন্তাকেইটা যুগ্মতা বৈপৰীত্যৰ আধাৰতহে বিচাৰ কৰা হৈছে। ছচ্যুৰে কালক্ৰমিক ধাৰাৰ বিপৰীতে এককালিক তত্ত্ব উত্থাপন কৰিছিল। ঠিক একেদৰে পাৰল (ভাষা ব্যৱহাৰ)ৰ বিপৰীতে লাঁগ (ভাষা পদ্ধতি)ৰ আলোচনাত অধিক গুৰুত্ব প্ৰদান কৰিছে। ভাষাক চিহ্নৰ প্ৰণালী বুলি ধৰি লৈ চিহ্নক আৰু চিহ্নিতৰ সম্বন্ধ আৰু বৈপৰীত্যৰ আধাৰত বিচাৰ কৰিছে। ছচ্যুৰে ভাষা সাংগঠনিক প্ৰকৃতি দেখুৱাত উদ্দেশ্যে সহাবদ্ধ আৰু ক্ৰমাবদ্ধ সম্বন্ধৰ তত্ত্ব উত্থাপন কৰিছে। এনেদৰে ছচ্যুৰৰ প্ৰত্যেকটো ভাষা চিন্তাই যুগ্ম আৰু বৈপৰীত্য আধাৰত বিচাৰ কৰা বাবেই তেওঁৰ ভাষা চিন্তাক 'যুগ্ম বৈপৰীত্য'ৰ আধাৰত প্ৰতিষ্ঠিত বুলি কোৱা হৈছে।

## অনুশীলনী-২

**(ক) চমুকৈ প্ৰকাশ কৰাঁ।**

(১) গঠনমূলক ভাষা বিজ্ঞান (structural linguistics)ৰ প্ৰথম প্ৰবক্তা কোন ?

(২) Synchronic আৰু Diachronic শব্দ দুটাৰ মূল কোন ভাষাৰ ?

(৩) পাৰলক কেন্দ্ৰ কৰি পৰৱৰ্তী কালত ভাষা অধ্যয়নৰ কি পদ্ধতি গঢ় লৈ উঠিছে ?

(৪) লাঁগক কেন্দ্ৰ কৰি পৰৱৰ্তী কালত ভাষা অধ্যয়নৰ কি পদ্ধতি গঢ় লৈ উঠিছে ?

**(খ) চমু টোকা লিখাঁ —**

(১) লাঁগ কাক বোলে ? (৩০টা মান শব্দৰ ভিতৰত লিখা)

(২) কালক্ৰমিক বা ক্ৰমকালিক ভাষাবিজ্ঞানৰ ধাৰা সম্পৰ্কে চমুকৈ লিখাঁ। (৫০টা মান শব্দৰ ভিতৰত) লিখাঁ।

**(গ) বহলাই লিখা।**

(১) ছছ্যুৰে ভাষাতাত্ত্বিক দিশত আগবঢ়োৱা প্ৰধান অৱদান/মৌলিক চিন্তাকেইটা কি কি ? এই চিন্তাকেইটাৰ বিষয়ে চমুকৈ লিখাঁ।

(২) এককালিক আৰু কালক্ৰমিক ধাৰা সম্পৰ্কে লিখি দুয়োটাৰ মাজত থকা পাৰ্থক্যসমূহ বিচাৰ কৰাঁ।

(৩) লাঁগ আৰু পাৰলৰ পাৰ্থক্যসমূহ বিচাৰ কৰাঁ।

## অধিক অধ্যয়নাৰ্থে প্ৰসঙ্গ গ্ৰন্থ ঃ

১. ভাষাবিজ্ঞান উপক্ৰমণিকা ঃ ড° অৰ্পণা কোঁৱৰ

২. ভাষাতত্ত্ব ঃ ড° দীপ্তি ফুকন পাটগিৰি

৩. আধুনিক ভাষাবিজ্ঞান পৰিচয় ঃ ড° ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

৪. An Introduction to Descriptive Linguistics : H. A. Geason

*****

## খণ্ড ৩ ঃ ভাষাবিজ্ঞানৰ বিভাগ (Division of Linguistics)

**গোট ১ ঃ ধ্বনিতত্ত্ব, ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ সাধাৰণ আলোচনা।**

**গোট ২ ঃ ৰূপতত্ত্ব, ৰূপবিজ্ঞান আৰু বাক্যতত্ত্বৰ সাধাৰণ আলোচনা।**

**প্ৰস্তাৱনা ঃ**

পৃথিৱীত অজস্ৰ ভাষা আছে। এই ভাষাবোৰৰ প্ৰত্যেকৰে গঠন প্ৰণালী সুকীয়া সুকীয়া। ভাষাৰ গঠন বুলিলে সাধাৰণতে ধ্বনিৰ প্ৰণালী, ৰূপৰ প্ৰণালী, বাক্যৰ প্ৰণালী আৰু অৰ্থৰ প্ৰণালীকে বুজা যায়। আধুনিক ভাষাবিজ্ঞানী হকেটে ভাষাৰ বিশ্লেষণৰ পাঁচোটা উপপ্ৰণালীৰ কথা কৈছে। এই কেইটা হৈছে– ব্যাকৰণগত প্ৰণালী, ধ্বনিতাত্ত্বিক প্ৰণালী, ৰূপ-ধ্বনিতত্ত্ব প্ৰণালী, অৰ্থতত্ত্ব প্ৰণালী আৰু বৰ্ণবিজ্ঞান প্ৰণালী। ভাষাৰ এই প্ৰণালীবোৰত ভাষাবিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়। ভাষাৰ গঠন প্ৰণালী বিচাৰ আৰু বিশ্লেষণ পদ্ধতি অনুসৰি ভাষাবিজ্ঞানক মুঠতে চাৰিটা ভাগত ভাগ কৰা হৈছে–

১। ধ্বনিতত্ত্ব - ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞান

২। ৰূপতত্ত্ব - ৰূপবিজ্ঞান

৩। বাক্যতত্ত্ব - বাক্যবিজ্ঞান

৪। অৰ্থতত্ত্ব - অৰ্থবিজ্ঞান

ভাষাবিজ্ঞানৰ প্ৰতিটো প্ৰধান স্তৰত বা ভাগৰ ক্ষেত্ৰখন যথেষ্ট বহল। এই স্তৰসমূহৰো কিছুমান উপস্তৰ পোৱা যায়। এই খণ্ডটিত ভাষাৰ প্ৰধান স্তৰ আৰু উপস্তৰসমূহৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হ'ব। এই স্তৰসমূহৰ মাজত থকা সম্পৰ্ক আৰু পাৰ্থক্য আদি দিশটো বিচাৰ কৰি চোৱা হ'ব।

# গোট ১ ঃ ধ্বনিতত্ত্ব, ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ সাধাৰণ আলোচনা

গঠন (Structure)

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ ভাষাবিজ্ঞানৰ ভাগ

১.২.১ ভাষাৰ গঠন প্ৰণালী আৰু বিশ্লেষণ পদ্ধতি অনুসৰি ভাষাবিজ্ঞানৰ ভাগ।

১.২.২ ধ্বনিবিজ্ঞান আৰু ধ্বনিবিজ্ঞানৰ ভাগ

১.৩ ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান

১.৩.১ ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ সম্পৰ্ক

১.৩.২ ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ পাৰ্থক্য

১.৩.৩ ধ্বনিতত্ত্ব আৰু ধ্বনিবিজ্ঞানৰ প্ৰয়োজনীয়তা।

১.৪ সাৰাংশ

## ১.০ উদ্দেশ্য ঃ

এই গোটটি পঢ়াৰ পাছত –

- শৃঙ্খলাবদ্ধ আৰু বিজ্ঞানসন্মতভাৱে ভাষা সম্পৰ্কীয় অধ্যয়ন কৰিব পাৰিবা।
- ভাষাৰ বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণৰ বিভিন্ন স্তৰ সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিব পাৰিবা।
- ধ্বনিবিজ্ঞানৰ প্ৰধান ভাগসমূহৰ বিষয়ে জানিব পাৰিবা।
- ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব, বৰ্ণবিজ্ঞানৰ সম্পৰ্ক আৰু পাৰ্থক্য সম্পৰ্কে জানিব পাৰিবা।

## ১.১ প্রস্তাৱনা ঃ

ভাষাবিজ্ঞানসন্মত আলোচনাক দৃষ্টিভঙ্গী আৰু পদ্ধতি অনুসৰি বৰ্ণনাত্মক, ঐতিহাসিক, তুলনামূলক আদি প্ৰধান ভাগত ভাগ কৰা হয়। ভাষা এটাক পদ্ধতিগতভাৱে অধ্যয়ন কৰোঁতে ভাষাটোৰ ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ সম্পৰ্কে আলোচনা কৰা হয়। ভাষাৰ গঠনৰ স্তৰীয় উপাদানবোৰক ক্ৰমবিন্যাসৰ ভিত্তিত চাৰিটা স্তৰত ভাগ কৰা হৈছে। এই কেইটা হৈছে–

(ক) ধ্বনি বিশ্লেষণৰ স্তৰ অৰ্থাৎ ধ্বনিতত্ত্ব।

(খ) শব্দ বা ৰূপ বিশ্লেষণৰ স্তৰ অৰ্থাৎ ৰূপতত্ত্ব।

(গ) বাক্য গঠনৰ বিশ্লেষণৰ স্তৰ অৰ্থাৎ বাক্যতত্ত্ব।

(ঘ) অৰ্থ বিশ্লেষণৰ স্তৰ অৰ্থাৎ অৰ্থতত্ত্ব।

ভাষাৰ বিশ্লেষণৰ এই স্তৰবোৰ নানা উপাদানেৰে সমৃদ্ধ। ভাষা কিছুমান ধ্বনিৰ সমষ্টি। ধ্বনিকেই ভাষাৰ ক্ষুদ্ৰতম উপাদান বুলি ধৰা হয়। কিন্তু ধ্বনিক আৰু ক্ষুদ্ৰতম উপাদানত ভাগ কৰিব নোৱাৰি। ইয়ে ভাষাৰ প্ৰথম স্তৰ। ধ্বনি আৰু ধ্বনি সমষ্টিৰ সন্মিলনত ভাষাৰ যি অৰ্থপূৰ্ণ ক্ষুদ্ৰতম একক পোৱা যায় সেয়ে হৈছে ‘ৰূপ’। ভাষাবিজ্ঞানত এই ৰূপক আকৃতি, প্ৰকৃতি, উপাকৃতি আদি ৰূপে বিচাৰ কৰা হয়। এই ৰূপৰ সহায়ত একোটা বাক্য গঠন কৰা হয়। বাক্যৰ মাজেদিয়েই ভাবে পূৰ্ণতা লাভ কৰে। ভাষাৰ উপাদানৰ শেষ স্তৰ হৈছে অৰ্থ। এই অৰ্থৰ স্তৰত একোটা শব্দই বিভিন্ন অৰ্থ বহন কৰিব পাৰে। যেনে– অভিধেয় অৰ্থ, লক্ষ্যাৰ্থ, ব্যঙ্গাৰ্থ, আনুভূতিক অৰ্থ ইত্যাদি। সাম্প্ৰতিক কালত অৰ্থৰ স্তৰক ভাষাবিজ্ঞানৰ আলোচ্য বিষয়ৰূপে ধৰা হৈছে। কাৰণ অৰ্থৰ মাজেদিয়েই ভাবৰ বিনিময় ঘটে।

ভাষাবিজ্ঞানৰ এই প্ৰতিটো স্তৰৰ ক্ষেত্ৰখন অতি বিশাল। এই স্তৰসমূহৰো কিছুমান উপস্তৰ পোৱা যায়। তলত ভাষাৰ প্ৰধান স্তৰ আৰু উপস্তৰসমূহৰ সম্পৰ্কে বিশদভাৱে আলোচনা আগবঢ়োৱা হৈছে।

## ১.২ ভাষাবিজ্ঞানৰ ভাগ ঃ

প্ৰত্যেক ভাষাৰে একোটাহঁত নিজা গঠন প্ৰণালী থাকে। ভাষাৰ গঠন বুলিলে সাধাৰণতে ধ্বনি, ৰূপ, বাক্য, অৰ্থ আদি ভাষাৰ উপাদানসমূহৰ সংযোগ প্ৰণালীৰ কথাকে বুজা যায়। ভাষাৰ এই বিভিন্ন উপাদানবোৰৰ গঠন আৰু প্ৰয়োগ বিশ্লেষণ ভাষাবিজ্ঞানৰ সহায়ত প্ৰণালীবদ্ধভাৱে কৰা হয়। ভাষাবিজ্ঞানত কোনো এটা বিশেষ ভাষাৰ অধ্যয়নৰ বাবে বৰ্ণনাত্মক, ঐতিহাসিক

বা তুলনাত্মক যিকোনো এটা পদ্ধতি বাছি লোৱা হয়। পদ্ধতিগত অনুসৰি ভাষাবিজ্ঞানক বৰ্ণনাত্মক ভাষাবিজ্ঞান, ঐতিহাসিক ভাষাবিজ্ঞান আৰু তুলনামূলক ভাষাবিজ্ঞান আদি ভাগত ভাগ কৰা হৈছে। ইয়াৰ যিকোনো ভাষাবিজ্ঞানেই ভাষাৰ অধ্যয়ন বা বিশ্লেষণৰ চাৰিটা ভাগৰ কথা স্বীকাৰ কৰি আহিছে।

**১.২.১ ভাষাৰ গঠন প্ৰণালী বিচাৰ আৰু বিশ্লেষণৰ পদ্ধতি অনুসৰি ভাষাবিজ্ঞানক** মুঠতে চাৰিটা ভাগত ভাগ কৰা হৈছে। যেনে ঃ

(ক) ধ্বনিবিজ্ঞান (Phonetics)

(১) ধ্বনিতত্ত্ব (Phonology)

(২) বৰ্ণ বিজ্ঞান (Phonemics)


(খ) ৰূপবিজ্ঞান (Morphomics)

(১) ৰূপতত্ত্ব (Morphology)

(গ) বাক্য বিজ্ঞান (syntax) – বাক্যতত্ত্ব

(ঘ) অৰ্থবিজ্ঞান (semantics)–অৰ্থতত্ত্ব

ভাষাৰ গঠন প্ৰণালী বিশ্লেষণৰ বিভিন্ন স্তৰ ৰেখাচিত্ৰৰ সহায়েৰে দেখুওৱা হৈছে –



## ১.২.২ ধ্বনিবিজ্ঞান আৰু ধ্বনিবিজ্ঞানৰ ভাগ ঃ

**ধ্বনিবিজ্ঞান ঃ**

ভাষাৰ মূল হৈছে ধ্বনি। ধ্বনিবিজ্ঞান হৈছে– বাগ্‌ধ্বনিৰ বিজ্ঞান। য'ত বাগ্‌ধ্বনি সম্পৰ্কে বিজ্ঞানসন্মতভাৱে আলোচনা কৰা হয়। গ্ৰীক ভাষাত Phone মানে ধ্বনি আৰু istics মানে জ্ঞান বা বিজ্ঞান। Phone + istics = Phonetics অৰ্থাৎ ধ্বনিসমূহৰ জ্ঞান বা বিজ্ঞান। ধ্বনিৰ সাধাৰণ বিশ্লেষণৰ বাবে ধ্বনিবিজ্ঞানৰ প্ৰয়োজন। মানৱ বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ সমস্ত জ্ঞানৰ বিতং বিৱৰণ ধ্বনিবিজ্ঞানৰ বিষয়বস্তু। ধ্বনিৰ উচ্চাৰক যন্ত্ৰ হৈছে বাগিন্দ্ৰিয়। বাগিন্দ্ৰিয়ৰ সহায়ত কেনেকৈ ধ্বনি উৎপন্ন কৰা হয়, ধ্বনিসমূহৰ গুণ আৰু লক্ষণ, ধ্বনিৰ উচ্চাৰণৰ বিভিন্ন কৌশল বা ধৰণ আৰু স্থান, এইবোৰৰ প্ৰকৃতি বা স্বৰূপ ধ্বনি বিজ্ঞানত বিশ্লেষণ কৰা হয়। তদুপৰি ধ্বনিবিজ্ঞানত ধ্বনিৰ প্ৰকাৰভেদ, ধ্বনিৰ মাত্ৰা, হ্ৰস্ব-দীৰ্ঘ, সুৰ, অনুনাসিকতা, যুগ্মতা আদি সম্পৰ্কেও খৰচি মাৰি আলোচনা কৰা হয়।

ধ্বনিবিজ্ঞানত কোনো এটা বিশেষ ভাষাৰ ধ্বনি সম্পৰ্কে আলোচনা কৰা নহয়। সামগ্ৰিকভাৱে পৃথিৱীৰ ভাষাসমূহত উচ্চাৰিত ধ্বনিসমূহৰ সাধাৰণ বিশ্লেষণ আগবঢ়োৱা হয়। ধ্বনিবিজ্ঞানৰ প্ৰধান কামৰ সম্পৰ্কে থোৰতে এনেদৰে ক'ব পাৰি–

- বাগিন্দ্ৰিয়ৰ দ্বাৰা উৎপাদিত ধ্বনিসমূহৰ তাত্ত্বিক আৰু প্ৰায়োগিক দিশৰ অধ্যয়ন কৰা হয়। ধ্বনিসমূহৰ উচ্চাৰণৰ বিশেষত্ব অনুসৰি ধ্বনিৰ প্ৰকাৰ নিৰ্ণয় আৰু পৰিভাষা নিৰ্ণয় কৰা হয়। পৃথিৱীৰ সকলো ভাষাতে উচ্চাৰিত ধ্বনিসমূহৰ বিচাৰ-বিশ্লেষণ কৰা হয়।
- বাগিন্দ্ৰিয় (organ of speech) অৰ্থাৎ নাসিকাবিবৰ, ঘটিকা বা বাগ্‌যন্ত্ৰ, স্বৰতন্ত্ৰী, গলকোষ, তালুকা, ওঁঠ, দাঁত, জিভা আদিয়ে ধ্বনিসমূহৰ উৎপাদনত কেনেদৰে কাম কৰে এই সম্পৰ্কেও ধ্বনিবিজ্ঞানত আলোচনা কৰা হয়।

**আত্মমূল্যায়ন ১ ঃ**

**ধ্বনিবিজ্ঞান কাক বোলে ? ধ্বনিবিজ্ঞানে কি কি বিষয় সামৰি লয় ?**

___

___

## ধ্বনিবিজ্ঞানৰ ভাগ (Branches of Phonetics) ঃ

ধ্বনিবিজ্ঞানত বাগ্‌ধ্বনিসমূহক তিনিটা দিশৰ পৰা বিশ্লেষণ কৰা হয়। এই কেইটা হৈছে— উৎপাদন, সংবহন আৰু গ্ৰহণ। এই তিনিটা বিশেষ দৃষ্টিকোণৰ আধাৰত ধ্বনিবিজ্ঞানৰ অধ্যয়নৰ প্ৰকৃতি বা স্বৰূপলৈ লক্ষ্য ৰাখি তিনিটা শাখাত ভাগ কৰা হৈছে। যেনে –

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics)

(খ) সাংবহনিক বা তৰংগ ধ্বনিবিজ্ঞান (Accoustic Phonetics)

(গ) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান (Auditory Phonetics)

### (ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান ঃ

সাধাৰণ ধ্বনিবিজ্ঞানত ভাষাৰ বিশ্লেষণৰ কাৰণে উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানেই প্ৰধান। ধ্বনিবিজ্ঞানৰ এই বিভাগটোত ধ্বনিসমূহ উচ্চাৰণ কৰা বাগিন্দ্ৰিয়, ধ্বনিসমূহৰ উচ্চাৰণ স্থান, প্ৰকাৰ আৰু কৌশল অনুসৰি ধ্বনিসমূহৰ শ্ৰেণীবিভাজন আদি সম্পৰ্কে বিস্তৃতভাৱে অধ্যয়ন কৰা হয়। প্ৰকৃততে মানৱদেহত ধ্বনি উৎপাদনৰ মাধ্যম হৈছে বাগিন্দ্ৰিয় (organs of speech)। ধ্বনি সৃষ্টিত ব্যৱহৃত অংগবোৰ হৈছে– ওঁঠ, দাঁত, জিভা, কঠিন তালু, কোমল তালু, হাওঁফাওঁ আদি। নিশ্বাসত এৰি দিয়া অৰ্থাৎ বহিৰ্গামী বায়ুপ্ৰবাহ আৰু উশাহত ভিতৰলৈ সুমুৱাই লোৱা অন্তৰ্গামী বায়ুপ্ৰবাহৰ

সহায়তহে বাগিন্দ্ৰিয়ই ধ্বনি সৃষ্টি কৰে। উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানত এই সকলোবিলাকৰ ভূমিকা সম্পৰ্কে বিস্তৃত অধ্যয়ন কৰা হয়।

## (খ) সাংবহনিক বা তৰংগ ধ্বনিবিজ্ঞান ঃ

বাগ্‌ধ্বনিসমূহ উচ্চাৰণ কৰোঁতে সন্মুখত বায়ুমণ্ডলত কিছুমান তৰঙ্গৰ সৃষ্টি হয়। এই তৰঙ্গৰ সম্পৰ্কে আলোচনা কৰা ধ্বনিবিজ্ঞানৰ এই ভাগটোক সাংবহনিক বা তৰংগ ধ্বনিবিজ্ঞান বোলা হয়। বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহে বায়ুমণ্ডলত সৃষ্টি কৰা তৰংগবোৰ শ্ৰোতাৰ কাণত প্ৰৱেশ কৰে আৰু শ্ৰৱণকেন্দ্ৰত কম্পনৰ সৃষ্টি কৰে। ইয়াৰ পাছতেই মগজুৱে সংবাদ বহন কৰে। বক্তাৰ পৰা শ্ৰোতাৰ কাণলৈ সংক্ৰমিত হোৱা বায়ুপ্ৰবাহৰ তৰঙ্গ (wave)ৰ অৰ্থাৎ বায়ুপ্ৰবাহৰ গতিত উঠা-নমা (frequency) আৰু তাৰ বিস্তৃতি (amplitude)ৰ বিষয়ে তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত বিশ্লেষণ কৰা হয়। ধ্বনিবিজ্ঞানৰ এই শাখাত ধ্বনিৰ বিভিন্ন গুণ সম্পৰ্কে বিশ্লেষণ কৰোঁতে নানা যন্ত্ৰ-পাতিৰ সহায় লোৱা হয়। পদাৰ্থবিজ্ঞানত অচিলোস্কোপ (Osceloscope), ইলেক্ট্ৰমোগ্ৰাফী (Electromography) আদি যন্ত্ৰ-পাতিৰ জৰিয়তে তৰংগবোৰৰ হিচাপ চাব পাৰি। ঠিক তেনেদৰে তৰংগ ধ্বনিবিজ্ঞানত পেলেটোগ্ৰাফ, কাইমোগ্ৰাফ, স্পেক্টোগ্ৰাফ আদিৰ সহায়ত কোনো এটা ভাষাৰ সুৰ, দীৰ্ঘতা, অনুনাসিকতা, ঘোষত্ব আদি সম্পৰ্কেও বৈজ্ঞানিক দৃষ্টিভংগীৰে আলোচনা কৰা হয়।

## (গ) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান ঃ

বক্তাই উচ্চাৰিত ধ্বনিসমূহত শ্ৰোতাৰ শ্ৰৱণকেন্দ্ৰত ঠেকা খাই আৰু মগজুৱে কিদৰে বাৰ্তা গ্ৰহণ কৰে, এই সম্পৰ্কে ধ্বনিবিজ্ঞানৰ যিটো শাখাত অধ্যয়ন কৰা হয়, তাকে শ্ৰুতি বা শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান বোলা হৈছে। অৰ্থাৎ শ্ৰৱণতত্ত্বৰ লগত জড়িত ধ্বনিবিজ্ঞানেই হৈছে **শ্ৰুতি ধ্বনিবিজ্ঞান**। এই বিশ্লেষণ প্ৰক্ৰিয়াও যন্ত্ৰৰ সহায়তে কৰাতো সম্ভৱ। বক্তাৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহে বায়ুমণ্ডলৰ মাজেদি গৈ শ্ৰোতাৰ শ্ৰৱণকেন্দ্ৰত স্পৰ্শ কৰাৰ পাছৰ পৰা সংবাদ গ্ৰহণলৈকে হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়া শ্ৰুতি ধ্বনিবিজ্ঞানৰ সহায়ত বিশ্লেষণ কৰা হয়। উচ্চাৰিত ধ্বনিসমূহে শ্ৰোতাক কৰা প্ৰতিক্ৰিয়াৰ আঘাতৰ লগে লগে মনস্তত্ত্বৰ নিৰ্ধাৰণ আৰু মগজুৰ প্ৰত্যুত্তৰ চিনাক্তকৰণ আদি এই ধ্বনিবিজ্ঞানৰ জৰিয়তে বিশ্লেষণ কৰা হয়। শ্ৰৱণৰ এই গোটেই পদ্ধতিটোক আমি তিনিটা ভাগত ভাগ কৰিব পাৰোঁ। এই ভাগ কেইটা হৈছে--

(ক) শ্ৰৱণ যন্ত্ৰৰ ভৌতিক ধৰ্ম,

(খ) শ্ৰৱণৰ প্ৰয়োজনীয় চৰিত্ৰবোৰৰ চিনাক্তকৰণ

(গ) শ্ৰৱণৰ অনুভূতিৰ ব্যাখ্যাকৰণ, সংকেতৰ লগত সিহঁতৰ সম্পৰ্ক।

এই গোটেই শ্ৰৱণ প্ৰক্ৰিয়াটো অতি জটিল আৰু ইয়াত মগজুৰ ভূমিকা অতি উল্লেখনীয়। শ্ৰুতি ধ্বনিবিজ্ঞানত শ্ৰৱণ প্ৰক্ৰিয়াৰ সকলোবোৰ বিষয় সামৰি লোৱা হয়। শৰীৰ বিদ্যা আৰু

মনতত্ত্বৰ বিশদ ধাৰণাৰে শৰীৰ আৰু মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া উদ্‌ঘাটন কৰিব নোৱাৰিলে শ্ৰৱণতত্ত্বৰ ব্যাখ্যা কৰিব নোৱাৰি। সেয়েহে ধ্বননৰ অৰ্থাৎ শ্ৰোতাৰ শ্ৰৱণৰ জ্ঞান লাভ হোৱালৈকে এই ক্ৰিয়া--প্ৰতিক্ৰিয়াৰ বিষয়টোক কোনো কোনো ভাষাতত্ত্ববিদে ধ্বনিবিজ্ঞানৰ অন্তৰ্গত বুলি ধৰিব নোখোজে।

**আত্মমূল্যায়ন ২ ঃ**

**ধ্বনিবিজ্ঞানক কেইটা আৰু কি কি ভাগত ভগাব পাৰি ?**

## ১.৩ ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান ঃ

**ধ্বনিতত্ত্ব ঃ**

কোনো এটা ভাষাৰ উচ্চাৰিত ধ্বনিসমূহৰ প্ৰণালীবদ্ধ আলোচনাই সেই ভাষাৰ ধ্বনিতত্ত্ব। যেনে– ইংৰাজীৰ ধ্বনিতত্ত্ব, অসমীয়াৰ ধ্বনিতত্ত্ব, বাংলাৰ ধ্বনিতত্ত্ব। ভাষা এটাৰ ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞান সম্পৰ্কীয় সমস্ত আলোচনা ধ্বনিতত্ত্বই সামৰি লয়। ধ্বনিতত্ত্ব কোনো এটা ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ সম্পৰ্কেহে পৰ্যালোচনা কৰা হয়। বিশেষকৈ ভাষা বিশেষত উচ্চাৰিত ধ্বনিৰ উৎপাদন আৰু ধ্বনিৰ গুণ আৰু প্ৰকৃতি সম্পৰ্কেহে ইয়াত সূক্ষ্মভাৱে বিচাৰ কৰা হয়। ইয়াত ভাষাৰ ব্যৱহাৰিক ৰূপৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হয়। সেইবাবেই প্ৰত্যেক ভাষাৰ ধ্বনিতত্ত্ব স্বকীয় বৈশিষ্ট্যপূৰ্ণ আৰু প্ৰত্যেক ভাষাৰ ধ্বনিতত্ত্ব পৃথক পৃথক। ধ্বনি বিজ্ঞান আৰু ধ্বনিতত্ত্বৰ

পাৰ্থক্য সম্পৰ্কে জনচ্ লিয়নছ (John Lyons)ৰ ভাষাত ক'বলৈ হ'লে– ধ্বনিবিজ্ঞানত উচ্চাৰিত ধ্বনিসমূহৰ ক্ৰমবদ্ধ বৈপৰীত্য (Paradigmatic opposition) আৰু সহবদ্ধ সংযোগ (Syntagmatic combination) স্বাধীনভাৱে বিচাৰ বিবেচনা কৰা হয়, আনহাতে ধ্বনিতত্ত্বত ভাষাবিজ্ঞানীয়ে এটা বিশেষ ভাষাৰ ধ্বনি সম্পৰ্কেহে বৰ্ণনা কৰে।

**বৰ্ণবিজ্ঞান ঃ**

বৰ্ণবিজ্ঞান ভাষাবিজ্ঞানৰ অন্তৰ্গত এটা বিভাগ। ধ্বনিবিজ্ঞানতকৈ আপেক্ষিকভাৱে ই নতুন। আমেৰিকাৰ ভাষাবিজ্ঞানী ব্লুমফিল্ড, এডৱাৰ্ড চাপিৰ, কে. এল. পাইক, এইচ্ এ গ্লীছন আদিৰ ভাষাবিষয়ক চিন্তা-চৰ্চাই বৰ্ণবিজ্ঞানক সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে। সকলো ভাষাতে বৰ্ণবোৰ এটা বা ততোধিক ধ্বনিৰ সমন্বয়ত গঢ়ি উঠে। ধ্বনিৰ সমন্বয় নিৰ্ণিত হয় ধ্বনিবোৰৰ পৰিৱেশজনিত প্ৰয়োগ বিশ্লেষণৰ দ্বাৰা। ধ্বনিৰ এই বিশ্লেষণ বা ইয়াৰ প্ৰকৃতি বিচাৰৰ ভাগটোৱেই হৈছে– বৰ্ণবিজ্ঞান। অৰ্থাৎ ভাষা বিশেষত উচ্চাৰিত ধ্বনিসমূহৰ প্ৰকৃতি আৰু প্ৰায়োগিক বিশ্লেষণৰ ই এক প্ৰণালীবদ্ধ প্ৰক্ৰিয়া।

ভাষাত উচ্চাৰিত হোৱা সকলোবোৰ ধ্বনিৰ প্ৰকৃতি আৰু প্ৰায়োগিক বৈশিষ্ট্য একে নহয়। কিছুমান ধ্বনিৰ উচ্চাৰণ অতি স্পষ্ট। এনে স্পষ্ট আৰু সমগোত্ৰীয় ধ্বনিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰা হয়। সেই ধ্বনিবোৰক একে পৰিৱেশত এটাৰ ঠাইত অন্য এটা প্ৰয়োগ কৰিলে অৰ্থাৎ ধ্বনিযুক্ত হোৱাৰ পাছত ৰূপসমূহে ভিন্ন অৰ্থ প্ৰকাশ কৰে। অভিন্ন পৰিৱেশত ব্যৱহাৰ হোৱা ধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য মাতৃভাষীৰ কাণত বাজি উঠে, তেতিয়া সেই ধ্বনিসমূহক গোটত বিভক্ত কৰি **'বৰ্ণ'** (Phoneme) বুলি চিনাক্ত কৰা হয়। অসমীয়া ভাষাৰ পাল, ফাল, মাল আদি ৰূপৰ প্ৰত্যেকৰে প, ফ, ম ধ্বনিৰ বাহিৰে পিছৰ 'আল' অংশ একে। 'আল' অংশৰ লগত প, ফ, ম এই ধ্বনি তিনিটা সংযোগ কৰাৰ পাছত প্ৰত্যেকটো ৰূপৰে ভিন্নতা আহিছে আৰু অৰ্থৰ পাৰ্থক্য ঘটিছে। অভিন্ন পৰিৱেশত প, ফ, ম এই তিনিটা ধ্বনিৰ মাজত বিৰোধ ঘটিছে। গতিকে অসমীয়া ভাষাত প, ফ, ম এই তিনিটা প্ৰত্যেকেই একোটাহঁত বৰ্ণ।

আনহাতে একেটা ধ্বনি পৰিৱেশ ভেদে সুকীয়া ধৰণে উচ্চাৰিত হ'ব পাৰে। অসমীয়া ভাষাত 'পাপ' আৰু 'মাপ' এই শব্দ দুটাত 'প' ধ্বনি দুটাৰ উচ্চাৰণ, প্ৰথমটোৰ মুক্ত আৰু দ্বিতীয়টোৰ উচ্চাৰণ বদ্ধ। প্ৰথমটো 'প' ধ্বনি উচ্চাৰণ কৰোঁতে ওঁঠ দুটা লগ লাগিছে, কিন্তু পিছৰ 'প' ধ্বনি উচ্চাৰণ কৰোঁতে ওঁঠ দুটা সম্পূৰ্ণ লগা নাই, মাত্ৰ ওচৰ চাপে। গতিকে সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে, ধ্বনি দুটাৰ উচ্চাৰণ সুকীয়া যদিও এটাৰ ঠাইত আনটোক

বহুৰাব নোৱাৰি। তদুপৰি ইহঁতৰ উচ্চাৰণৰ পাৰ্থক্য মাতৃভাষীৰ কাণত বাজি নুঠে। আনহাতে ইহঁতৰ প্ৰয়োগৰ স্থান নিৰ্দ্দিষ্ট আৰু প্ৰয়োগৰ কোনো বিৰোধ নাই। উচ্চাৰণৰ সূক্ষ্ম পাৰ্থক্য থাকিলেও এনে বিৰোধ নথকা ভিন্ন ধ্বনি দুটাক এটা ধ্বনিগোটত অন্তৰ্ভুক্ত কৰি 'বৰ্ণ' বুলি চিনাক্ত কৰা হয়। সেই ধ্বনি গোটটোত অন্তৰ্নিহিত হৈ থকা ধ্বনি কেইটাক সেই বৰ্ণটোৰ **'উপধ্বনি'** (allphone) বুলি চিনাক্ত কৰা হয়। গতিকে অসমীয়া ভাষাত /প/ বৰ্ণটোৰ [প] আৰু [প] এই দুটা **উপধ্বনি** পোৱা যায়।

বৰ্ণ আৰু উপধ্বনিৰ নিৰ্বাচন প্ৰণালীয়েই বৰ্ণবিজ্ঞানৰ মূল বিষয়। সাধাৰণতে ধ্বনিৰ পৰিবেশ, প্ৰয়োগ, প্ৰকৃতি আৰু গুণ আদি বিচাৰ কৰি প্ৰণালীবদ্ধভাৱে বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰা হয়। বৰ্ণবিজ্ঞানত ধ্বনি প্ৰয়োগৰ আলোচনাই বিশেষ ভূমিকা গ্ৰহণ কৰে। ধ্বনি প্ৰয়োগৰ প্ৰকৃতি নিৰ্ণয় কৰা হয় আৰু প্ৰকৃতিৰ পৰাই ভাষাৰ গঠন বা ৰূপৰ চানেকি সম্পৰ্কে জানিব পাৰি।

### ১.৩.১ ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ সম্পৰ্ক ঃ

ভাষাবিজ্ঞানৰ অন্তৰ্গত ধ্বনিবিজ্ঞান (Phonetics), ধ্বনিতত্ত্ব (Phonology) আৰু বৰ্ণবিজ্ঞান (Phonetics) এই আটাইকেইটা বিভাগতে বাগ্ধ্বনি সম্পৰ্কে বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হয়। ধ্বনি অধ্যয়নৰ লগত থকা সম্পৰ্কৰ ফালৰ পৰা এই আটাইকেইটাৰ পাৰস্পৰিক সম্পৰ্ক ওতপ্ৰোত। কোনো ভাষাৰ ধ্বনিৰ বিজ্ঞানসন্মত বিশ্লেষণ কৰিবলৈ হ'লে প্ৰথমতে ধ্বনিবিজ্ঞানৰ প্ৰাথমিক জ্ঞানৰ আৱশ্যক, কাৰণ ধ্বনিবিজ্ঞানেই বাগ্ধ্বনি অধ্যয়নৰ প্ৰাথমিক দিশ। ইয়াত সামগ্ৰিকভাৱে উচ্চাৰিত হোৱা ধ্বনিসমূহ সাধাৰণভাৱে চিনাক্ত কৰা হয়। ধ্বনিবিজ্ঞানে ভাষাটোৰ প্ৰাথমিক সামগ্ৰীখিনিৰ প্ৰকৃতি বিচাৰ কৰি প্ৰয়োগবিধি বিশ্লেষণ কৰে। ঠিক তেনেদৰে কোনো এটা ভাষা বিশেষৰ উচ্চাৰিত ধ্বনিসমূহৰ গুণ, প্ৰকৃতি সম্পৰ্কে ধ্বনিতত্ত্বই ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ সহায়ত বিচাৰ বিশ্লেষণ কৰে। কে. এল. পাইকৰ ভাষাৰে– ''ধ্বনিবিজ্ঞানে ভাষাৰ কেঁচামাল গোটায় আৰু বৰ্ণবিজ্ঞানে এই মালবোৰকে লৈ চালি জাৰি ৰন্ধন কৰে।''

ভাষা শিক্ষাৰ ক্ষেত্ৰত ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান —এই তিনিওটায়ে অপৰিহাৰ্য। ধ্বনিবিজ্ঞানে ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানক প্ৰাথমিক সামগ্ৰীৰ যোগান ধৰে। ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানে ভাষা বিশেষৰ বাগ্ধ্বনিৰ উচ্চাৰণ, গুণ আৰু প্ৰকৃতি সম্পৰ্কে অধ্যয়ন কৰে। তেনেদৰে ধ্বনিবিজ্ঞানে ভাষা নিৰপেক্ষ ভাৱে ধ্বনিৰ উচ্চাৰণ, প্ৰকৃতি আৰু স্বৰূপ বিচাৰ কৰে।

## ১.৩.২ ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানৰ পাৰ্থক্য ঃ

বাগ্‌ধ্বনিৰ অধ্যয়নত ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান সমান প্ৰয়োজনীয় যদিও প্ৰত্যেকেই স্বকীয় বৈশিষ্ট্য অনুসৰি বেলেগ বেলেগ ভূমিকা গ্ৰহণ কৰে। ধ্বনি বিজ্ঞান যিহেতু উচ্চাৰিত ধ্বনিৰ বিজ্ঞান, গতিকে ই সামগ্ৰিকভাৱে পৃথিৱীৰ সমস্ত ভাষাৰ ধ্বনিসমূহৰ উৎপাদন, ধ্বনিৰ উৎপাদনত বাগিন্দ্ৰিয়ৰ ভূমিকা, ধ্বনিসমূহৰ বৰ্গীকৰণ আৰু এইবোৰৰ স্বৰূপ, উচ্চাৰিত ধ্বনিসমূহ বক্তাৰ মুখৰ পৰা শ্ৰোতালৈ প্ৰেৰণ আৰু গ্ৰহণৰ সম্পৰ্কে সূক্ষ্মভাৱে আলোচনা কৰা হয়। ইয়াত পৃথিৱীৰ সমস্ত ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে সাধাৰণ আলোচনা আগবঢ়োৱা হয়। অৰ্থাৎ, ধ্বনিবিজ্ঞানৰ অধ্যয়ন ভাষা নিৰপেক্ষ অধ্যয়ন য'ত সামান্য ৰূপত ধ্বনিৰ উচ্চাৰণ, বৰ্গীকৰণ আদি সম্পৰ্কে আলোচনা আগবঢ়োৱা হয়। নিঃসন্দেহে ধ্বনিবিজ্ঞানৰ পৰিসৰ অতি বিস্তৃত।

ধ্বনিতত্ত্বত আকৌ কোনো এটা ভাষাত উচ্চাৰিত বাগ্‌ধ্বনি আৰু এইবোৰৰ পৰিৱৰ্তন, বৰ্ণ (Phoneme) আৰু উপধ্বনি (Allophone) সম্পৰ্কে সূক্ষ্মভাৱে আলোচনা কৰা হয়। ধ্বনিবিজ্ঞানত পৃথিৱীৰ সমস্ত ভাষাৰ ধ্বনি সম্পৰ্কে অধ্যয়ন কৰা হয় কিন্তু ধ্বনিতত্ত্বত ভাষা বিশেষৰহে অধ্যয়ন কৰা হয়। ৰবিন্সে (Robins) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ পাৰ্থক্য এনেদৰে দাঙি ধৰিছে– 'ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বত ধ্বনিৰ উচ্চাৰণ সম্পৰ্কে আলোচনা কৰা হয়, কিন্তু দুয়োটাৰ অধ্যয়নৰ দৃষ্টিভঙ্গী সুকীয়া। ধ্বনিবিজ্ঞান হৈছে সাধাৰণীকৃত (general), বৰ্ণনামূলক (descriptive) আৰু বৰ্গীকৃত (classificatory)। আনহাতে ধ্বনিতত্ত্ব হৈছে নিৰ্দ্দিষ্ট আৰু কাৰ্যকৰী।

বৰ্ণবিজ্ঞানৰ অধ্যয়ন ধ্বনিবিজ্ঞানতকৈ সীমিত। বৰ্ণবিজ্ঞানৰ অধ্যয়নৰ প্ৰধান বিষয় হৈছে বৰ্ণবিচাৰ। ভাষা বিশেষত উচ্চাৰিত ধ্বনিসমূহক সুনিৰ্দ্দিষ্ট নীতিৰে প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰি কিছুমান গোটত অন্তৰ্ভুক্ত কৰি বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰাই হৈছে বৰ্ণবিজ্ঞানৰ কাম। অৰ্থাৎ বৰ্ণ (Phoneme)ৰ প্ৰণালীবদ্ধ বিশ্লেষণ প্ৰক্ৰিয়াটোকেই বৰ্ণবিজ্ঞানে সামৰি লয়।

ধ্বনিবিজ্ঞানত বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত সকলো ধ্বনিৰে সাধাৰণ আলোচনা আগবঢ়োৱা হয়। ইয়াত বাগিন্দ্ৰিয়সমূহৰ বিষয়েও আলোচনা কৰা হয়। কিন্তু ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানত ভাষা বিশেষত উচ্চাৰিত অৰ্থভেদক ধ্বনিবোৰকহে বিশিষ্ট ধ্বনি বা বৰ্ণ হিচাপে চিনাক্ত কৰি ধ্বনিৰ প্ৰকৃতি, গুণ আৰু প্ৰয়োগ বিশ্লেষণ কৰা হয়। তদুপৰি এই দুয়োটাতে বাগিন্দ্ৰিয় সম্পৰ্কে কোনো আলোচনা কৰা নহয়। ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞানত ভাষাৰ ব্যৱহাৰিক ৰূপৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ভাষা বিশেষৰ অধ্যয়নত ধ্বনিবিজ্ঞান

আৰু বৰ্ণবিজ্ঞানতকৈ ধ্বনিতত্ত্বৰ প্ৰয়োজনীয়তা বেছি। অৱশ্যে কোনো এটা ভাষাৰ ধ্বনিতত্ত্বৰ অধ্যয়নত বৰ্ণবিজ্ঞান আৰু ধ্বনিবিজ্ঞানৰো ভূমিকা আছে। ধ্বনিবিজ্ঞানে ভাষাৰ উচ্চাৰণ আৰু ধৰণ অনুযায়ী বাগধ্বনিসমূহ বিশ্লেষণ কৰাৰ পাছত ধ্বনিতত্ত্বই এই ধ্বনি সামগ্ৰীক ভাষাবিজ্ঞানৰ অধ্যয়ন প্ৰণালীৰ সূত্ৰ খটুৱাই শ্ৰেণীবিভাগ কৰে আৰু বৰ্ণবিজ্ঞানে ধ্বনিবোৰৰ পৰিৱেশজনিত প্ৰয়োগ বিশ্লেষণৰ দ্বাৰা বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰে।

**আত্মমূল্যায়ন ৩ ঃ**

**ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ পাৰ্থক্য বিচাৰ কৰা।**

### ১.৩.৩ ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ প্ৰয়োজনীয়তা ঃ

ধ্বনিবিজ্ঞান ভাষাবিজ্ঞানৰ এক বিশিষ্ট অঙ্গ আৰু ই ভাষাবিজ্ঞানৰ মূল ভেটি স্বৰূপ। ধ্বনিবিজ্ঞানেই বৰ্ণবিজ্ঞান তথা ধ্বনিতত্ত্বৰ প্ৰাৰম্ভিক সামগ্ৰীৰ যোগান ধৰে। বিভিন্ন বাগ্‌যন্ত্ৰৰ সহায়ত মানুহে কেনেকৈ ধ্বনি উৎপন্ন কৰে, ধ্বনিৰ গুণাগুণ কেনেকৈ সলনি কৰিব পাৰে, ধ্বনিয়ে কিদৰে এজনৰ মুখৰ পৰা গৈ অন্য এজনৰ শ্ৰৱণেন্দ্ৰিয়ত প্ৰতিক্ৰিয়া ঘটাব পাৰে এই সকলোবিলাকেই ধ্বনিবিজ্ঞানৰ আলোচ্য বিষয়। তদুপৰি ধ্বনিৰ প্ৰকাৰভেদ, ধ্বনিৰ হ্ৰস্ব-দীৰ্ঘ, অনুনাসিকতা, যুগ্মতা আদি বিষয় সম্পৰ্কেও ধ্বনিবিজ্ঞানে পুংখানুপুংখ আলোচনা কৰে। ভাষাৰ বিশ্লেষণৰ বাবে ধ্বনিবিজ্ঞান অপৰিহাৰ্য। ভাষাৰ প্ৰণালীবদ্ধ বা বিজ্ঞানসন্মত অধ্যয়নৰ বাবেই ধ্বনিবিজ্ঞান প্ৰয়োজনীয় এনে নহয়, প্ৰায়োগিক ক্ষেত্ৰটো ইয়াৰ প্ৰয়োজন আছে। তাৰ ভিতৰত ভাষাৰ শিক্ষণ আৰু প্ৰশিক্ষণত ইয়াৰ উপযোগিতা লক্ষণীয়।

ভাষা মানুহে আয়ত্ব কৰা এক সাংস্কৃতিক কাৰ্য। পূৰ্বপুৰুষে উত্তৰপুৰুষক ভাষা শিকায়। কিন্তু ই পৈত্ৰিক সম্পত্তি নহয়। শিশুৱে ইয়াক পাৰিপাৰ্শ্বিকতাত লগ পোৱাসকলৰ পৰা শিকে। অৰ্থাৎ কথা কোৱা শুনিলেহে শিশুৱে কথা ক'বলৈ শিকে। এই শুনা কাৰ্যই শিকাৰ প্ৰয়োজনীয়তাৰ ইংগিত দিয়ে। শিক্ষকৰ প্ৰয়োজন নোহোৱাকৈয়ে পাৰিপাৰ্শ্বিকতাৰ পৰা শিশুৱে শুদ্ধকৈ ভাষা ক'বলৈ শিকে। এইদৰে শিশুৰ মাতৃভাষাৰ জ্ঞান লাভ হয়। অৱশ্যে মাতৃভাষা ক'বলৈ শিকা আৰু বিদেশী ভাষা ক'বলৈ শিকা দুটা সুকীয়া কথা। দুটা ভাষাৰ ধ্বনি, ধ্বনিসমষ্টি আৰু ইহঁতৰ প্ৰয়োগৰ ক্ষেত্ৰত মিল বা সাদৃশ্যহে থাকিব পাৰে। কিন্তু এই সকলোবোৰ কেতিয়াও একে হ'ব নোৱাৰে। ভাষা শিক্ষণৰ ক্ষেত্ৰত মনকৰিবলগীয়া যে, মাতৃভাষাৰ লগত বিশেষকৈ ধ্বনিৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ সাদৃশ্য বা মিল নথকা ভাষাতকৈ লগত মিল থকা ধ্বনিবোৰ শুনোতাৰ কাণত মাতৃভাষাৰ ধ্বনিৰ সৈতে একে যেন ধাৰণা হয়। ফলত মিলটোলৈ লক্ষ্য ৰাখি ধ্বনিৰ সুকীয়া বৈশিষ্ট্যবোৰ আওকাণ কৰা হয়, অৰ্থাৎ কাণত সেইবোৰ নাবাজে। কিন্তু মাতৃভাষাৰ ধ্বনিৰ লগত যদি একেবাৰে মিল নাথাকে, সম্পূৰ্ণ বেলেগ হয়, তেনেহ'লে সেইবোৰ কাণত স্পষ্টকৈ বাজে আৰু ধ্বনিৰ বৈশিষ্ট্যবোৰ ধৰা পৰে। সেয়ে ভাষা শিকিবৰ কাৰণে প্ৰথম প্ৰয়োজনীয় কথা হ'ল– শ্ৰৱণেন্দ্ৰিয়ৰ প্ৰশিক্ষণ বা শুনাৰ অভ্যাস। তদুপৰি ভাষা শিক্ষণৰ আন এটা প্ৰয়োজনীয় কথা হ'ল– ধ্বনিৰ উচ্চাৰণ প্ৰশিক্ষণ।

ভাষাৰ শিক্ষণ আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত ধ্বনি সম্পৰ্কীয় সকলো বিষয়ত পথ প্ৰদৰ্শন কৰিব পাৰে একমাত্ৰ ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বই। কোনো ভাষা শিক্ষণৰ লগে লগে সেই ভাষাৰ ধ্বনিতত্ত্ব অধ্যয়ন কৰি তাৰ নিৰ্দ্দেশমতে

উচ্চাৰণ অভ্যাস কৰিলেহে ভাষাটোৰ প্ৰকৃত উচ্চাৰণ শিকা হয়।

## ১.৪ সাৰাংশ ঃ

ওপৰৰ গোটটি আলোচনাৰ অন্তত তলৰ কথাকেইটা থোৰতে মনত ৰখা দৰকাৰ ঃ

- ভাষাৰ বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধ অধ্যয়নকে ভাষাবিজ্ঞান বোলা হয়। ভাষাবিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ অতিশয় ব্যাপক। ভাষাৰ গঠন প্ৰণালী অনুসৰি কৰা ভাগবোৰ বা অধ্যয়নৰ স্তৰবোৰ ভিন্ ভিন্ পণ্ডিতে ভিন্ ভিন্ ধৰণে ভাগ কৰিছে যদিও যিকোনো ভাষাবিজ্ঞানে ভাষাৰ অধ্যয়নত তলত উল্লেখ কৰা চাৰিটা স্তৰৰ কথা স্বীকাৰ কৰিছে। এই কেইটা হৈছে– ধ্বনিৰ স্তৰ, ৰূপৰ স্তৰ, বাক্যৰ স্তৰ আৰু অৰ্থৰ স্তৰ।

- ধ্বনিবিজ্ঞানে ধ্বনিৰ সাধাৰণ বিশ্লেষণ আগবঢ়ায়। মানুহে মুখৰ অৱয়বত থকা বাগযন্ত্ৰৰ সহায়ত কেনেকৈ ধ্বনি উৎপন্ন কৰে, ধ্বনিৰ গুণাগুণ কেনেদৰে সলনি কৰিব পাৰে, ধ্বনিয়ে কেনেকৈ এজনৰ মুখৰপৰা গৈ আন এজনৰ শ্ৰৱণেন্দ্ৰিয়ত প্ৰতিক্ৰিয়া ঘটাব পাৰে এনেবোৰ বিষয় ধ্বনিবিজ্ঞানত আলোচনা কৰা হয়।

- কোনো এটা ভাষাৰ ধ্বনিসমূহৰ প্ৰণালীবদ্ধ আলোচনাই হৈছে সেই ভাষাটোৰ ধ্বনিতত্ত্ব। যেনে– অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, কাৰবি ভাষাৰ ধ্বনিতত্ত্ব, বৰো ভাষাৰ ধ্বনিতত্ত্ব ইত্যাদি। বিশেষকৈ ইয়াত ভাষাবোৰৰ ধ্বনিৰ উৎপাদন, ধ্বনিৰ গুণ আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা হয়।

- আনহাতে বৰ্ণবিজ্ঞান হৈছে কোনো এটা ভাষাৰ ধ্বনি আৰু বৰ্ণৰ বিচাৰ বিশ্লেষণ। বৰ্ণবিজ্ঞানে ভাষা বিশেষত উচ্চাৰণ কৰা ধ্বনিসমূহক কিছুমান একক বা গোটত ভাগ কৰে অৰ্থাৎ বৰ্ণ নিৰ্ণয় কৰে। বিশেষকৈ সমগোত্ৰীয় ধ্বনিসমূহৰ প্ৰয়োগগত পৰিবেশ বিশ্লেষণ কৰি বৰ্ণ নিৰ্ণয় কৰে।

ভাষা এটা অধ্যয়নত ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব, বৰ্ণবিজ্ঞান প্ৰত্যেকৰে প্ৰয়োজনীয়তা আছে যদিও প্ৰত্যেকেই স্বকীয় বৈশিষ্ট্য অনুসৰি বেলেগ বেলেগ ভূমিকা গ্ৰহণ কৰে।

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ১ ঃ**

মানৱ বাক্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে য'ত বিস্তৃত আৰু পুংখানুপুংখৰূপে অধ্যয়ন কৰা হয় তাকে ধ্বনিবিজ্ঞান বোলে। ই ভাষাবিজ্ঞানৰ এটা প্ৰধান ভাগ।

ধ্বনিবিজ্ঞানত সামগ্ৰিকভাৱে পৃথিৱীৰ ভাষাসমূহত উচ্চাৰিত হোৱা ধ্বনিসমূহৰ সাধাৰণ বিশ্লেষণ আগবঢ়োৱা হয়। সাধাৰণতে ধ্বনিবিজ্ঞানত বাগযন্ত্ৰ বা ধ্বনিযন্ত্ৰ, অৰ্থাৎ নাসিকাবিবৰ, ঘটিকা, স্বৰতন্ত্ৰী, গলকোষ, তালুকা, ওঁঠ, দাঁত, জিভা আদিয়ে ধ্বনিৰ উচ্চাৰণত কেনেদৰে সহায় কৰে এই সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি ধ্বনিসমূহৰ উচ্চাৰণৰ বিশেষত্ব অনুসৰি প্ৰকাৰ নিৰ্ণয় কৰা হয় আৰু পৰিভাষা নিৰ্ণয় কৰা হয়।

**আত্মমূল্যায়ন ২ ঃ**

ধ্বনিসমূহৰ উৎপাদন, সংবহন আৰু গ্ৰহণ– এই তিনিটা বিশেষ দৃষ্টিকোণৰ আধাৰত ধ্বনিবিজ্ঞানক তিনিটা ভাগত ভাগ কৰা হৈছে। যেনে–

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান

(খ) সাংবহনিক বা তৰঙ্গধ্বনিবিজ্ঞান

(গ) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান।

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানত বাগধ্বনিসমূহৰ বৰ্ণনা, উচ্চাৰণৰ স্থান আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা হয়।

(খ) সাংবহনিক ধ্বনিবিজ্ঞানক ধ্বনিৰ ভৌতিক গুণ সম্পৰ্কে বিচাৰ কৰা হয়।

(গ) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞানত বাগধ্বনিৰ শাৰীৰিক গুণ সম্পৰ্কে আলোচনা কৰা হয়।

**আত্মমূল্যায়ন ৩ ঃ**

বাগ্‌ধ্বনিৰ অধ্যয়নত ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞান দুয়োটাৰে প্ৰয়োজনীয়তা আছে যদিও প্ৰত্যেকৰে স্বকীয় বৈশিষ্ট্য অনুসৰি পাৰ্থক্য পৰিলক্ষিত হয়।

ধ্বনিবিজ্ঞান হৈছে উচ্চাৰিত ধ্বনিসমূহৰ বিজ্ঞান। ইয়াৰ পৃথিৱীৰ ভাষাসমূহত উচ্চাৰিত ধ্বনিসমূহৰ সামগ্রিক আলোচনা কৰা হয়। তদুপৰি ধ্বনিযন্ত্ৰ, ধ্বনিৰ বিশ্লেষণ, ধ্বনিৰ মাত্ৰা, সুৰ, শ্বাসাঘাত, অক্ষৰ আদিৰ সম্পৰ্কেও আলোচনা কৰা হয়। এইফালৰ পৰা চাবলৈ গ'লে ধ্বনিবিজ্ঞানৰ পৰিসৰ অধিক বিস্তৃত।

বৰ্ণবিজ্ঞানো ভাষাৰ অধ্যয়নৰ এক বিজ্ঞান। ইয়াত সামগ্রিকভাৱে পৃথিৱীৰ ভাষাসমূহৰ অধ্যয়নৰ বিপৰীতে এটা বিশেষ ভাষাৰহে পুংখানুপুংখৰূপে ধ্বনিৰ বিচাৰ-বিশ্লেষণ কৰা হয়। ধ্বনিবিজ্ঞানতকৈ বৰ্ণবিজ্ঞানতৰ পৰিসৰ সীমিত। ভাষা বিশেষত উচ্চাৰিত ধ্বনিসমূহক সুনিৰ্দিষ্ট ৰীতিৰে প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰি কিছুমান গোটত অন্তভুৰ্ক্ত কৰি বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰাই হৈছে বৰ্ণবিজ্ঞানৰ প্ৰধান কাম। ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ প্ৰত্যেকৰে ধ্বনিৰ অধ্যয়নত সুকীয়া সুকীয়া ভূমিকা পালন কৰে যদিও, কোনো এটা ভাষাৰ ধ্বনিতত্ত্বৰ অধ্যয়নত বৰ্ণবিজ্ঞান আৰু ধ্বনিবিজ্ঞানৰ ভূমিকা আছে।

## অনুশীলনী-১

**(ক) চমু উত্তৰ দিয়া –**

(১) ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নৰ ভাগ কেইটা আৰু কি কি ?

(২) ধ্বনিবিজ্ঞানৰ ভাগ কেইটা আৰু কি কি ?

(৩) বৰ্ণ আৰু ধ্বনিৰ মাজত পাৰ্থক্য আছেনে ?

(৪) বৰ্ণক ধ্বনিৰ পৰিয়াল বুলি ক'ব পাৰিনে ?

(৫) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব একে হয় নে নহয় ?

**(খ) চমুকৈ লিখাঁ —**

(১) ধ্বনিবিজ্ঞান কাক বোলে ? ধ্বনিবিজ্ঞানে কি কি বিষয় সামৰি লয় ?

(২) ধ্বনিবিজ্ঞানৰ ভাগ কেইটা উল্লেখ কৰি, যি কোনো এটা ভাগৰ বিষয়ে চমুকৈ লিখাঁ।

(৩) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ সম্পৰ্ক থোৰতে লিখাঁ।

(৪) ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞানৰ পাৰ্থক্য নিৰূপণ কৰাঁ।

(গ) **বহলাই আলোচনা কৰা।**

(১) ধ্বনিবিজ্ঞানৰ ভাগ কেইটা আৰু কি কি ? প্ৰত্যেকটো ভাগৰ বিষয়ে চমুকৈ লিখাঁ।

(২) ভাষা এটাৰ অধ্যয়নত ধ্বনিতত্ত্ব, ধ্বনিবিজ্ঞান আৰু বৰ্ণবিজ্ঞান এই কেইটাৰ ভিতৰত কোনটোৰ ব্যৱহাৰিক প্ৰয়োজনীয়তা বেছিকৈ উপলব্ধি কৰা হয় বা ভাষা এটাৰ স্বকীয়তা নিৰূপণত কোনটোৰ প্ৰয়োজনীয়তা অধিক। যুক্তিৰে বিচাৰ কৰাঁ।

(৩) ধ্বনিবিজ্ঞান বুলিলে কি বুজা ? ধ্বনিবিজ্ঞানক ভাষাবিজ্ঞানৰ মূল ভেটি স্বৰূপ বুলি ক'ব পাৰি —যুক্তিৰে বুজাই লিখাঁ।

(৪) ধ্বনিতত্ত্ব, বৰ্ণবিজ্ঞান আৰু ধ্বনিবিজ্ঞানৰ সম্পৰ্ক আৰু পাৰ্থক্য বুজাই লিখাঁ।

*****

## খণ্ড ৩

## গোট ২ ঃ ৰূপতত্ত্ব, ৰূপবিজ্ঞান আৰু বাক্যতত্ত্বৰ সাধাৰণ ধাৰণা
## (General idea of Morphology, Morphemics and Syntax)

**গঠন**


২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ ৰূপতত্ত্ব আৰু ৰূপবিজ্ঞান

২.২.১ ৰূপতত্ত্ব আৰু ৰূপবিজ্ঞান কি ?

২.২.২ আকৃতি, প্ৰকৃতি আৰু উপাকৃতি

২.৩ বাক্যতত্ত্ব

২.৩.১ বাক্যতত্ত্ব আৰু বাক্যতত্ত্বৰ পৰিসৰ

২.৪ সাৰাংশ


**২.০ উদ্দেশ্য ঃ**

এই গোটটি পঢ়াৰ পাছত তোমালোকে—

- ৰূপতত্ত্ব আৰু ৰূপবিজ্ঞানৰ কাম সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- ৰূপ বা আকৃতিৰ প্ৰকাৰ সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- ৰূপতত্ত্বই সামৰি লোৱা দিশ সম্পৰ্কে অধ্যয়ন কৰিব পাৰিবা।
- বাক্যতত্ত্বৰ পৰিসৰ আৰু প্ৰকাৰভেদ সম্পৰ্কে আলোচনা কৰিব

পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

আগৰ গোটটিত ভাষাবিজ্ঞানৰ বিভাগ ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব আৰু বৰ্ণবিজ্ঞান সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল। এই গোটটিত ৰূপবিজ্ঞান, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু বাক্যতত্ত্বই সামৰি লোৱা বিভিন্ন দিশ সম্পৰ্কে বহলাই আলোচনা কৰা হ'ব। এক বা ততোধিক ধ্বনি মিলাই এটা শব্দ সৃষ্টি কৰা হয়। আমি যেতিয়া কথা কওঁ, তেতিয়া এনেধৰণৰ একাধিক শব্দ ব্যৱহাৰ কৰোঁ আৰু এই শব্দবোৰৰ লগত নানা বিভক্তি, প্ৰত্যয় যোগ কৰি নতুন নতুন অৰ্থবাচক শব্দ সৃষ্টি কৰি লওঁ। এই গোটটিত এই শব্দ অৰ্থাৎ অৰ্থবহ ৰূপসমূহ কেনেদৰে সৃষ্টি কৰা হয়, বাক্যত ব্যৱহৃত এনে ৰূপসমূহক ভাষাবৈজ্ঞানিক পদ্ধতিৰে চালিজাৰি চাই কেনেদৰে খণ্ডিত কৰিব পাৰি, এনেবোৰ কথাকে আলোচনা কৰা হ'ব। তদুপৰি ৰূপবোৰৰ সংযোগত কেনেদৰে একোটা অৰ্থবহ বাক্য সৃষ্টি কৰিব পাৰি, বাক্যৰ ৰূপান্তৰ আৰু বাক্যৰ প্ৰকাৰভেদ সম্পৰ্কেও ইয়াত আলোচনা কৰিবলৈ লোৱা হৈছে।

## ২.২ ৰূপতত্ত্ব আৰু ৰূপবিজ্ঞান ঃ

### ২.২.১ ৰূপবিজ্ঞান (Morphemics)

ভাষাবিজ্ঞানৰ যিটো শাখাত কোনো এটা ভাষাৰ ৰূপ বা আকৃতি সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা হয় সেই শাখাটোক ৰূপবিজ্ঞান (Morphemics) বোলা হয়। ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহৰ সংযোগত হোৱা ৰূপ সৃষ্টি আৰু বিভিন্ন ৰূপৰ সংযোগত হোৱা বাক্য সৃষ্টিৰ প্ৰক্ৰিয়ালৈকে ৰূপবিজ্ঞানৰ সহায়ত বিচাৰ-বিশ্লেষণ কৰা হয়। মুঠতে ভাষাসমূহৰ বা কোনো এটা ভাষাৰ ব্যাকৰণগত বিষয়সমূহ ৰূপবিজ্ঞানত অধ্যয়ন কৰা হয়।

### ২.২.২ ৰূপতত্ত্ব (Morphology)

ভাষা অধ্যয়নৰ অন্যতম স্তৰ হৈছে 'ৰূপতত্ত্ব'। ভাষাবিজ্ঞানৰ এই স্তৰত ভাষাৰ ব্যাকৰণগত একক (units) সমূহৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা হয়। ভাষাত ব্যৱহৃত ৰূপসমূহৰ বিশ্লেষণ অৰ্থাৎ শব্দ গঠন আৰু পদসাধনৰ পৰ্যালোচনা ৰূপতত্ত্বত কৰা হয়। ব্লুমফিল্ডৰ মতে— **'ভাষাৰ অঙ্গবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধ ৰূপবোৰৰ আলোচনাই হৈছে ৰূপতত্ত্ব'**। নিদাৰ ভাষাত-— **শব্দ আৰু শব্দাংশ গঠনত প্ৰকৃতি আৰু প্ৰাকৃতিবোৰৰ প্ৰয়োগ সম্পৰ্কে**

**অধ্যয়নেই হৈছে 'ৰূপতত্ত্ব'।**

এটা বা এটাতকৈ অধিক ধ্বনি সংযোগ ঘটাই অর্থ প্রকাশক এটা ৰূপ সৃষ্টি কৰা হয়। কিন্তু প্রত্যেক ভাষাতে ৰূপগঠন বা শব্দগঠন পদ্ধতি ইমান বেলেগ যে, বিশেষ এটা নিয়ম বা পদ্ধতিৰে ইয়াৰ বিশ্লেষণ কৰা অতি জটিল। কিছুমান ভাষাত বদ্ধৰূপবোৰ মূলৰূপৰ আগত যোগ হয়। ভাষাবিশেষে এই বদ্ধৰূপবোৰ মূলৰূপৰ সৈতে এনেদৰে সংযোগ হৈ থাকে যে তাক সহজে বাচি উলিওৱা কঠিন হৈ পৰে। আনহাতে কিছুমান ভাষাৰ প্রত্যয়বোৰৰ সংযোগ অতি স্পষ্টৰূপত পোৱা নাযায়। ভাষা এটাৰ বৈয়াকৰণিক ৰূপ যেনে– উপসর্গ (prefix), পৰসর্গ (suffix), অন্তঃসর্গ (infix) এইবোৰে শব্দ গঠনত আৰু পদ সাধনত কেনেদৰে কার্য সাধন কৰে, নাম পদৰ লিঙ্গ, বচন, পুৰুষ আদি কেনেকৈ নির্ণয় কৰা হয়, এইবোৰে শব্দৰ গঠনত কেনে পৰিবর্তন সাধন কৰে, এই সকলোবোৰ বৈয়াকৰণিক দিশৰ বিস্তৃত আলোচনা ৰূপতত্ত্বত আগবঢ়োৱা হয়।

ভাষাৰ ৰূপতাত্ত্বিক গঠন (Morphological structure)ৰ আলোচনাত আকৃতি (Morph), প্রাকৃতি (Morpheme), উপাকৃতি (Allomoph) আদি সম্পর্কেও বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হয়।

**আত্মমূল্যায়ন ১ ঃ**

**ৰূপতত্ত্বৰ আলোচনাই কি কি বিষয় সামৰি লয় ?**

___________________________________________

___________________________________________

___________________________________________

___________________________________________

___________________________________________

___________________________________________

___________________________________________

___________________________________________

___________________________________________

___________________________________________

## ২.২.২ আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি ঃ

### আকৃতি (Morph)

এক বা একাধিক বৰ্ণৰে ৰূপ বা আকৃতি গঠিত হয়। বাক্যত ব্যৱহৃত পদসমূহক খণ্ডিত কৰি আকৃতিসমূহ বাচি উলিওৱা হয়। এই পদসমূহত একাধিক ৰূপ নিহিত হৈ থাকে আৰু প্ৰতিটো পদক অৰ্থৰ প্ৰতি দৃষ্টি ৰাখি একাধিক খণ্ডত বিভাজন কৰা হয়। উদাহৰণস্বৰূপে– খেতিয়কজন আহিছে, এই বাক্যটোত– খেত+ই+অক+জন = খেতিয়কজন, আহ+ইছ+এ=আহিছে, এনেদৰে সৰু সৰু ৰূপত খণ্ডিত কৰিব পাৰি। এনে ক্ষুদ্ৰতম বিভাজিত খণ্ডবোৰকে **'ৰূপ'** বা **'আকৃতি'** বোলা হয়।

### প্ৰাকৃতি (Morpheme), উপাকৃতি (Allomorph)

ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক হৈছে 'প্ৰাকৃতি'। ভাষাবিদ নিদাই প্ৰাকৃতিৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে– Morpheme are the minimal meaningful units, which may constitute words or parts of words. কোনো এটা ভাষাৰ এক বা একাধিক বৰ্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিচাৰ কৰি একে ধ্বনিযুক্ত আৰু অৰ্থবহ ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। এনে এক বা একাধিক বৰ্ণৰে নিৰ্মিত ক্ষুদ্ৰতম অৰ্থবহ গোটক **'প্ৰাকৃতি'** বোলা হয়। উদাহৰণ স্বৰূপে - ইংৰাজী cups, boys, glasses, knives এই শব্দ কেইটা খণ্ডিত কৰিলে cup+s, boy+s, glass+es, knife+es এনে ধৰণে কৰিব পাৰি। ইয়াত cup, boy, glass, knife প্ৰত্যেকেই একাধিক বৰ্ণৰে নিৰ্মিত একোটাহঁত গোট আৰু অৰ্থবহ সেয়েহে ইহঁত প্ৰত্যেকেই একোটাহঁত প্ৰাকৃতি। আনহাতে s, es এই দুটা বেলেগ বেলেগ বৰ্ণৰে নিৰ্মিত গোট, কিন্তু ইহঁতৰ ধ্বনিগত দিশত অমিল যদিও অৰ্থগত দিশত মিল আছে। সেয়েহে এই দুটাক এটা গোটত ধৰি লৈ /s/ প্ৰাকৃতি বোলা হয়। ইহঁতৰ [s, es] এটা দুটা ৰূপৰ প্ৰাকৃতি /s/ হ'ব আৰু উপাকৃতি [s, es] হ'ব। এনেদৰে একোটা গোটত অন্তৰ্ভুক্ত হৈ থকা ৰূপবোৰকে সেই প্ৰাকৃতিটোৰ **'উপাকৃতি'** (allomorph) বোলা হয়।

প্ৰাকৃতিসমূহক দুটা ভাগত ভাক কৰা হৈছে– মুক্ত ৰূপ বা প্ৰাকৃতি (free Morpheme) আৰু বদ্ধ ৰূপ বা যুক্ত প্ৰাকৃতি (bound Morpheme)।

**মুক্ত ৰূপ ঃ**

এক বা একাধিক বৰ্ণৰে গঠিত যিবোৰ ৰূপ বা প্ৰাকৃতিৰ অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা আছে, সেইবোৰক মুক্ত ৰূপ বা মুক্ত প্ৰাকৃতি বোলা হয়। যেনে– ম'হ, গছ, বন, √কৰ, √খা, মানুহ ইত্যাদি।

**বদ্ধ ৰূপ ঃ**

এক বা একাধিক বৰ্ণৰে গঠিত কিছুমান ৰূপ অকলে উল্লেখ কৰিলে সিহঁতৰ নিজস্ব অৰ্থ প্ৰকাশ নাপায়। কোনো মুক্ত ৰূপৰ আগত বা পাছত বা মাজত বহি নাইবা এক বা একাধিক ৰূপ বা প্ৰাকৃতিৰ লগত সংযুক্ত হৈ অৰ্থ প্ৰকাশ কৰিব পাৰে। এনে স্বাধীনভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰা ৰূপবোৰক বদ্ধ ৰূপ বা যুক্ত প্ৰাকৃতি বোলা হয়। যেনে– ঘৰটোৰ পৰা ৰাম আহিছে। ইয়াৰ ঘৰ–টো–ৰ–পৰা এই আকৃতি বা ৰূপকেইটাৰ 'ঘৰ' হ'ব মুক্ত ৰূপ আৰু টো–ৰ–পৰা এই তিনিটা হ'ব বদ্ধৰূপ। ঠিক তেনেদৰে আহিছে – আহ+ইছ+এ, এই কেইটাৰ, আহ মুক্ত ৰূপ –ইছ আৰু –এ এই দুটা বদ্ধ ৰূপ।

**আত্মমূল্যায়ন ২ ঃ**

**আকৃতি, প্ৰাকৃতি, উপাকৃতি বুলিলে কি বুজা ?**

---

---

---

---

---

---

---

---

---

---

## ২.৩ বাক্যতত্ত্ব (Syntax)

মনৰ ভাৱ প্ৰকাশ কৰিবলৈ বাগিন্দ্ৰিয়ৰ দ্বাৰা কিছুমান ধ্বনি উচ্চাৰণ কৰা হয় আৰু এই উচ্চাৰিত ধ্বনি সমষ্টিৰ সহায়ত শব্দ সৃষ্টি কৰা হয়। এই শব্দবোৰক ব্যাকৰণগতভাৱে এক বিশেষ ক্ৰমত সজায় বাক্য সৃষ্টি কৰা হয়। এনেদৰে গঠন হোৱা বাক্যৰ সহায়ত মানুহে মনৰ ভাৱ প্ৰকাশ কৰে। বাক্যই ভাষাৰ শেষ পৰ্য্যায় অৰ্থাৎ বাক্যই হৈছে এটা ভাষাৰ চানেকি (sentence is a design of Language)।

'বাক্যতত্ত্ব' হৈছে বাক্যৰ প্ৰণালীবদ্ধ বিশ্লেষণ। ইয়াক চমুকৈ বাক্য গঠনৰ বিজ্ঞানসন্মত বিশ্লেষণ বুলিব পাৰি।

**বাক্যতত্ত্বৰ পৰিসৰ ঃ**

বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ হৈছে **'Syntax'**। 'Syntax' গ্ৰীক ভাষাৰ শব্দ। 'syn' মানে 'together'; taxis মানে 'an arranging'। থোৰতে ইয়াক 'প্ৰণালীবদ্ধ গাঁথনি' (systematic arrangement or putting together) বুলি ক'ব পাৰি। পৃথিবীৰ প্ৰত্যেক ভাষাৰ ৰূপগঠন আৰু বাক্যগঠন প্ৰণালী সুকীয়া সুকীয়া। বিশেষ এটা ভাষাৰ বাক্যত অন্তৰ্নিহিত হৈ থকা বিভিন্ন উপাদানসমূহ অৰ্থাৎ ব্যাকৰণৰ দিশসমূহ ৰূপতত্ত্বৰ সহায়ত আলোচনা কৰা হয়। চমুকৈ ক'বলৈ গ'লে, ৰূপতত্ত্বৰ সহায়ত শব্দগঠন আৰু পদগঠনৰ আভ্যন্তৰীণ বা ভিতৰুৱা প্ৰক্ৰিয়াৰ আলোচনা আগবঢ়োৱা হয়, কিন্তু বাক্যতত্ত্বত বিভক্তি, প্ৰত্যয় সংযোগত সৃষ্টি হোৱা বিভিন্ন শব্দ আৰু পদৰ মাজত থকা বাহ্যিক সম্বন্ধ আলোচনা কৰা হয়। মুঠতে বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সংযোগ, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ ৰূপান্তৰ, বাক্যৰ প্ৰকাৰ, বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অঙ্গ বিচাৰ (Immediate constituent Analysis) আদি বিভিন্ন দিশবোৰ সামৰা হয়।

**আত্মমূল্যায়ন ৩ ঃ**

**বাক্যতত্ত্বই কি কি বিষয় সামৰি লয় ?**

____________________

____________________

____________________

____________________

## ২.৪ সাৰাংশ ঃ

- ভাষাৰ ৰূপতত্ত্বৰ আলোচনাই সাধাৰণতে ভাষাটোৰ আকৃতি, প্ৰাকৃতি, উপাকৃতি আৰু এইবোৰৰ বিভাজন, নিৰ্ণয়, প্ৰয়োগ-বিশ্লেষণ আদি সামৰি লয়। তদুপৰি ব্যাকৰণগত বিষয়সমূহক সামৰি লয়।
- ৰূপসমূহৰ ভিতৰত মুক্ত ৰূপতকৈ বদ্ধৰূপবোৰকহে ৰূপতত্ত্বৰ প্ৰধান আলোচ্য বিষয়ৰূপে গণ্য কৰা হয়। আচলতে শব্দ গঠন আৰু পদ গঠনত এই বদ্ধৰূপবোৰৰ ভূমিকা কেনে এনেবোৰ কথাহে ৰূপতত্ত্বত প্ৰধানকৈ আলোচনা কৰা হয়।
- বাক্যতত্ত্বৰ পৰিসৰ অতি ব্যাপক।
- পৰম্পৰাগত ব্যাকৰণত বাক্যৰ প্ৰকাৰভেদ, বাক্যৰ গঠন, বাক্যৰ সম্প্ৰসাৰণ, আৰু বাক্যৰ ৰূপান্তৰকৰণক সামৰা হৈছিল। কিন্তু বৰ্তমান বাক্যতত্ত্বৰ আলোচনাত বাক্যৰ গাঁথনিৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণ আগবঢ়োৱা হয়।
- বাক্যতত্ত্বৰ আলোচনাত অৰ্থৰ দিশটোও সামৰা হয়।
- বাক্যতত্ত্বৰ আলোচনাই বাক্ বিন্যাস বা কথাবিন্যাস (discourse analysis)ৰ পৰিধিকো সামৰি লৈছে।

বাক্যতত্ত্বৰ আলোচনাত বাক্যক ভিন্ন দিশৰ পৰা শ্ৰেণীবিভাগ কৰি আলোচনা কৰা হয়। বিশেষকৈ বাক্যৰ শ্ৰেণীবিভাগ চাৰিটা দিশৰ পৰা কৰিব পাৰি। এই কেইটা থোৰতে উনুকিওৱা হৈছে–

- বাক্যৰ গাঁথনিক দিশৰ পৰা।
- অৰ্থৰ দিশৰ পৰা।
- বাক্যত ক্ৰিয়াই প্ৰকাশ কৰা ভাবৰ দিশৰ পৰা।
- বাক্যত কৰ্তা, কৰ্ম অথবা ক্ৰিয়াই লাভ কৰা প্ৰাধান্যৰ দিশৰ পৰা।

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ১ ঃ**

ৰূপতত্ত্বত ভাষাত ব্যৱহৃত ৰূপসমূহৰ পৰ্যালোচনা কৰা হয়। বিশেষকৈ ৰূপতত্ত্বৰ সহায়ত শব্দগঠন আৰু পদসাধনৰ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়।

এটা বা ততোধিক ধ্বনিৰ সংযোগত অৰ্থ প্ৰকাশক একোটা ৰূপ সৃষ্টি কৰা হয়। এই ৰূপৰ লগত আৰু কিছুমান আগে-পাছে ৰূপ লগাই বা সংযোগ কৰি নতুন নতুন ৰূপ সৃষ্টি কৰা হয়। এই ৰূপসমূহৰ সংযোগ প্ৰণালীৰ বিষয়ে ৰূপতত্ত্বত আলোচনা কৰা হয়। অৰ্থাৎ ভাষা একোটাৰ বৈয়াকৰণিক ৰূপ, যেনে– উপসৰ্গ, পৰসৰ্গ, অন্তঃসৰ্গ আদিয়ে শব্দগঠন আৰু পদসাধনত কেনেদৰে কাৰ্য সাধন কৰে; ভাষা বিশেষত লিঙ্গ, বচন, কাৰক আদি কেনেদৰে নিৰ্ণয় কৰা হয় এনেবোৰ কথাকেই ৰূপতত্ত্বৰ আলোচনাই সামৰি লয়।

**আত্মমূল্যায়ন ২ ঃ**

**আকৃতি ঃ** ভাষাত ব্যৱহৃত ৰূপবোৰক খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতি বাচি উলিওৱা হয়। বাক্যত ব্যৱহৃত পদবোৰত এক বা ততোধিক ৰূপ পোৱা যায়। এই ৰূপবোৰকে আকৃতি বোলা হয়। উদাহৰণস্বৰূপে, ৰামে কালি গুৱাহাটীলৈ যাব। এই বাক্যটো খণ্ডিত কৰিলে ৰাম + এ, কালি + লৈ, গুৱাহাটী + লৈ, যা + ব + অ, এনেদৰে অৰ্থবাচক ৰূপবোৰ খণ্ডিত কৰা হয়। ৰূপতত্ত্বৰ আলোচনাৰ এই প্ৰত্যেকটো ৰূপেই একোটাহঁত আকৃতি।

**প্ৰাকৃতি ঃ** এক বা একাধিক বৰ্ণৰে গঠিত এক ক্ষুদ্ৰতম অৰ্থযুক্ত একক ৰূপক প্ৰাকৃতি বোলা হয়। আকৃতিৰ পৰাই প্ৰাকৃতি আৰু উপাকৃতি নিৰ্ণয় কৰা হয়। এক বা একাধিক বৰ্ণৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিচাৰ কৰি একে ধ্বনিযুক্ত আৰু অৰ্থবহ ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। এনে এক বা একাধিক বৰ্ণৰে নিৰ্মিত ক্ষুদ্ৰতম অৰ্থবহ গোটক প্ৰাকৃতি বোলা হয়। উদাহৰণস্বৰূপে, খেতিয়কজন পথাৰলৈ গৈছে; এই বাক্যটোৰ খেতিয়কজন পদটো খণ্ডিত কৰিলে– খেত + ই + অক +

জন এই চাৰিটা ৰূপ বা আকৃতি পোৱা যায়। এই আকৃতি কেইটাৰ মূল ৰূপ হৈছে 'খেত' অৰ্থাৎ ই মুক্ত প্ৰাকৃতি, আনহাতে 'ই' তদ্ধিত প্ৰত্যয়, 'অক' তদ্ধিত প্ৰত্যয় আৰু 'জন' নিৰ্দিষ্টতাবাচক প্ৰত্যয়। এই প্ৰত্যেকটো আকৃতিয়ে নিৰ্দিষ্ট অৰ্থৰ সূচনা কৰিছে, এই চাৰিটা ৰূপ বা আকৃতি প্ৰতিটোৱে একোটাহঁত প্ৰাকৃতি।

**উপাকৃতি ঃ** আকৃতিবোৰক একোটা গোটত অন্তৰ্ভুক্ত কৰি একোটা প্ৰাকৃতি নিৰ্ণয় কৰা হয়। প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে আকৃতিবোৰ সেই প্ৰাকৃতিটোৰ উপাকৃতি ৰূপে চিহ্নিত হয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত নাখাওঁ, নিকিনো, নকওঁ, নোৱাৰো আদি নঞাৰ্থক ৰূপ পোৱা যায়। এই নঞাৰ্থক ৰূপবোৰ খণ্ডিত কৰিলে না-খাওঁ, নি-কিনো, ন-কওঁ, নো-ৱাৰো আদি ৰূপ পোৱা যায়। ইয়াত নেতিবাচক বুজাবলৈ ক্ৰিয়াৰূপৰ আগত [না–, ন–, নি-, নো–] এই চাৰিটা ভিন্ ভিন্ আকৃতি ব্যৱহাৰ কৰা হৈছে। ইহঁতৰ প্ৰত্যেকৰে ধ্বনিগত সাদৃশ্য নাই কিন্তু অৰ্থগত সাদৃশ্য আছে। কিন্তু ইহঁতৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট আৰু পৰিপূৰক। গতিকে এই চাৰিটা আকৃতিক এটা গোটত ধৰিব পৰা যায়, তেনেহ'লে এই গোটটোৰ নাম হ'ব /ন-/ প্ৰাকৃতি। এই /ন-/ প্ৰাকৃতিটোৰ উপাকৃতি হ'ব [না–, ন–, নি--, নো–]।

**আত্মমূল্যায়ন ৩ ঃ**

'বাক্যতত্ত্ব' হৈছে বাক্যৰ প্ৰণালীবদ্ধ বিশ্লেষণ। বাক্যতত্ত্বৰ পৰিসৰ অতি ব্যাপক। বাক্যতত্ত্বৰ সহায়ত বাক্যৰ প্ৰকাৰভেদ, বাক্যৰ গঠন, বাক্যৰ সম্প্ৰসাৰণ বা সংকোচন, বাক্যৰ ৰূপান্তৰকৰণ আদি দিশ অধ্যয়ন কৰাৰ উপৰিও বাক্যৰ গাঁথনি সূক্ষ্মাতিসূক্ষ্মৰূপ বিশ্লেষণ কৰা হয়। ইয়াত বাক্যৰ অন্তৰ্নিহিত সূৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অঙ্গ বিচাৰ আদিও বিচাৰ কৰা হয়। তদুপৰি বাক্যতত্ত্বৰ আলোচনাই বাক্‌বিন্যাস বা কথাবিন্যাস (discourse analysis)ৰ পৰিধিকো সামৰি লয়।

## অনুশীলনী–২

**(ক) চমু উত্তৰ দিয়া।**

(১) 'ৰূপতত্ত্ব'ৰ আলোচনা বিষয়ক ইংৰাজী ভাষাৰ এখন গ্ৰন্থৰ নাম লিখাঁ। লিখকজনৰ নামো উল্লেখ কৰিবা।

(২) নোয়ম চমস্কিৰে লিখা বাক্যতত্ত্ব সম্পৰ্কীয় দুখন গ্ৰন্থৰ নাম লিখাঁ।

(৩) লিওনাৰ্ড ব্লুমফিল্ডে লিখা এখন গ্ৰন্থৰ নাম লিখাঁ।

(৪) ৰূপান্তৰ স্ৰেস্কাট ব্যাকৰণ (Transformetional Generative Grammer)ক কি বুলি কোৱা হয়?

**(খ) চমুকৈ লিখা ঃ**

(১) বাক্যক কি কি প্ৰকাৰে শ্ৰেণীবিভাগ কৰিব পাৰি – উল্লেখ কৰাঁ।

**(গ) বহলাই লিখাঁ—**

(১) আকৃতি বা ৰূপ বুলিলে কি বুজা ? এই ৰূপসমূহক কি কি প্ৰকাৰে ভাগ কৰিব পাৰি? প্ৰত্যেক বিধ ৰূপৰ প্ৰকাৰ সম্পৰ্কে অসমীয়া ভাষাৰ পৰা উদাহৰণ দাঙি ধৰি আলোচনা কৰাঁ।

(২) ভাষাৰ বিজ্ঞানসন্মত আলোচনাত ৰূপতত্ত্ব আৰু বাক্যতত্ত্বৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাঁ।

(৩) বাক্যক কি কি সূত্ৰে ভাগ কৰিব পাৰি ? অসমীয়া বাক্যৰ শ্ৰেণীবিভাগ কৰি দেখুওৱা আৰু প্ৰতিটো ভাগৰে উদাহৰণ দাঙি ধৰিবা।

(৪) মুক্ত ৰূপ আৰু বদ্ধৰূপ কাক বোলে ? অসমীয়া ভাষাৰ পৰা মুক্ত ৰূপ আৰু বদ্ধৰূপৰ উদাহৰণ দাঙি ধৰি এটি চমু আলোচনা যুগুত কৰাঁ।

**(ঘ) চমু টোকা লিখাঁ—**

(ক) ৰূপতত্ত্ব আৰু ৰূপবিজ্ঞান।

(খ) বাক্যতত্ত্ব।

(গ) প্ৰাকৃতি আৰু উপাকৃতি।

(ঘ) বাক্যৰ উপাদান।

***অধিক অধ্যয়নৰ বাবে প্ৰসঙ্গপুথি ঃ***

১. ভাষাৰ ইতিবৃত্ত ঃ ড০ ভীমকান্ত বৰুৱা

২. ভাষা-বিজ্ঞান উপক্ৰমণিকা ঃ ড০ অৰ্পণা কোঁৱৰ

৩. ভাষাবিজ্ঞানৰ ভূমিকা ঃ ড০ ৰমেশ পাঠক

*****

# খণ্ড ৪
# ভাষাৰ বৰ্গীকৰণ (Language Classification)

**গোট ১ ঃ ভাষাৰ শ্ৰেণীবিভাগ, পৃথিবীৰ ভাষা পৰিয়াল।**

**গোট ২ ঃ ইন্দো ইউৰোপীয় ভাষা পৰিয়াল, ভাৰতৰ ভাষা পৰিয়াল, চীন-তিব্বতীয় ভাষা পৰিয়াল।**

**প্ৰস্তাৱনা ঃ**

পৃথিৱীত অজস্ৰ ভাষা আছে। এই ভাষাসমূহৰ আলোচনা কৰিবলৈ হ'লে কিবা নহয় কিবা ধৰণে বৰ্গীকৰণ কৰিবই লাগিব। ভাষাসমূহক কেতিয়াবা ভৌগোলিকভাৱে, কেতিয়াবা পৰিয়ালৰ দিশৰ পৰা আৰু কেতিয়াবা আকৃতি দিশৰ পৰা বিভাজন কৰিব পাৰি। এই খণ্ডটিত পৃথিৱীৰ ভাষাসমূহক কেনেধৰণে বৰ্গীকৰণ কৰিলে আলোচনা কৰিবলৈ সুবিধা হ'ব, কোনটো বৰ্গীকৰণ বেছি বিজ্ঞানসন্মত এনে কথাবোৰ আলোচনা কৰা হৈছে। এই খণ্ডটিৰ প্ৰথম গোটত বৰ্গীকৰণৰ বিভিন্ন প্ৰক্ৰিয়াসমূহৰ বিষয়ে জানিব পাৰিবা।

দ্বিতীয় গোটত পৃথিৱীৰ ভাষা পৰিয়ালসমূহৰ বিষয়ে বিশেষকৈ ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল, ভাৰতৰ ভাষা পৰিয়াল আৰু চীন-তিব্বতীয় ভাষা পৰিয়ালৰ সম্পৰ্কে একোটাহঁত পৰিচয়সূচক টোকা দাঙি ধৰা হ'ব।

# গোট ১ ঃ ভাষাৰ শ্ৰেণীবিভাগ, পৃথিবীৰ ভাষা পৰিয়াল

**গঠন**

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ ভাষাৰ বৰ্গীকৰণ

১.২.১ ভাষাৰ বৰ্গীকৰণৰ বিভিন্ন প্ৰক্ৰিয়া

১.২.২ আকৃতিমূলক আৰু পাৰিবাৰিক বৰ্গীকৰণ

১.২.৩ আকৃতিমূলক বৰ্গীকৰণ পদ্ধতিৰ চমু আলোচনা

১.৩ পৃথিবীৰ ভাষা পৰিয়াল

১.৪ অবৰ্গীকৃত শ্ৰেণীৰ ভাষাসমূহ

১.৫ সাৰাংশ

**১.০ উদ্দেশ্য ঃ**

- ভাষাৰ বৰ্গীকৰণৰ বিভিন্ন প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- ভাষাৰ বৰ্গীকৰণ প্ৰক্ৰিয়াৰ কোনটো বৰ্গীকৰণ বেছি বিজ্ঞানসন্মত তাক যুক্তিৰে বিচাৰ কৰিব পাৰিবা।
- পৃথিবীৰ ভাষা পৰিয়ালসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- পৰিয়ালভুক্ত কৰিব নোৱাৰা ভাষাসমূহক অবৰ্গীকৃত শ্ৰেণীত ধৰি লৈ এইবোৰৰ পৰিচয় দাঙি ধৰিব পাৰিবা।

## ১.১ প্ৰস্তাৱনা ঃ

আগৰ খণ্ডকেইটিত তোমালোকে ভাষা আৰু ভাষাবিজ্ঞানৰ আনুষঙ্গিক কথাবোৰৰ বিষয়ে জানিলা। ভাষাবিজ্ঞানসন্মত অধ্যয়ন সম্পৰ্কেও নিশ্চয় বহুখিনি কথা শিকিলা। এতিয়া এই গোটটিত তোমালোকক ভাষাৰ বৰ্গীকৰণ কেনেদৰে কৰা হয়, কিয় কৰা হয় আৰু লগতে পৃথিবীৰ ভাষাসমূহৰ বিষয়ে ক'বলৈ ওলাইছোঁ। এই আলোচনাৰ পৰা তোমালোকে পৃথিবীত কিমান ভাষা আছে এই সম্পৰ্কে ধাৰণা কৰিব পাৰিবা। প্ৰত্যেকটো ভাষাৰ ৰূপ যে সুকীয়া সুকীয়া এইটোও ধাৰণা কৰিব পাৰিবা।

পৃথিবীত অজস্ৰ ভাষা আছে। এই ভাষাবোৰক শৃঙ্খলালৈ আনিবৰ বাবে ভাষাবিজ্ঞানীসকলে বহু আগৰে পৰা যত্ন কৰি আহিছে। বহু চিন্তা-চৰ্চাৰ ফলত বৰ্গীকৰণৰ কিছুমান প্ৰক্ৰিয়া ঠিক কৰিছে যদিও সকলোবোৰ বৰ্গীকৰণ প্ৰক্ৰিয়াক বিজ্ঞানসন্মত বুলি ধৰিব নোৱাৰি। ভাষাসমূহৰ ভৌগোলিক অৱস্থান অনুসৰি অথবা একে মূলৰ পৰা উদ্ভৱ হোৱা ভাষাসমূহক শ্ৰেণীভুক্ত কৰিবলৈ যত্ন কৰা হৈছে যদিও এনে বৰ্গীকৰণে ভাষাবোৰৰ মাজত শৃঙ্খলা আনিব পৰা নাই। সেয়েহে ভাষাবোৰৰ আভ্যন্তৰীণ গঠনৰ ভিত্তিত অৰ্থাৎ ধ্বনিৰচনা, ৰূপ ৰচনা, বাক্য ৰচনাৰ ওপৰত ভিত্তি কৰি ভাষাৰ বৰ্গীকৰণ কৰা হয়। এনেধৰণৰ বৰ্গীকৰণেহে ভাষাবোৰক শৃঙ্খলালৈ আনিব পাৰিছে। এতিয়া তোমালোকৰ আগত ভাষাৰ বৰ্গীকৰণ কি ? বৰ্গীকৰণৰ বিভিন্ন প্ৰক্ৰিয়া, পৃথিবীৰ ভাষাসমূহৰ শ্ৰেণীবিভাজন, ভাষাসমূহৰ পৰিচয় দাঙি ধৰিবলৈ ওলাইছোঁ।

## ১.২ ভাষাৰ বৰ্গীকৰণ ঃ

সমগ্ৰ পৃথিবীত ভালেসংখ্যক ভাষা পোৱা যায়। এই ভাষাবিলাকৰ সৰহ ভাগেই পৰস্পৰ দুৰ্বোধ্য। এই ভিন্ন ভাষাবিলাকক কেতিয়াবা ভৌগোলিক দিশৰ পৰা, কেতিয়াবা পৰিয়ালৰ দিশৰ পৰা আৰু কেতিয়াবা আকৃতিৰ দিশৰ পৰা শ্ৰেণী বিভাজন কৰিব পাৰি। এই শ্ৰেণীবিভাজন প্ৰক্ৰিয়াকেই **'ভাষাৰ বৰ্গীকৰণ'** বুলি কোৱা হয়।

### ১.২.১ ভাষাৰ বৰ্গীকৰণৰ বিভিন্ন প্ৰক্ৰিয়া ঃ

ভাষাৰ বৰ্গীকৰণ কৰোঁতে তলত দিয়া পদ্ধতি কেইটা অনুসৰণ কৰা হয়।

(ক) ভৌগোলিক অৱস্থান অনুসৰি ঃ জাপানী ভাষা, চীনৰ ভাষা, এচিয়াৰ ভাষা ইত্যাদি এনেদৰে কৰা বৰ্গীকৰণ।

(খ) পৰিয়াল অনুসৰি : একে বংশোদ্ভৱ ভাষাসমূহক একে একে পৰিয়ালৰ ভুক্ত কৰি কৰা আলোচনা।

(গ) ভাষাৰ আকৃতি অনুসৰি : প্ৰত্যয়-বিভক্তিযুক্ত, বিভক্তিহীন আদি ধৰণে কৰা আলোচনা।

ভৌগোলিক অৱস্থান অনুসৰি ভাষাসমূহক বৰ্গীকৰণ কৰিবলৈ যত্ন কৰা হৈছে যদিও এই বৰ্গীকৰণক বিজ্ঞানসন্মত বৰ্গীকৰণৰ শাৰীত ধৰিব নোৱাৰি। বৰ্তমান **আকৃতিমূলক বৰ্গীকৰণ** (Typological classification) আৰু **বংশানুযায়ী বা পাৰিবাৰিক বৰ্গীকৰণ** (Geneological classification) এই দুটা বৰ্গীকৰণক ভাষাবিজ্ঞানীসকলে মানি লৈছে।


## ১.২.২ পাৰিবাৰিক বৰ্গীকৰণ বা বংশানুযায়ী বৰ্গীকৰণ ঃ

ভাষা এটাৰ প্ৰাচীন ইতিহাস বিচাৰি আগলৈ উজাই গৈ থাকিলে সেই ভাষাটোৰ জন্ম লগ্নত বিভিন্ন ভাষা জড়িত হৈ থকাৰ প্ৰমাণ পোৱা যায়। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাৰ জন্মৰ ইতিহাস বিচাৰি গৈ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰ পোৱা যায়। এই ভাষাৰ পৰা আগলৈ উজাই গৈ থাকিলে গ্ৰীক, লেটিন আদি ভাষাসমূহৰ লগত সংস্কৃতৰ বহুতো মিল থকা দেখিবলৈ পোৱা যায়। যাৰ ফলস্বৰূপে ভাৰত আৰু ইউৰোপীয় ভাষাসমূহৰ মাজত যোগসূত্ৰ থকা ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালবোৰৰ ওচৰ চপা হয়। এনেকৈ দেখা যায় যে, অসমীয়া ভাষাৰ ইতিহাস বিচাৰি গৈ পৃথিবীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইন্দো-ইউৰোপীয় পোৱা গৈছে। এনেদৰে কৰা বৰ্গীকৰণ **'পাৰিবাৰিক বৰ্গীকৰণ'** বুলি কোৱা হৈছে। যেনে– ভাৰত-ইউৰোপীয় ভাষা পৰিয়াল, চীন-তিব্বতীয় ভাষা পৰিয়াল, অষ্ট্ৰিক ভাষা পৰিয়াল ইত্যাদি।

## ১.২.৩ আকৃতিমূলক বৰ্গীকৰণ বা ৰূপতত্ত্বানুগত বৰ্গীকৰণ ঃ

আনহাতে পৃথিবীৰ কিছুমান ভাষাৰ মাজত ভাষাৰ আকৃতি-প্ৰকৃতি, ধ্বনিৰ উচ্চাৰণ, ৰূপ ৰচনা, বাক্য গঠন আদিত মিল দেখা যায়। এনেকৈ ভাষাসমূহৰ পম খেদি গৈ ভাষাৰ আকৃতি বা ভাষাৰ গঠনৰ দিশৰ পৰা মিল থকা ভাষাসমূহক একোটা শ্ৰেণীভুক্ত কৰা হয়। এনেকৈ বিভাজন কৰা প্ৰক্ৰিয়াটোক **'আকৃতিমূলক বৰ্গীকৰণ'** বুলি কোৱা হয়।

ভাষাবিজ্ঞানীসকলে আকৃতিমূলক বৰ্গীকৰণকে বিজ্ঞানসন্মত বৰ্গীকৰণ পদ্ধতি বুলি ঠাৱৰ কৰিছে। ভাষাৰ বৰ্গীকৰণৰ এখন তালিকা প্ৰস্তুত কৰা হৈছে—




## অযোগাত্মক শ্ৰেণীৰ ভাষা (Inorganic Language)

এই শ্ৰেণীৰ ভাষাৰ শব্দ আৰু পদৰ মাজত কোনো পাৰ্থক্য নাথাকে। বাক্যত শব্দবোৰৰ স্থান অনুসৰি একোটা শব্দই বিশেষ্য, বিশেষণ, ক্ৰিয়াবিশেষণ আদিৰ কাম কৰিব পাৰে। অযোগাত্মক শ্ৰেণীৰ ভাষাত সুৰৰ যোগেদি বেছিভাগ অৰ্থ স্পষ্টভাৱে ধৰা দিয়ে। এই শ্ৰেণী ভাষাৰ শ্ৰেষ্ঠ নিদৰ্শন হৈছে চীন ভাষা।

## যোগাত্মক শ্ৰেণীৰ ভাষা (Organic Language)

যোগাত্মক শ্ৰেণীৰ ভাষাত বাক্যগত সম্বন্ধৰ ফলত প্ৰত্যয়, বিভক্তি আদি যোগ হয় আৰু শব্দৰ ৰূপৰ সলনি হয়। সাধাৰণতে যোগাত্মক ভাষাত প্ৰতিপাদিক আৰু প্ৰত্যয় সংযোগত শব্দ গঠন কৰা হয়। এনে প্ৰত্যয় সংযোগৰ ফলত ৰূপ-ধ্বনিগত পৰিৱৰ্তনো ঘটিব পাৰে। যোগাত্মক শ্ৰেণীৰ ভাষাসমূহতো ভাষা বিশেষে কিছুমান সুকীয়া সুকীয়া লক্ষণ পোৱা যায়। ভাষাৰ লক্ষণ

অনুসৰি যোগাত্মক ভাষাক তিনিটা ভাগত ভগোৱা হৈছে– অশ্লিষ্ট, শ্লিষ্ট আৰু প্ৰশ্লিষ্ট।

### (ক) অশ্লিষ্ট (Agglutinating)

অশ্লিষ্ট ভাষাত শব্দবোৰ এটাৰ পাছত আনটোক গাঁঠি দিয়া হয়। শব্দবোৰ একেলগে সংযোগ কৰিলেও শব্দবোৰ জিলিকি থাকে। তুৰ্কী ভাষাত এই বৈশিষ্ট্য দেখা যায়। তলত কেইটামান উদাহৰণ দিয়া হৈছে–

| | |
|---|---|
| *সেৱ–মেক্* | – *ভালপোৱা* |
| *সেৱ ইল মেক্* | – *ভাল পোৱা হ'ব।* |
| *সেৱ্ দিৱ–ইল মেক* | – *ভাল পাবলৈ অনা হ'ব।* |

অশ্লিষ্ট যোগাত্মক ভাষাৰ তিনিটা ভাগ পোৱা যায়। যেনে পূৰ্ব যোগাত্মক, অন্ত যোগাত্মক আৰু পূৰ্বান্ত যোগাত্মক।

### (খ) প্ৰশ্লিষ্ট (Incorporating Language)

প্ৰশ্লিষ্ট ভাষাবোৰত প্ৰত্যয়সমূহ যোগ হোৱাৰ পাছত সকলোবোৰ একীভূত হৈ যায়। কেতিয়াবা প্ৰশ্লিষ্ট ভাষাৰ সমগ্ৰ বাক্যটোৱে এটা শব্দত পৰিণত হ'ব পাৰে। গ্ৰীণলেণ্ডৰ ভাষাত এনে ভাষাৰ উদাহৰণ পোৱা যায়।

অউলিছৰিঅতোৰছুঅপোক (যি মাছ মাৰিবলৈ যাবলৈ খৰধৰ কৰে)। এই বাক্যটোত কেইবাটাও অংশ জড়িত হৈ আছে। এই ভাষাৰ দুটা ভাগ পোৱা যায়। যেনে – পূৰ্ণ প্ৰশ্লিষ্ট আৰু আংশিক প্ৰশ্লিষ্ট।

### (গ) শ্লিষ্ট (Inflecting Language)

শ্লিষ্ট ভাষাবোৰত প্ৰকৃতিৰ পিছত প্ৰত্যয় যোগ হয়। প্ৰত্যয় যোগ হোৱাৰ পাছত পৰিবৰ্তন ঘটে। যেনে– বেদ–বৈদিক, সুন্দৰ -সৌন্দৰ্য, মুনি–মৌন ইত্যাদি।

শ্লিষ্ট ভাষাবোৰ দুই প্ৰকাৰৰ পোৱা যায়। যেনে–অন্তৰ্মুখী আৰু বহিৰ্মুখী। অন্তৰ্মুখী শ্লিষ্ট ভাষাৰ নমুনা আৰবী ভাষাত পোৱা যায়। মূল শব্দটোৰ মাজত স্বৰবৰ্ণ এটাই পৃথক কৰে। সাধাৰণতে মূল ৰূপটো তিনিটা ব্যঞ্জনেৰে গঠিত হয়। যেনে –

*ক্ ত্ ব্* — *‘বিল’*

*কা তা বা* — *‘এজন মানুহে লিখিছে’*

*ক ত বা* — *‘আখৰ’*

*কিতাব* — *‘কিতাপ’*

*কুতুব* — *‘কিতাপবোৰ’*

ওপৰত আলোচনা কৰা পাৰিবাৰিক বৰ্গীকৰণ আৰু আকৃতিমূলক এই দুয়োটা শ্ৰেণীৰ ভিতৰত ধৰিব নোৱাৰা ভাষাসমূহক ‘অবৰ্গীকৃত ভাষা’ বুলি ধৰা হয়। অবৰ্গীকৃত ভাষাসমূহ কোনো ভাষাৰ লগত সাদৃশ্য দেখিবলৈ পোৱা নাযায়। ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তত প্ৰচলিত বুৰুশস্কি বা খজুনা ভাষাক অবৰ্গীকৃত ভাষা শ্ৰেণীত ধৰা হয়। আন্দামান নিকোবৰত প্ৰচলিত ভাষাসমূহকো কোনো এটা বিশেষ শাখাত পেলাব নোৱাৰি।

**আত্মমূল্যায়ন ১ ঃ**

**পৃথিৱীৰ ভাষাসমূহক কি কি প্ৰক্ৰিয়াৰে বৰ্গীকৰণ কৰিবলৈ যত্ন কৰা হৈছে ? (১৫০টা মান শব্দৰ ভিতৰত লিখা)**

## ১.৩ পৃথিৱীৰ ভাষা পৰিয়াল ঃ

সমগ্ৰ বিশ্বৰ মানৱ সমাজত বিভিন্ন ভাষা-উপভাষা প্ৰচলিত হৈ আছে। এই ভাষা-উপভাষাসমূহক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰি এক শৃংখলাবদ্ধ ৰূপ দিবৰ বাবে ভাষাবিজ্ঞানীসকলে অহৰহ চেষ্টা চলাই আহিছে। সেয়েহে ভাষাবিজ্ঞানীসকলে এই ভাষাসমূহৰ ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত আদি দিশত সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ-বিশ্লেষণ কৰাৰ লগতে ভাষাসমূহৰ ক্ৰমবিকাশৰ ইতিহাস পৰ্যালোচনা কৰি পাৰস্পৰিক সম্পৰ্ক সূত্ৰেৰে কেইটামান ভাষা পৰিয়াল নিৰূপণ কৰিছে। সেইকেইটা হ'ল–

১. ইণ্ডো-ইউৰোপীয় (Indo-European)

২. ছেমীয়-হেমীয় (Semitic-Hamitic)

৩. তিব্বত-চীনীয় (Tibeto-Chinese)

৪. অষ্ট্ৰিক (Austric)

৫. দ্ৰাবিড় (Dravidian)

৬. ইউৰাল-আলটাই (Ural-Altai)

৭. ককেছীয় (Caucasian)

৮. এস্কিমো (Eskimo)

৯. ফিনো-উগ্ৰীয় (Finu-Ugriya)

## ১.৪ অবৰ্গীকৃত শ্ৰেণীৰ ভাষা ঃ

উল্লিখিত ভাষা পৰিয়ালসমূহৰ উপৰিও পৃথিবীৰ বিভিন্ন অঞ্চলত

এনে কিছুমান ভাষা প্ৰচলিত হৈ আছে যিবোৰ ভাষা অন্য ভাষাৰ লগত সম্পৰ্ক স্থাপন কৰাত অসুবিধা হয়। এনেদৰে পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় কৰি একগোট কৰিব নোৱাৰা ভাষাসমূহক ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি পৰিয়াল নিৰ্ণয় কৰা হৈছে। এনে ভাষা পৰিয়ালকেইটা হৈছে–

১. আমেৰিকাৰ আদিম ভাষাবৰ্গ (American Group of Language)
২. আফ্ৰিকাৰ আদিম ভাষাবৰ্গ (African Language)
৩. অষ্ট্ৰেলিয়াৰ আদিম ভাষাবৰ্গ (Australlian Language)
৪. উত্তৰ-পূব সীমান্তীয় ভাষা (Palaco-Asiatic or Hyperborean)

পৃথিবীৰ বিভিন্ন অঞ্চলত আৰু কিছুমান ভাষা পোৱা গৈছে যিবোৰক কোনো পৰিয়ালৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি। এই ভাষাবোৰ ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত দিশত প্ৰত্যেকেই স্বতন্ত্ৰ হোৱাৰ বাবে কোনো ভাষা পৰিয়ালৰ ভাষাৰ লগত ইহঁতৰ মিল দেখা নাযায়। এনে ভাষাবোৰক অবৰ্গীকৃত বা গোষ্ঠীবৰ্হিভূত ভাষা বুলি কোৱা হৈছে। এনে কেইটামান ভাষা হৈছে—

(ক) বাস্ক (Basque),

(খ) জাপানী (Japanese),

(গ) কাৰেয় বা কোৰীয় (Kurean),

(ঘ) লাটি (Lati),

(ঙ) আন্দামানী (Andamani),

(চ) বুৰুশ্বস্কী (Burushaski),

(ছ) আইনু (Ainu),

(জ) ভিয়েটনামী (Vietnamese) ইত্যাদি।

**আত্মমূল্যায়ন ২ ঃ**

**পৃথিৱীৰ ভাষা পৰিয়ালসমূহক কিহৰ ভিত্তিত ভাগ কৰা হৈছে।**

**(৩০টা মান শব্দৰ ভিতৰত লিখা)**

________________________________________

________________________________________

## ১.৪ সাৰাংশ ঃ

- পৃথিবীৰ বিভিন্ন ঠাইত প্ৰচলিত ভাষাসমূহৰ ধ্বনিৰ উচ্চাৰণ, ৰূপ গঠন, বাক্য গঠন, আদি সুকীয়া সুকীয়া; কিন্তু বিভিন্ন বৈচিত্ৰ্যৰ মাজতো কিছুমান ভাষাৰ মাজত কিছুমান উমৈহতীয়া লক্ষণ বিদ্যমান। ধ্বনি, ৰূপ, বাক্য আদি গঠনৰ ক্ষেত্ৰত যিবোৰ ভাষাৰ মাজত মিল পৰিলক্ষিত হয় তেনে ভাষাবোৰক একে মূলৰ পৰা উদ্ভৱ হৈছে বুলি ধৰা হয়। এনেদৰে কৰা বৰ্গীকৰণক ঐতিহাসিক বৰ্গীকৰণ বোলা হৈছে। সকলো দিশৰ পৰা চালি জাৰি এই বংশানুগত বা ঐতিহাসিক বৰ্গীকৰণৰ শ্ৰেণীবিভাজনক অধিক গ্ৰহণযোগ্য বুলি ঠাৱৰ কৰা হৈছে।

- আনহাতে ভাষাৰ ৰূপগঠন বা বাক্যগঠন ৰীতি বিশ্লেষণ কৰি ভাষাৰ বৰ্গীকৰণ কৰা হয়। এনে বৰ্গীকৰণেই হৈছে– আকৃতিমূলক বা ৰূপতত্ত্বানুগত বৰ্গীকৰণ। এই বৰ্গীকৰণৰ পদ্ধতি সম্পূৰ্ণ বৰ্ণনামূলক। অৱশ্যে বৰ্ণনামূলক ভাষাবিজ্ঞান পদ্ধতিৰ জন্ম হোৱাৰ এশ বছৰৰ আগেয়ে পৃথিবীৰ ভাষাসমূহক এনে বৰ্গীকৰণ পদ্ধতিৰে বৰ্গীকৰণ কৰা হৈছিল। এই বৰ্গীকৰণক পাছত হামবোল্ট, মেক্সমুলাৰ আদিয়ে অধিক আগবঢ়াই নিছিল। ভাষাসমূহৰ গঠনৰ ভিত্তিত এনে বৰ্গীকৰণ কৰা বাবে এই বৰ্গীকৰণক বিজ্ঞানসন্মত বুলি ধৰা হয়।

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ১ ঃ**

ভাষাৰ বৰ্গীকৰণৰ বিভিন্ন প্ৰক্ৰিয়া ঃ

পৃথিবীৰ ভাষাসমূহক ভাষাগত বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰি কেতবোৰ ভাগত ভগোৱা হৈছে। ভাষাসমূহক বহুদিনৰ আগৰে পৰা বৰ্গীকৰণ কৰিবলৈ

ভাষাবিদসকলে চেষ্টা চলাই আহিছে যদিও তেনে এটা সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই। বহু বিচিত্ৰ ভাষাবোৰক এটা শৃংখলিত ৰূপত সজাই ভাষাৰ শ্ৰেণীকৰণ বা বৰ্গীকৰণ কৰিবলৈ ঊনবিংশ শতিকাৰ ভাষাবিদসকলে যত্ন কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে ভাষাৰ উমৈহতীয়া বৈশিষ্ট্য কেতবোৰ লক্ষ্য কৰি আৰু ভাষাৰ গঠনৰ ভিত্তিত প্ৰধানকৈ দুটা বিভাজনৰ কথা স্বীকাৰ কৰিছে। এই কেইটা হৈছে–

(১) আকৃতিমূলক বা ৰূপতত্ত্বানুগত বৰ্গীকৰণ।
(২) ঐতিহাসিক বা পাৰিবাৰিক বৰ্গীকৰণ।

ভাষাৰ এই বিভাজনৰ উপৰিও ভাষাৰ ভৌগোলিক বৰ্গীকৰণৰ দ্বাৰা পৃথিবীৰ ভাষাসমূহক বৰ্গীকৰণ কৰিবলৈ চেষ্টা কৰা দেখা যায়। যেনে – জাপানী ভাষা, চীনদেশৰ ভাষা, ইউৰোপীয় ভাষা, এচিয়াৰ ভাষা। কিন্তু এই বৰ্গীকৰণ বিজ্ঞানসন্মত নহয়। কাৰণ, আদিম অধিবাসী অৰ্থাৎ আদিম স্তৰত থকা জনগোষ্ঠীসমূহৰ কিছুমান ভাষাৰ বাহিৰে কিছুমান ভাষাই কেতিয়াবা নিৰ্দ্দিষ্ট ভৌগোলিক সীমা অতিক্ৰম কৰি যায়। একোটা ভাষা কোনো নিৰ্দ্দিষ্ট ভৌগোলিক সীমাতেই আবদ্ধ হৈ থাকে বুলিব নোৱাৰি। সেয়েহে এই বৰ্গীকৰণক মানি ল'ব নোৱাৰি।

ভাষাৰ ৰূপতত্ত্ব বা পদবিন্যাস ৰীতি বিশ্লেষণ কৰি কৰা বৰ্গীকৰণ পদ্ধতিক আকৃতিমূলক বা ৰূপতত্ত্বানুগত বৰ্গীকৰণ বোলা হৈছে। যেনে- – অযোগাত্মক শ্ৰেণীৰ ভাষা আৰু যোগাত্মক শ্ৰেণীৰ ভাষা। এইবোৰ লক্ষণ যুক্ত ভাষাসমূহক ভাগ কৰি উলিওৱা হৈছে।

ভাষাৰ প্ৰাচীন ইতিহাস বা পৰস্পৰৰ মাজত সম্বন্ধ বা পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰি ভাষাসমূহক বিভাজন কৰা হৈছে। এনে বৰ্গীকৰণক পাৰিবাৰিক বা ঐতিহাসিক বৰ্গীকৰণ বোলা হৈছে। যেনে– ইন্দো-ইউৰোপীয়, চীন-তিব্বতীয়, দ্ৰাবিড়, অষ্ট্ৰিক ভাষা পৰিয়াল ইত্যাদি।

**আত্মমূল্যায়ন ২ ঃ**

পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰচলিত ভাষাসমূহৰ ধ্বনিৰ উচ্চাৰণ, শব্দ গঠন প্ৰণালী, বাক্যবিন্যাস আদি বিভিন্ন ধৰণৰ। এনে বৈচিত্ৰ্যৰ মাজতো

কিছুমান ভাষাৰ মাজত উমৈহতীয়া বৈশিষ্ট্য কেতবোৰ লক্ষ্য কৰা যায়। এনে বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি কিছুমান ভাষাক একে মূলৰ বুলি ঠাৰৰ কৰা হয়। এনে উমৈহতীয়া ভাষাগত বৈশিষ্ট্য থকা পৃথিৱীৰ ভাষাসমূহক কেতবোৰ ভাগত ভগোৱা হৈছে। ভাষাবিজ্ঞানীসকলে এই ভাষাসমূহৰ ধ্বনিগত, ৰূপগত, বাক্যগত আৰু অৰ্থগত দিশৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰাৰ লগতে ভাষাসমূহৰ ক্ৰমবিকাশৰ ইতিহাস পৰ্যালোচনা কৰি পাৰস্পৰিক সম্পৰ্ক সূত্ৰেৰে কেইটামান ভাষা পৰিয়াল নিৰূপণ কৰা হৈছে। এনেদৰে পৃথিৱীৰ ভাষা পৰিয়ালসমূহ নিৰ্ণয় কৰা হৈছে।

*[প্ৰশ্নৰ মূল্যাংকৰ ওপৰত ভিত্তি কৰি প্ৰয়োজন সাপেক্ষে ভাষা পৰিয়ালসমূহৰ নামবোৰ উল্লেখ কৰিব লাগিব। দ্ৰষ্টব্য- ১.৩]*

## অনুশীলনী- ১

**(ক) বহলাই লিখাঁ–**

(১) ভাষাৰ বৰ্গীকৰণ কি কি সূত্ৰে কৰিব পাৰি ? সূত্ৰসমূহ আলোচনা কৰাঁ।

(২) ভাষাৰ বৰ্গীকৰণৰ কোনটো সূত্ৰ অধিক গ্ৰহণযোগ্য বুলি ভাবা— আলোচনা কৰাঁ।

(৩) পৃথিবীৰ ভাষা পৰিয়ালসমূহৰ নাম উল্লেখ কৰাঁ। যি কোনো এটা ভাষা পৰিয়ালৰ বিষয়ে বিতংকৈ আলোচনা কৰাঁ।

(৪) ভাষাৰ বৰ্গীকৰণৰ কোনটো প্ৰক্ৰিয়া বিজ্ঞানসন্মত বুলিব পাৰি যুক্তিৰে বিচাৰ কৰাঁ।

**(খ) চমু টোকা লিখাঁ —**

(১) অবৰ্গীকৃত ভাষা

(২) আকৃতিমূলক বৰ্গীকৰণ

(৩) ঐতিহাসিক বা পাৰিবাৰিক বৰ্গীকৰণ

(৪) যোগাত্মক শ্ৰেণীৰ ভাষা।

*****

খণ্ড ৪

# গোট নং ২ ঃ ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল, ভাৰতৰ ভাষাসমূহ, চীন-তিব্বতীয় ভাষাসমূহ।

**গঠন**


২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল

২.২.১ ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ শ্ৰেণী বিভাজন

২.২.২ ইন্দো-ইউৰোপীয় ভাষাৰ বৈশিষ্ট্য

২.২.৩ ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ শাখাসমূহৰ পৰিচয়

২.৩ ভাৰতৰ ভাষাসমূহ

২.৩.১ ইন্দো বা ভাৰত-ইউৰোপীয় ভাষা পৰিয়াল ঃ ভাৰতীয় আৰ্যভাষা

২.৩.২ চীন-তিব্বতীয় ভাষা পৰিয়াল

২.৩.৩ অষ্ট্ৰিক ভাষা পৰিয়াল

২.৩.৪ দ্ৰাবিড় ভাষা পৰিয়াল

২.৪ সাৰাংশ


## ২.০ উদ্দেশ্য ঃ

এই গোটটি তোমালোকে অধ্যয়ন কৰাৰ পাছত –

- ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ শ্ৰেণী বিভাজন কৰিব পাৰিবা।
- ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাসমূহৰ পৰিচয় দাঙি ধৰিব পাৰিবা।
- ভাৰতৰ ভাষা পৰিয়ালৰ ভাষাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- চীন-তিব্বতীয় পৰিয়ালৰ অন্তৰ্গত ভাষাসমূহৰ চিনাকি দাঙি ধৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

আগৰ গোটটিৰ অধ্যয়নৰ জৰিয়তে পৃথিবীৰ ভাষা পৰিয়ালসমূহৰ লগত পৰিচয় হ'লা। এতিয়া এই গোটটিত ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল, ভাৰতত প্ৰচলিত ভাষাসমূহ আৰু চীন-তিব্বতীয় ভাষাসমূহৰ লগত চিনাকি হ'ব পাৰিবা। ভাৰত ইউৰোপীয় বা ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ পৰাই পৃথিবীৰ প্ৰায়বোৰ ভাষাই ওলাইছে। অসমীয়া ভাষাৰ বংশ লতিকাৰ আলোচনাতো ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্যতম শাখা ইন্দো-ইৰাণীয়ৰ ইতিহাস পৰ্য্যালোচনা কৰা দৰকাৰ। আনহাতে উত্তৰ-পূব ভাৰতত প্ৰচলিত ভাষাসমূহৰ অধ্যয়নতো ইন্দো-ইৰাণীয়ৰ শাখাৰ আলোচনাৰ প্ৰয়োজন। ভাৰতৰ ভাষাসমূহৰ অধ্যয়নতো এই শাখাটোৰ বিষয়ে সবিশেষ জনাৰ প্ৰয়োজন। তলত ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল, ভাৰতৰ ভাষা পৰিয়াল আৰু চীন-তিব্বতীয় ভাষা পৰিয়াল সম্পৰ্কে আলোচনা কৰিবলৈ লোৱা হৈছে।

## ২.২ ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল ঃ

পৃথিবীৰ ভাষাসমূহৰ ভিতৰত সৰ্ববৃহৎ ভাষা পৰিয়ালটো হৈছে – ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল। এই ভাষা পৰিয়ালৰ অন্তৰ্গত বিভিন্ন ভাষা কোৱা লোকসকল পৃথিবীৰ এক বিস্তৃত অঞ্চল ব্যাপি বসবাস কৰি আছে। ইউৰোপৰ বৃহৎ ভূ-ভাগৰ উপৰিও এচিয়াৰ এক বৃহৎ অংশত এই পৰিয়ালৰ ভাষাসমূহ প্ৰচলিত হৈ আছে।

### ২.২.১ শ্ৰেণী বিভাজন ঃ

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত ভাষাবোৰক প্ৰধানকৈ দুটা ভাগত ভগোৱা হৈছে– কেণ্টুম আৰু শতম্। এই দুটা ভাগত ভগোৱাৰ একমাত্ৰ ভিত্তি হৈছে– মূল ইণ্ডো-ইউৰোপীয় ভাষাৰ তালব্য বা পুৰঃ কণ্ঠ্য (Palatal) ধ্বনিৰ দুই প্ৰকাৰৰ পৰিবৰ্তন। মূল ইণ্ডো-ইউৰোপীয় ভাষাৰ ব্যঞ্জন ধ্বনিত ক-বৰ্গ তিনি শ্ৰেণীত পোৱা গৈছিল। যেনে– তালব্য বা পুৰঃকণ্ঠ্য (Palatal), কণ্ঠ্য (Velar) আৰু কণ্ঠৌ (Labio) এই তিনিশ্ৰেণী ধ্বনিৰ তালব্য বা পুৰঃকণ্ঠ্য 'ক' ধ্বনিটোৱে মূল ভাষাৰ পৰা বিকাশ হওঁতে কেইটামান শাখাৰ নিজা উচ্চাৰণ বৈশিষ্ট্য হেৰুৱাই কণ্ঠ্য ধ্বনিৰ লগত মিলি গৈছিল আৰু কিছুমান শাখাত উষ্ম ধ্বনি শ-কাৰ বা স-কাৰত পৰিণত হৈছিল। যিকেইটা শাখা কণ্ঠ্য ধ্বনিৰ লগত মিলি গৈছিল তাক 'কেণ্টুম' আৰু যিকেইটা শাখা

উষ্ম ধ্বনিৰ লগত মিলি গৈছিল তাক ‘শতম্’ হিচাপে শ্ৰেণীবিভাগ কৰা হৈছিল।

‘শতম্’ আৰু ‘কেণ্টুম’ শাখাৰ শ্ৰেণী বিভাজন কৰে ১৮৭০ খৃ.ত এস্কোলী নামৰ এজন পণ্ডিতে। এস্কোলীৰ এই শ্ৰেণীবিভাজনক বৰ্তমান গ্ৰহণযোগ্য বুলি ধৰা নহয়। কিয়নো পশ্চিম অঞ্চলৰ ভাষাবোৰক ‘কেণ্টুম’ শাখাৰ আৰু পূব অঞ্চলৰ ভাষাসমূহক ‘শতম্’ শাখাৰ অন্তৰ্গত কৰা হৈছিল যদিও এই বিভাজনৰ ব্যতিক্ৰমো পৰিলক্ষিত হয়। সেয়েহে ভৌগোলিক বৰ্গীকৰণ বৰ বিশুদ্ধ বুলি ক’ব নোৱাৰি। বৰ্তমান ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ নতুন অধ্যয়নে নতুন তথ্যাদিৰ যোগান ধৰাৰ বাবে শ্ৰেণীবিভাজনৰো নতুনত্বৰ কথা আহি পৰিছে। তলত ইণ্ডো-ইউৰোপীয় পৰিয়ালটোৰ তালিকাভুক্ত কৰি দেখুওৱা হৈছে–

**ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল**

- শতম্ শাখা
  - ভাৰত ইৰাণীয়
  - আৰ্মেনীয়
  - বাল্টোশ্লাবীয়
  - আলবেনীয়
- ইৰাণীয়
  - দৰ্দিক
  - ভাৰতীয়-আৰ্য
- কেণ্টুম শাখা
  - টোখাৰীয়
  - হিট্টাইট
  - গ্ৰীক
  - ইটালীয়
  - জামানীয়
  - কেল্টীয়

**আত্মমূল্যায়ন ১ ঃ**

**ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভাজনৰ মূল ভিত্তি কি ?**

## ২.২.২ ইন্দো-ইউৰোপীয় ভাষাৰ বৈশিষ্ট্য ঃ

ইন্দো-ইউৰোপীয় ভাষাৰ আদি মূল ভাষাৰ কোনো নিদৰ্শন পাবলৈ নাই। গতিকে আদি মূল ভাষাৰ পৰা বিকাশ হোৱা প্ৰাচীন ভাষা কিছুমানৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যৰ তুলনা কৰি তাৰ আধাৰতে এই পৰিয়ালৰ কিছুমান বৈশিষ্ট্য নিৰূপণ কৰা হৈছে। তাৰে কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য দাঙি ধৰা হৈছে–

### (ক) ধ্বনিগত বৈশিষ্ট্য ঃ

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালত প্ৰধানকৈ দুবিধ ধ্বনি পোৱা যায়। যেনে – স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি।

স্বৰধ্বনি ঃ

স্বৰধ্বনিবোৰ তলত উল্লেখ কৰাৰ দৰে দেখুৱাব পাৰি –

ক. হ্ৰস্ব স্বৰ – অ (a), ই (i), উ (u), এ (e), ও (o)।

দীৰ্ঘস্বৰ – আ (ā), ঈ (ī), ঊ (ū), এ (ē), ও (ō)।

অতি হ্ৰস্ব স্বৰ – অ' (ɔ)

খ. অৰ্ধ স্বৰ – য় (y), ৱ (w)।

গ. অৰ্ধ ব্যঞ্জন – হ্ৰস্ব আৰু দীৰ্ঘ ঋ, ৠ

হ্ৰস্ব আৰু দীৰ্ঘ এ, ঐ

হ্ৰস্ব আৰু দীৰ্ঘ ন্

হ্ৰস্ব আৰু দীৰ্ঘ ম্

তদুপৰি অই, অউ, এই, আই, আউ আদি যুক্ত স্বৰধ্বনিও ইন্দো-ইউৰোপীয় ভাষাত পোৱা যায়।

ব্যঞ্জন ধ্বনি ঃ

ব্যঞ্জন ধ্বনিবোৰ তলত উল্লেখ কৰাৰ দৰে দেখুৱাব পাৰি –

ক. তালব্য বা পুৰঃকণ্ঠ্য (Palatal)– ক্/, খ্/, গ্/, ঘ্/, ঙ্/ (k, kh, g, gh, n)

খ. কণ্ঠ (Velar)– ক্, খ্, গ্, ঘ্, ঙ্ (q, qh, g, gh, is)

গ. কণ্ঠো (Labio-Velar)– ক্ব, খস্ক গ্ব, ঘস্ক ঙ্ব (q$^w$, gh$^w$, g$^w$, gh$^w$)

ঘ. দন্ত্য আৰু দন্ত্য মূলীয় (Dental and Aveolar)– ত্, থ্, দ্, ধ্, ন্ (t, th, d, dh, w)

ঙ. ঔষ্ঠ্য (Labial)– প্, ফ্, ব্, ভ্, ম্ (p, ph, b, bh, m)

চ. কম্পিত (Thrilled)– ৰ্ (r)

ছ. পাৰ্শ্বিক (Lateral)– ল্ (l)

জ. উষ্ম- ১. পুৰ কণ্ঠ্য, কণ্ঠো– [(ক(খ), গ(ঘ)], (x, y)

২. দন্ত আৰু দন্ত মূলীয় – স্, জ্, থ্, দ্ (s, z, o, q)

**(খ) ৰূপগত বৈশিষ্ট্য ঃ**

১. ইন্দো-ইউৰোপীয় ভাষা প্ৰত্যয় প্ৰধান (suffix inflection)। প্ৰত্যয় যোগ কৰি ৰূপসাধন কৰা ৰীতি ইন্দো-ইউৰোপীয়ৰ প্ৰধান বৈশিষ্ট্য।

২. ইন্দো-ইউৰোপীয় ভাষাৰ অন্যতম বৈশিষ্ট্য হৈছে— এক অক্ষৰ বিশিষ্ট ধাতুৰ (monosyllabic root) ব্যৱহাৰ।

৩. সমাস গঠন বা সমাসবদ্ধ পদৰ প্ৰয়োগ ইণ্ডো-ইউৰোপীয় ভাষাৰ অন্য এক বৈশিষ্ট্য। সংস্কৃত, লেটিন, আবেস্তা, গ্ৰীক আদি ভাষাত সমাসৰ ব্যাপক প্ৰয়োগ দেখা যায়।

৪. মূল ইন্দো-ইউৰোপীয় ভাষাত ক্ৰিয়াৰ কাল সময় নিৰ্দেশ হোৱাৰ বিপৰীতে ক্ৰিয়াৰ প্ৰকৃতি বা ধৰণ (aspect) নিৰ্দেশক আছিল। মূল ভাষাৰ পৰা বিকাশ হোৱাৰ পাছতহে বিভিন্ন ভাষাবোৰত কালৰ সময়দ্যোতাৰ অৰ্থ আহি পৰে।

৫. ইন্দো-ইউৰোপীয় মূল ভাষা গঠনৰ দিশৰ পৰা সংযোগাত্মক আছিল যদিও এই পৰিয়ালৰ পৰা হোৱা আধুনিক ভাষাবোৰত প্ৰত্যয় ব্যৱহাৰ দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰে, ফলত নতুন নতুন শব্দই সেই স্থান অধিকাৰ কৰি স্বতন্ত্ৰ অৱস্থানেৰে বাক্যৰ অৰ্থ প্ৰকাশ কৰি

বিশ্লেষণাত্মক হৈ পৰিছে।

৬. ইন্দো-ইউৰোপীয় ভাষা মূলতে স্বৰাঘাত (Pitch accent) প্ৰধান আছিল।

৭. বাক্য গঠনৰ লক্ষণৰ ফালৰ পৰা ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাসমূহ প্ৰধানকৈ বৰ্হিমুখী শ্লিষ্ট লক্ষণ যুক্ত।

৮. এই ভাষাৰ লিঙ্গ আৰু বচন তিনিবিধকৈ পোৱা যায়।

৯. ইন্দো-ইউৰোপীয় ভাষাত কাৰক প্ৰধানকৈ ৮ বিধ পোৱা গৈছে।

ওপৰত উল্লেখ কৰা বৈশিষ্ট্যবোৰ ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাবোৰৰ সকলোতে পোৱা যায়। কালৰ অগ্ৰগতিত, সময়ৰ সোঁতত মূল ভাষাৰ পৰা বিকশিত ভাষাবোৰ বিস্তাৰিত আৰু বিক্ষিপ্ত হোৱাৰ ফলত ভাষাবোৰ নতুন নতুন বৈশিষ্ট্যই গা কৰি উঠিছে যদিও মূল ইন্দো-ইউৰোপীয় ভাষাৰ ভালেমান বৈশিষ্ট্য এতিয়াও বিদ্যমান।

## ২.২.৩ ইন্দো ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাসমূহৰ চমু পৰিচয় ঃ

### (১) কেল্টীয় (Keltic) ঃ

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্যতম এটি শাখা হৈছে— কেল্টীয় শাখা। মধ্য আৰু পশ্চিম ইউৰোপ, এচিয়া মাইনৰলৈকে এই শাখাৰ ভাষাসমূহ বিয়পি আছে। কেল্টীয়সকল সংখ্যাগৰিষ্ঠ আৰু শক্তিশালী বুলি পৰিচিত যদিও তেওঁলোকৰ প্ৰাচীন কোনো সাহিত্যিক নিদৰ্শন নাই।

### (২) ইটালীয় (Italic) ঃ

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ যিসকল লোকে আদি বাসস্থানৰ পৰা পশ্চিমমুৱা হৈ আল্পচ পৰ্বত পাৰ হৈ ইটালীৰ মালভূমিত প্ৰৱেশ কৰি বসতি বিস্তাৰ কৰিছিল, তেওঁলোকৰ পৰাই ইটালীয় শাখাৰ ভাষাসমূহৰ সূচনা হয়।

ইটালীয় শাখাৰ ভাষাসমূহক তিনিভাগত ভাগ কৰা হৈছে। যেনে— লেটিন (Latin), ওচকান (Oskan) আৰু উমব্ৰিয়ান (Umbrian)।

### (৩) জাৰ্মানীয় (Germanic) ঃ

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন শাখাৰ ভিতৰত জাৰ্মানীয় শাখাটো বিশেষভাৱে উল্লেখযোগ্য শাখা। গোথিক ভাষাত খৃঃ ৪ৰ্থ শতিকাত ৰচিত বাইবেলৰ অনুবাদেই এই শাখাৰ ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি ক'ব পাৰি। ইয়াৰ পাছত সপ্তম-অষ্টম শতিকা মানৰ পৰা জাৰ্মানীয় শাখাৰ বিভিন্ন ভাষাৰ বিকাশ হয়।

জাৰ্মানীয় শাখাৰ ভাষাবোৰক তিনিটা উপশাখাত ভাগ কৰা হৈছে। সেইকেইটা হৈছে – পূব জাৰ্মানীয়, উত্তৰ জাৰ্মানীয় আৰু পশ্চিম জাৰ্মানীয়।

**(৪) গ্ৰীক (Greek) ঃ**

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ শাখাসমূহৰ ভিতৰত গ্ৰীক্ শাখা এটি উল্লেখযোগ্য শাখা। এই শাখাটি এচিয়া মাইনৰ, ইজিপ্ত, স্পেইনৰ পৰা আৰম্ভ কৰি কৃষ্ণসাগৰৰ উপকূলৱৰ্তী অঞ্চলত প্ৰচলিত হৈ আছে। জাৰ্মানীয়, লেটিন আদি শাখাৰ তুলনাত গ্ৰীক শাখাটো অধিক পুৰণি। পৃথিবীৰ ভাষাসমূহৰ ভিতৰত সাহিত্য-সংস্কৃতি আদি দিশত গ্ৰীকৰ স্থান প্ৰথম। গ্ৰীক শাখাৰ ভাষাবোৰ হৈছে— এট্ৰিক, আয়োনিক, ডোৰিক, আৰ্কেডীয়, এওলীক, পোম্স্কেলিয়া আদি।

**(৫) টোখাৰীয় ঃ**

টোখাৰীয় ভাষাৰ আৱিষ্কাৰ বিংশ শতিকাৰ প্ৰথম ভাগত হয়। মধ্য এচিয়াৰ চীনীয় তুৰ্কীস্থানত ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপিত লিখা কিছুমান প্ৰত্নলেখ আৱিষ্কৃত হৈছিল। এই আৱিষ্কৃত ভাষা টোখাৰ নামৰ জাতিৰ ভাষা হোৱা বাবে এই ভাষাক 'টোখাৰীয়' নামেৰে নামকৰণ কৰা হৈছে।

টোখাৰীয় শাখাৰ দুটা ভাষা হৈছে– পূব টোখাৰীয় আৰু পশ্চিম টোখাৰীয়।

**৬) আলবেনীয় ঃ**

আলবেনীয় শাখাটিক ইল্লিৰিয়ান বুলিও কোৱা হয়। এই শাখাৰ ভাষাবোৰ উত্তৰ গ্ৰীচৰ আদ্ৰিয়াটিক সাগৰৰ পূব উপকূলৰ আলবেনীয়াত প্ৰচলিত হৈ আছে। যুগোশ্লোভিয়াতো এই শাখাৰ ভাষা পোৱা যায়। এই শাখাৰ প্ৰধান দুটা ভাষা হৈছে— এপিৰত আৰু ইল্লিৰিয়ান।

**(৭) আৰ্মেনীয় ঃ**

আৰ্মেনীয় শাখাৰ ভাষাসমূহ এচিয়া মাইনৰ আৰ্মেনীয় অঞ্চলত প্ৰচলিত। এই শাখাৰ ভাষাবোৰ ঐতিহ্য আৰু প্ৰাচীনতাৰ দিশত উল্লেখযোগ্য নহয়। আধুনিক আৰ্মেনীয়ক দুটা উপশাখাত ভাগ কৰা কৰা হৈছে। যেনে – পূব শাখা আৰু পশ্চিম শাখা।

**(৮) বাল্টো-শ্লাবীয় ঃ**

বাল্টো-শ্লাবীয় শাখাৰ ভাষাসমূহ লিথুয়ানিয়া, বুলগেৰিয়া, যুগোশ্লাভীয়া, এচিয়াৰ উপকূল অঞ্চল, ৰুছিয়া, পোলেণ্ড, ছোভিয়েট আদিত প্ৰচলিত হৈ আছে। প্ৰায় ত্ৰিশ কোটি জনসংখ্যাই এই শাখাৰ বিভিন্ন ভাষাবোৰ কয়। এই শাখাৰ দুটা উপ শাখা হৈছে— বাল্টীয় আৰু শ্লাবীয়।

**(৯) ইন্দো-ইৰাণীয় ঃ**

ইন্দো-ইৰাণীয় শাখাৰ ভাষাসমূহ ইৰাণ, আফগানিস্থান, পাকিস্থান, ভাৰতবৰ্ষ, শ্ৰীলঙ্কা, বাংলাদেশ আদিত প্ৰচলিত হৈ আছে। এই শাখাৰ প্ৰধান শাখা দুটা হৈছে – ইৰাণীয় আৰু ভাৰতীয় আৰ্য। কোনো কোনোৱে দৰ্দীয় শাখা এটাৰ কথাও কয়। ইৰাণীয় শাখাৰ পৰাই পাৰ্চী ভাষা ওলাইছে। ভাৰতীয় আৰ্য ভাষাৰ ক্ৰম বিৱৰ্তিত ৰূপৰ পৰাই নব্য ভাৰতীয় ভাষাৰ অন্তৰ্গত অসমীয়া, বঙলা, উৰিয়া, গুজৰাটী, ৰাজস্থানী, মাৰাঠী, পঞ্জাৱী, হিন্দী আদি ভাষাসমূহ ওলাইছে।

## ২.৩ ভাৰতৰ ভাষা পৰিয়াল ঃ

ভাৰত এখন নানা ভাষা-ভাষীৰ সমাহিত দেশ। ইয়াত ভালেমান ভাষা প্ৰচলন হৈ আছে যদিও কিছুমান ভাষাৰ নিজা লিপি নাই। ইয়াৰে কিছুমান প্ৰাচীন সাহিত্য সম্পদত যথেষ্ট চহকী ভাষা।

ভাৰতবৰ্ষত প্ৰধানকৈ চাৰিটা ভাষা পৰিয়াল পোৱা যায়। সেই চাৰিটা হৈছে–

(১) ভাৰত ইউৰোপীয় বা ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল।

(২) চীন-তিব্বতীয় ভাষা পৰিয়াল।

(৩) অষ্ট্ৰিক ভাষা পৰিয়াল।

(৪) দ্ৰাবিড় ভাষা পৰিয়াল।

## ২.৩.১ (১) ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল ঃ

ভাৰত ইউৰোপীয় ভাষা পৰিয়াল পৃথিবীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল। এই পৰিয়ালৰ পৰাই পৃথিবীৰ ভালে সংখ্যক ভাষা ওলাইছে (এই বিষয়ে গোট ২ৰ ২.২ত আলোচনা কৰা হৈছে)। এই ভাষাৰ সতম্ শাখাৰ ইৰাণীয় আৰ্য উপশাখাৰ পৰাই ভাৰতত প্ৰচলিত আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহ ওলাইছে। ভাৰতত এই ভাষা পৰিয়ালক **'ভাৰতীয় আৰ্য ভাষা পৰিয়াল'** নামেৰে জনা যায়।

ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ ধাৰাটোক তিনিটা স্তৰত ভাগ কৰা হৈছে। যেনে—

(ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা।

(খ) মধ্য ভাৰতীয় আৰ্যভাষা।

(গ) নব্য ভাৰতীয় আৰ্যভাষা।

### (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা (Old-Indo-Aryan)ঃ

প্ৰাচীন ভাৰতীয় আৰ্যভাষা বুলিলে সাধাৰণতে বৈদিক ভাষাকে বুজা যায়। বৈদিক সাহিত্য আদিৰ ভিতৰত বেদ বা সংহিতা, উপনিষদ, ব্ৰাহ্মণ গ্ৰন্থ আদিত বিভিন্ন যাগ-যজ্ঞ কাৰ্য্যৰ বিৰৰণী আৰু ব্যাখ্যা আৰু উপনিষদৰ ভাৰতীয় মণীষীসকলৰ আধ্যাত্মিক চিন্তাৰাজি পোৱা যায়। এই যুগৰ পাছৰ ৰচনা ৰাজিক সংস্কৃত আখ্যা দিয়া হয়। খৃঃ পূৰ্ব ৫ম শতিকাত বৈয়াকৰণিক পাণিনিয়ে লৌকিক সংস্কৃত ভাষাক এক পৰিমাৰ্জিত ৰূপ দিয়ে। এই পৰিমাৰ্জিত ৰূপটোকে 'সংস্কৃত' নামে জনা যায়। বৈদিক ভাষা আৰু সংস্কৃতৰ মাজত ভাষাগত দিশত কিছু পাৰ্থক্য পৰিলক্ষিত হয় যদিও দুয়োটাৰ মাজত পাৰস্পৰিক সম্পৰ্ক বিৰাজমান। দুয়োটা ভাষাৰ মাজত পৰিলক্ষিত হোৱা ভাষাৰ সাধাৰণ বৈশিষ্ট্যৰাজিৰ উমৈহতীয়া ৰূপেই প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰ নিৰ্দেশ কৰিছে।

### (খ) মধ্য ভাৰতীয় আৰ্যভাষা (Middle-Indo-Aryan) ঃ

কালক্ৰমত ভাৰতীয় আৰ্যভাষাই বৈদিক আৰু সংস্কৃত স্তৰ অতিক্ৰমি খৃঃ পূৰ্ব ষষ্ঠ শতাব্দীৰ পৰা এক সৰলীকৰণৰ পথত অগ্ৰসৰ হয়। এই স্তৰটোক সামগ্ৰিকভাৱে 'প্ৰাকৃত' নামেৰে জনা যায়। খৃঃ পূৰ্ব ৬ষ্ঠ শতিকাৰ পৰা প্ৰায় খৃষ্টীয় দশম শতিকালৈ এই সময়ছোৱাত অনেক সাহিত্যৰ সৃষ্টি হয়। এই সাহিত্যৰাজিৰ ভাষাগত পাৰ্থক্যলৈ চাই এই স্তৰৰ ভাষাক তিনিটা ভাগত ভাগ কৰা হৈছে–

(ক) আদি প্ৰাকৃত

(খ) মধ্য প্ৰাকৃত

(গ) অন্ত্য প্ৰাকৃত।

মধ্য ভাৰতীয় আৰ্যভাষাৰ এই তিনিটা স্তৰ অৰ্থাৎ পালি, প্ৰাকৃত, অপভ্ৰংশ ভাষাৰ প্ৰত্যেকৰে ভাষাগত বৈশিষ্ট্যৰ মাজত পাৰ্থক্য আছে। অপভ্ৰংশ হৈছে মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষস্তৰৰ ভাষা। ইয়াত প্ৰাকৃত স্তৰৰ জটিলতা আৰু হ্ৰাস হৈ সৰলীকৃত হৈছে। অপভ্ৰংশৰ নাগৰ, উপনাগৰ আৰু ব্ৰাচড় নামৰ তিনিটা শাখা পোৱা যায়। অপভ্ৰংশৰ শেহতীয়া ৰূপ এটা হৈছে অবাচীন অপভ্ৰংশ বা অৱহট্‌ঠ। এই স্তৰৰ পৰাই নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উৎপত্তি হৈছে।

### (গ) নব্য ভাৰতীয় আৰ্যভাষা (New-Indo-Aryan) ঃ

প্ৰাচীন ভাৰতীয় আৰ্যৰ পৰা মধ্য ভাৰতীয় আৰ্য আৰু তাৰে পৰা নব্য ভাৰতীয় আৰ্যভাষাবোৰ ওলাইছে। যেনে– শৌৰসেনীৰ পৰা হিন্দী, ৰাজস্থানী, গুজৰাটী, মাগধীৰ পৰা উৰিয়া, বাংলা, অসমীয়া, মহাৰাষ্ট্ৰীৰ পৰা মাৰাঠী ইত্যাদি ভাষাবোৰ ওলাইছে। অনুমান কৰিব পাৰি যে, খৃ. দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ভাৰতীয় আৰ্যভাষাই অঞ্চলভেদে স্বকীয় ৰূপ লাভ কৰিবলৈ আৰস্ক কৰে। এই ভাষাসমূহে ভাৰতৰ বিভিন্ন প্ৰান্তত স্বকীয় বৈশিষ্ট্যৰে গঢ় লৈ উঠে। তদুপৰি এই ভাষাসমূহৰ মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্য সংৰক্ষিত হৈছে। যিবোৰে একেমূলৰ পৰা উদ্ভৱ হোৱা ভাষাৰূপে স্বীকৃতি দিয়াত সহায় কৰে।

## ২.৩.২ চীন-তিব্বতীয় ভাষা পৰিয়াল ঃ

পৃথিবীৰ অন্যতম সৰ্ববৃহৎ ভাষা পৰিয়াল হৈছে— চীন-তিব্বতীয় বা তিব্বত-চীন ভাষা পৰিয়াল। এই ভাষা পৰিয়ালটোৱে এচিয়াৰ পূব আৰু দক্ষিণ-পূব অঞ্চলৰ বিশাল ভূ-খণ্ডত আগুৰি আছে। জনসংখ্যাৰ দিশৰ পৰা এই ভাষাগোষ্ঠী ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠীৰ পিছতে বুলিব পাৰি। তিব্বত-চীনীয় ভাষা পৰিয়ালৰ আদি বাসস্থান চীন দেশৰ ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তি স্থল বুলি অনুমান কৰা হয়। এই ঠাইৰ পৰাই ভাৰতবৰ্ষ, ব্ৰহ্মদেশ, শ্যামদেশ আদিলৈ ব্ৰহ্মপুত্ৰ, ইৰাৱতী, ছিন্দুইন, মেকং, মেনাম আদি নদীয়েদি আহি বিয়পি পৰে। এই ভাষা পৰিয়ালৰ পৰাই বৰ্তমান চীনদেশ, তিব্বত, ব্ৰহ্মদেশ, শ্যামদেশ আৰু ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত প্ৰধান ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ ঘটিছে। নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা এই


ভাষাগোষ্ঠীৰ লোকসকল মঙ্গোলীয় বা মঙ্গলয়ড গোষ্ঠীৰ অন্তৰ্গত।

তিব্বত-চীন ভাষা পৰিয়ালৰ ভাষাসমূহৰ ভাষাগত বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি দুটা প্ৰধান ভাগত ভগাব পাৰি।

(ক) তিব্বত-বৰ্মী,

(খ) শ্যামচীনীয় বা থাইচীনীয়।

ড° গ্ৰীয়াৰ্ছন, ড° চেটাৰ্জী, তাৰাপোৰেৱালা আদি ভাষা বিজ্ঞানীসকলে তিব্বত-চীন ভাষা পৰিয়ালৰ বিভিন্ন ভাষাসমূহৰ পাৰস্পৰিক সম্বন্ধ তালিকাৰ সহায়ত দেখুৱাইছে। বিশেষকৈ এই কেইজন ভাষাবিদে দাঙি ধৰা তিব্বত-চীন ভাষা পৰিয়ালৰ বিভাজনৰ তালিকাৰ ভিত্তিত এখন তালিকা প্ৰস্তুত কৰা হৈছে–



**তিব্বতবৰ্মী শাখা ঃ**

তিব্বতবৰ্মী শাখাৰ অন্তৰ্ভুক্ত প্ৰায়খিনি ভাষাই হিমালয়ৰ পাদদেশ আৰু ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলন হৈ আছে। ভাষাবিদ তাৰাপোৰেৱালাই তিব্বতবৰ্মী শাখাৰ ভাষাবোৰ গৃহভূমি ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তিস্থল দক্ষিণ-পশ্চিম চীন বুলি ঠাৱৰ কৰিছে। এই নদী দুখনৰ নিম্ন গতি অনুসৰি চীনদেশলৈ আহে আৰু তাৰো নামনিত ব্ৰহ্মপুত্ৰ, ছিদুইন, ইৰাৱতী, মেনাম হৈ ভাৰত, ব্ৰহ্মদেশ, শ্যামদেশ আদিত বিয়পি পৰে। তিব্বতবৰ্মীয় শাখাৰ ভাষাবিলাকৰ ভিতৰত তিব্বতীয় বা ভূটীয়া শাখাটোত যথেষ্ট সাহিত্য পোৱা যায়। এই শাখাটোৰ বেছিভাগ ভাষাতেই লিখিত সাহিত্যৰ অভাৱ পৰিলক্ষিত হয়। অৱশ্যে বাৰ্মিজ ভাষাত লিখিত সাহিত্য পোৱা যায়। ভাষাতাত্ত্বিক বিচাৰত এই তিব্বতবৰ্মী ভাষাগোষ্ঠীক চাৰিটা উপশাখাত ভাগ কৰা হৈছে–

(ক) হিমালয়ী

(খ) তিব্বতী

(গ) উত্তৰ অসম

(ঘ) অসম বৰ্মী।

**হিমালয়ী ঃ**

হিমালয়ৰ দাঁতি কাষৰীয়া অঞ্চল নেপাল, ছিকিম, ভূটান আদি অঞ্চলত হিমালয়ী উপভাষা বিয়পি আছে। এই শাখাৰ অন্তৰ্গত ভাষাসমূহ হৈছে– নেৱাৰী, লেপছা, কনৌৰী, কিৰন্তী, লিম্বু, ধিমাল ইত্যাদি। এই ভাষাসমূহৰ ভিতৰত নেপালৰ নেৱাৰী ভাষাই প্ৰধান।

**তিব্বতীয় ঃ**

তিব্বতী শাখাৰ ভাষাসমূহ বৰ্তমান পশ্চিম হিমালয় অঞ্চলত প্ৰচলন হৈ আছে। এই শাখাৰ প্ৰধান ভাষা লাডাখ আৰু বাল্টিস্থান। এই ভাষা দুটা বৰ্তমান লাডাখী অঞ্চলত প্ৰচলিত। এই শাখাৰ ভাষা কোৱা লোকৰ সংখ্যা প্ৰায় তিনি লাখ মান হ'ব।

**উত্তৰ-অসম শাখা ঃ**

উত্তৰ অসম শাখাৰ ভাষাসমূহ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰীয়া আৰু ভৈয়াম দুয়োটা অঞ্চলতে প্ৰচলিত হৈ আছে। বিশেষকৈ উত্তৰ অসম

শাখাৰ ভাষাসমূহ অৰুণাচল অঞ্চলত চমুকৈ নেফাত প্ৰচলিত। অৰুণাচল প্ৰদেশৰ কামেং, সোৱণশিৰি, চিয়াং, লোহিত, টিৰাপ আদি জিলাকেইখনত এই উত্তৰ অসম শাখাৰ প্ৰধান ভাষাসমূহ প্ৰচলিত আছে। উত্তৰ অসম শাখাৰ প্ৰধান ভাষাসমূহ হৈছে অকা, ডফলা, টাংচা, চিংফৌ, নক্টে, আবৰ বা আদি, ৰাংচু, গালং, মিছিং, আপাতানি, মনপা, ছেৰদুকপেন, টাগিন, খাম্বা আদি।

উত্তৰ অসম শাখাৰ মিছিং ভাষা বৰ্তমান অসমৰ ভৈয়াম অঞ্চলৰ শিৱসাগৰ, লক্ষীমপুৰ, যোৰহাট জিলাত প্ৰচলিত আছে। এই শাখাৰ ভাষাসমূহ মৌখিক সাহিত্যত চহকী। কিন্তু নিজা লিপি নথকা বাবে লিখিত সাহিত্যৰ অভাৱ।

**অসমবৰ্মী ঃ**

তিব্বতবৰ্মী শাখাৰ এটা বিশেষ উল্লেখযোগ্য উপশাখা হৈছে অসমবৰ্মী। এই ভাষাৰ অন্তৰ্গত ভাষাসমূহক দুটা উপশাখাত ভাগ কৰা হৈছে।

(১) বড়ো

(২) কুকিচীন

আকৌ বড়ো-নগা শাখাক দুটা ভাগত ভাগ কৰা হৈছে– বড়ো আৰু নগা।

**বড়ো আৰু নগা শাখা ঃ**

তিব্বতবৰ্মীৰ যিটো শাখাই উত্তৰ আৰু উত্তৰ পূব পথেৰে বিশেষকৈ ব্ৰহ্মপুত্ৰ নদীয়েদি ভাৰতৰ পূব অঞ্চলত অৰ্থাৎ উত্তৰ পূৰ্বাঞ্চলত বিয়পি পৰে, সেই শাখাটোৱেই বড়ো শাখা। এই শাখাৰ ভাষাগোষ্ঠীৰ লোকসকল বিভিন্ন সময়ত সৰু সৰু দলত বিভক্ত হৈ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত প্ৰবেশ কৰিছিল। কালক্ৰমত এই শাখাৰ অন্তৰ্গত ভাষিক গোষ্ঠীসকল বৰ্তমান অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে থকা জিলাসমূহত বসবাস কৰি আছে। এই শাখাৰ ভাষাসমূহ হৈছে– বৰো, ডিমাছা, গাৰো, ৰাভা, টিৱা, হাজং, টিপ্ৰা, দেউৰী, কাৰবি ইত্যাদি। নগা শাখাৰ ভাষাসমূহ বৰ্তমান নাগালেণ্ড আৰু মণিপুৰত প্ৰচলিত আছে।

**কুকি-চীন শাখা ঃ**

কুকি-চীন শাখাৰ ভাষাসমূহ হৈছে– মেইতেই আৰু মিজো ভাষা।

মেইতেই ভাষা মণিপুৰত আৰু মিজো ভাষা মিজোৰামত প্ৰচলিত আছে। ত্ৰিপুৰা আৰু ব্ৰহ্মদেশতো কুকি-চীন শাখাৰ ভাষা পোৱা যায়। কুকি-চীন শাখাৰ ভিতৰত মেইতেই ভাষা কোৱা লোকৰ সংখ্যাই বেছি। কুকি-চীন শাখাৰ আৰু কেইটামান ভাষা কথিত ৰূপত প্ৰচলন হৈ আছে। যেনে– লাখেই, ফানাই, মাৰ, লুচাই, বাণ্টে ইত্যাদি। মেইতেই আৰু মিজো ভাষা সাহিত্য সম্পদেৰে চহকী ভাষা।

**আত্মমূল্যায়ন ১ ঃ**

**তিব্বতবৰ্মী ভাষা পৰিয়ালৰ কোন কেইটা ভাষা অসমত প্ৰচলন হৈ আছে উল্লেখ কৰা।**

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

**শ্যাম-চীনীয় শাখাৰ ভাষাসমূহৰ পৰিচয় ঃ**

এচিয়া মহাদেশৰ বিস্তীৰ্ণ অঞ্চলত সিচঁৰিত হৈ থকা মঙ্গোলীয় লোকসকলৰ মাজত প্ৰচলিত ভাষাসমূহে শ্যামচীন শাখাৰ অন্তৰ্গত। শ্যামচীনীয় শাখাক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি–

(ক) থাই বা টাই শাখা

(খ) চীন বা চীনীয় শাখা।

**টাই বা থাই শাখা ঃ**

শ্যামচীনীয় শাখাৰ প্ৰধান উপশাখা হৈছে টাই বা থাই শাখা। সমগ্ৰ দক্ষিণ পূব এচিয়াত এই শাখাৰ লোক বিয়পি আছে। ভাৰতবৰ্ষ আৰু অসমত এই শাখাৰ ভাষাসমূহ বৰ্তমান পোৱা যায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে, এই শাখাৰ ভাষা কোৱা লোকসকলক বিভিন্ন থলুৱা নামেৰে জনা যায়। ব্ৰহ্মদেশত শ্যাম, থাইলেণ্ডত শ্যান (Shan) নামেৰে পৰিচিত। আনহাতে আৰু কিছুমান থলুৱা নাম হৈছে– টাই বা থাই, খুন, লু, লাও, খামতি, টাইলং, টাইমাও, পাইজেন, পুমান, পুচেই, লুংজেন, চাজেন ইত্যাদি।

বৰ্তমান টাইভাষা গোষ্ঠীৰ লোক ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত পোৱা যায়। এই লোকসকলক টাই জনগোষ্ঠী নামে জনা যায়। অসমত পোৱা এই ভাষাৰ থলুৱা ৰূপকেইটা হৈছে– টাই আহোম, টাই খামতি, টাই ফাকে, টাই-খাময়াং, টাই-টুৰুং, টাই আইতন।

**চীনীয় শাখা ঃ**

শ্যামচীনীয় গোষ্ঠীৰ দ্বিতীয়টো শাখা হৈছে চীনীয় শাখা। এই শাখাৰ ভিতৰত চীনীয় শাখাই প্ৰধান। এই ভাষাৰ ঐতিহ্য প্ৰায় চাৰিহেজাৰ বছৰৰ পুৰণি। চীনীয় শাখাৰ ভাষাগোষ্ঠীৰ লোক পৃথিবীত সৰ্বাধিক বুলিব পাৰি। প্ৰাচীন কালৰ পৰা বৰ্তমানলৈকে চীনা ভাষাৰ যথেষ্ট সংখ্যক সাহিত্যৰ নিদৰ্শন পোৱা যায়। পৃথিবীৰ ভাষাসমূহৰ ভিতৰত চীনা ভাষা এক বিশেষত্বপূৰ্ণ ভাষা। এই ভাষাৰ কিছুমান সুকীয়া বৈশিষ্ট্য আছে। চীনা ভাষাৰ বহুতো উপভাষা পোৱা যায়।

**২.৩.৩ অষ্ট্ৰিক ভাষাগোষ্ঠী ঃ**

পৃথিবীৰ ভাষা পৰিয়ালৰ ভিতৰত অষ্ট্ৰিক ভাষাগোষ্ঠী অন্যতম। ই জনসংখ্যাত বৰ বেছি নহয়। এই শাখাৰ ভাষাবোৰ ভাৰত, ব্ৰহ্মদেশ, ইণ্ডোনেচীয়া, ফিজি, হাৱাই আদি দ্বীপপুঞ্জত প্ৰচলিত। অনেক ভাষাবিদে এই ভাষাক 'মালয়পলিনেচীয়' বুলি আখ্যা দিয়ে। এই ভাষাৰ দুটা প্ৰধান শাখা হ'ল–

(ক) অষ্ট্ৰ-এচীয়,

(খ) অষ্ট্ৰনেচীয়।

অষ্ট্ৰ-এচীয় শাখাৰ দুটা প্ৰধান ভাগ হৈছে– কোল বা মুণ্ডা আৰু মন্-খামেৰ।

কোল-মুণ্ডা শাখাৰ ভাষাবোৰ হ'ল– চাওঁতালী, মুণ্ডাৰী, ভূমিজ, হো, খৰীয়া, শবৰ, কুৰ্কু আদি। এই শাখাৰ ভাষাবোৰ ভাৰতবৰ্ষৰ পশ্চিমবঙ্গ, উৰিষ্যা, মধ্যপ্ৰদেশ আদি অঞ্চলত পোৱা যায়। তদুপৰি অসমৰ উদ্যোগ প্ৰতিষ্ঠাৰ বাবে মধ্য ভাৰতৰ পৰা অনা চাহ শ্ৰমিকসকল এই শাখাৰ অন্তৰ্গত লোক।

**মন-খামেৰ** শাখাৰ ভাষাবোৰৰ ভিতৰত নিকোবৰ দ্বীপপুঞ্জৰ নিকোবৰী, মেঘালয়ৰ খাচী আৰু জয়ন্তীয়া, দক্ষিণ ব্ৰহ্মদেশ আৰু শ্যামদেশৰ মোন, কম্বোজৰ খোমেৰ, মালয়ৰ ছাকায়, উত্তৰ প্ৰদেশৰ পালোঙ্ আদি ভাষা অন্যতম।

**অষ্ট্ৰ-নেচীয়** শাখাৰ ভাষাবোৰৰ মালয় দ্বীপপুঞ্জ, ফিলিপাইন দ্বীপপুঞ্জ, নিউজীলেণ্ড, নিউ আয়াৰলেণ্ড, ফিজি, হাৱাই, তাহাতি আদি অঞ্চলত প্ৰচলিত। ভৌগোলিক অৱস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি এই শাখাৰ ভাষাবোৰক ইণ্ডোনেচীয়, মেলানেচীয়, পলিনেচীয়, মেক্ৰোনেচীয়– এইকেইটা ভাগত ভগোৱা হৈছে।

## ২.৩.৪ দ্ৰাবিড় ভাষাগোষ্ঠী ঃ

পৃথিবীৰ ভাষা পৰিয়ালৰ ভিতৰত আন এক ভাষাগোষ্ঠী হৈছে– দ্ৰাবিড় ভাষা পৰিয়াল। এই শাখাৰ ভাষাবোৰ ভাৰতবৰ্ষৰ দক্ষিণ অঞ্চল, বেলুচিস্থানৰ পাৰ্বত্য অঞ্চল, শ্ৰীলংকাৰ উত্তৰ অংশত প্ৰচলিত। ভূমধ্য সাগৰৰ পূব অঞ্চল এওঁলোকৰ আদিম বাসস্থান আছিল বুলি অনুমান কৰা হয় বাবে এওঁলোকক ভূমধ্য সাগৰীয় প্ৰজাতিৰ অন্তৰ্গত কৰা হৈছে। এই ভাষাৰ প্ৰাচীন ঐতিহ্য মন কৰিবলগীয়া। মূল দ্ৰাবিড় শাখাৰ ভাষাবোৰক তিনিটা ভাগত ভগোৱা হৈছে-

(ক) দ্ৰাবিড় শাখা

(খ) অন্ধ্ৰ শাখা

(গ) উত্তৰ পশ্চিম শাখা।

প্ৰথম শাখাটোৰ পৰা প্ৰাচীন তামিল, টুলু, কানাড়ী, কুই, টডো, মাল্টো, কোটা, বড়গ আদি ভাষাৰ জন্ম হৈছে। এই শাখাৰ ভিতৰত প্ৰাচীন তামিলৰ পৰা তামিল আৰু মালয়ালম ভাষাৰ জন্ম হৈছে। তামিল ভাষাসমূহ দ্ৰাবিড়

শাখাৰ ভিতৰতে শ্ৰেষ্ঠ ভাষাৰূপে পৰিগণিত হৈছে, এই ভাষা তামিলনাডুত প্ৰচলিত। মালয়ালম ভাষা কেৰালাত প্ৰচলিত। মহীশূৰত প্ৰচলিত কানাড়া ভাষা দ্ৰাবিড় শাখাৰ এক উল্লেখযোগ্য ভাষা।

অন্ধ শাখাৰ ভাষা দুটা হৈছে– তেলেগু আৰু কোলামী। তেলেগু ভাষা অন্ধ্ৰ প্ৰদেশত প্ৰচলিত আৰু কোলামী ভাষা বেৰাৰ অঞ্চলত প্ৰচলিত।

উত্তৰ পশ্চিম শাখাৰ ভিতৰত ব্ৰাহুই ভাষা প্ৰধান। এই ভাষা বেলুচিস্তানত প্ৰচলিত।

দ্ৰাবিড় শাখাৰ ভাষাসমূহৰ ভিতৰত তামিল, তেলেগু, কানাড়া আৰু মালয়ালম ভাষাকহে ভাৰতীয় সংবিধানে স্বীকৃতি দিছে। এই শাখাৰ ভাষাবোৰৰ কেতবোৰ বিশেষ বৈশিষ্ট্য আছে যিবোৰ আন ভাষাৰ লগত নিমিলে। তামিল, তেলেগু, কানাড়া আৰু মলয়ালম– দ্ৰাবিড় পৰিয়ালৰ এই চাৰিটা প্ৰধান ভাষাই সাহিত্য-সংস্কৃতিৰ দিশৰ পৰা অতি উন্নত আৰু এইকেইটা ভাষাক ভাৰতীয় সংবিধানে স্বীকৃতি দিছে।

## ২.৫ সাৰাংশ ঃ

- পৃথিবীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ পৰাই লেটিন, গ্ৰীক, সংস্কৃত, জাৰ্মান, আৰ্মেনীয়, আলবেনীয় আদি ভাষাসমূহ ওলাইছে। এই ভাষাবোৰৰ মাজত থকা ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত সাদৃশ্যৰ প্ৰতি লক্ষ্য ৰাখি একে গোষ্ঠীৰ বুলি ঠাৰৰ কৰা হৈছে। গ্ৰীচ, ইটালী, স্পেইন, ফ্ৰান্স, আৰ্মেনীয়া, আলবেনীয়া, ইৰাণ, ভাৰতবৰ্ষ আদি বিস্তৃত অঞ্চলত ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ লোক ভৰি আছে।

- ভাষাৰ দিশত ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। ভাৰততো বিভিন্ন সময়ত বিভিন্ন ভাষাগোষ্ঠীৰ লোকে থিতাপি হৈ বৃহৎ ভাৰতৰ সূচনা কৰিছে। অষ্ট্ৰিক, চীন-তিব্বতীয়, দ্ৰাবিড় আৰু ভাৰতীয় আৰ্যভাষা -—এই চাৰিটা ভাষা পৰিয়ালৰ লোক ভাৰতৰ বিভিন্ন অঞ্চলত বসবাস কৰি আছে। অষ্ট্ৰিক, চীন-তিব্বতীয় ভাষা পৰিয়ালৰ লোকসকল ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰি আছে আৰু এই দুই পৰিয়ালৰ বহু সংখ্যক ভাষাই কথিত ৰূপত বৰ্তী আছে। আনহাতে দ্ৰাবিড় পৰিয়ালৰ ভাষাসমূহ, যেনে– কানাড়া, তামিল, তেলেগু, মলয়ালম বৰ্তমান ভাৰতৰ দক্ষিণ পশ্চিম উপকূল, লাক্ষাদ্বীপ, মধ্যপ্ৰদেশ, মুম্বাই,

উৰিষ্যা, বিহাৰৰ কিছু অংশত প্ৰচলন হৈ আছে।

■ ভাৰতীয় আৰ্য শাখাৰ ভাষাসমূহ বৰ্তমান স্বকীয় বৈশিষ্ট্যৰে গঢ় লৈ সুকীয়া সুকীয়া ভাষা ৰূপে ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলন হৈ আছে। এই ভাষা পৰিয়ালৰ অন্তৰ্গত অসমীয়া, বঙলা, উৰিয়া, মৈথেলী, বিহাৰী, হিন্দী, পঞ্জাৱী, গুজৰাটী, ৰাজস্থানী আদি ভাষাসমূহ কথিত আৰু লিখিত ৰূপত ভাৰতৰ বিভিন্ন অঞ্চলত বিশেষকৈ উত্তৰ আৰু পূব ভাৰতত প্ৰচলন হৈ আছে।

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ১ ঃ**

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালটোৱে হৈছে পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল। ১৮৭০ চনত এস্কোলি নামৰ এজন পণ্ডিতে এই ভাষা পৰিয়ালক দুটা প্ৰধান ভাগত ভাগ কৰিছিল। এই দুটা হৈছে– শতম্ আৰু কেণ্টুম। মূল ইন্দো-ইউৰোপীয় ভাষাত এলানি তালব্য ধ্বনি আছিল। এই তালব্য ‘ক’ ধ্বনিটো দুই ধৰণে বিকশিত হৈছিল। এটাত কণ্ঠ্য ‘ক’ ৰূপে আৰু আনটোত উষ্ম (শ, ষ) ৰূপে বিকাশ লাভ কৰিছে। এনে দেখুৱাবৰ বাবে ‘শত’বাচক শব্দটো লোৱা হৈছে। কণ্ঠ্য ধ্বনিৰ লগত মিলি যোৱা শাখাটোক ‘কেণ্টুম’ আৰু উষ্ম ধ্বনিৰ লগত মিলি যোৱা শাখাটোক ‘শতম্’ বোলা হৈছে। এইটোৱেই হৈছে ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভাজনৰ মূল ভিত্তি।

**আত্মমূল্যায়ন ২ ঃ**

তিব্বতবৰ্মী পৰিয়ালৰ ভাষাবোৰক প্ৰধানকৈ চাৰিটা শাখাত ভাগ কৰা হৈছে। এই কেইটা হৈছে – হিমালয়ী, তিব্বতীয়, উত্তৰ অসম আৰু অসমবৰ্মী। তিব্বতবৰ্মী ভাষা পৰিয়ালৰ ৪টা শাখাৰ ভিতৰত অসমত অসমবৰ্মী আৰু উত্তৰ অসম শাখাৰহে ভাষা পোৱা যায়।

অসম বৰ্মী শাখাৰ ভিতৰত— বৰো, কাৰবি, ডিমাছা, গাৰো, ৰাভা, দেউৰী, টিপ্‌ৰা, টিৱা আদি ভাষাসমূহ অসমত পোৱা যায়। এই ভাষাসমূহ

বৰ্তমান অসমৰ কোন কোন অঞ্চলত প্ৰচলিত হৈ আছে এই বিষয়ে উল্লেখ কৰিব লাগিব।

উত্তৰ অসম শাখাৰ ভিতৰত একমাত্ৰ মিছিং ভাষাহে অসমত প্ৰচলিত হৈ আছে।

## অনুশীলনী– ২

**(ক) তলত দিয়া প্ৰশ্নকেইটাৰ পোনপটীয়া উত্তৰ দিয়াঁ—**

১। পৃথিবীৰ সৰ্ববৃহৎ ভাষা পৰিয়ালটোৰ নাম লিখাঁ।

২। এই পৰিয়ালটোৰ প্ৰধান শাখা দুটা কি কি ?

৩। ভাৰতত প্ৰচলিত ভাষা পৰিয়ালসমূহ কি কি ?

৪। চীন-তিব্বতীয় ভাষা পৰিয়ালৰ প্ৰধান শাখা দুটা কি কি ?

**(খ) চমুকৈ লিখাঁ—**

১। দ্ৰাবিড় ভাষা পৰিয়ালৰ ভাষাসমূহৰ নাম উল্লেখ কৰি বৰ্তমান ক'ত ক'ত পোৱা যায় উল্লেখ কৰাঁ। (৬০টা মান শব্দৰ ভিতৰত)

২। থাই-চীন গোষ্ঠীয় ভাষাসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি? অসমত প্ৰচলিত টাই গোষ্ঠীয় ভাষা কেইটাৰ নাম উল্লেখ কৰাঁ।(৫০টা মান শব্দৰ ভিতৰত)

**(গ) বহলাই লিখাঁ—**

(১) ভাৰত ইউৰোপীয় বা ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ পৰিচয় দাঙি ধৰি, এই ভাষা পৰিয়ালৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ।

(২) দ্ৰাবিড় ভাষা পৰিয়ালৰ ভাষাসমূহ কি কি আৰু ক'ত ক'ত পোৱা যায়, প্ৰত্যেকৰে চমু পৰিচয় দিয়াঁ।

(৩) ভাৰতত প্ৰচলিত প্ৰধান ভাষা পৰিয়াল কেইটা আৰু কি কি ? প্ৰত্যেকৰে পৰিচয়সূচক টোকা যুগুত কৰাঁ।

(৪) তিব্বতবৰ্মী পৰিয়ালৰ ভাষাবোৰ কি কি ? এই ভাষা পৰিয়ালৰ অসমত প্ৰচলিত ভাষাসমূহৰ বিষয়ে চমুকৈ লিখাঁ।

## *অধিক অধ্যয়নৰ বাবে প্ৰসঙ্গ পুথি ঃ*


১। ভাষাবিজ্ঞান ঃ ড০ উপেন্দ্ৰনাথ গোস্বামী

২। ভাষাৰ ইতিবৃত্ত ঃ ড০ ভীমকান্ত বৰুৱা

৩। পৃথিৱীৰ বিভিন্ন ভাষা ঃ ড০ নগেন ঠাকুৰ

৪। ভাষাতত্ত্ব ঃ ড০ দীপ্তি ফুকন পাটগিৰি


*****

# খণ্ড ৫

# ভাষাৰ বিভিন্ন ৰূপ (Language Type)

## গোট ১ ঃ ব্যক্তিভাষা (Idiolect), উপভাষা (Dialect), সামাজিক উপভাষা (Social dialect), পিজিন (Pidgin), সংযোগী ভাষা (Lingue-France)

## গোট ২ ঃ ভাষাৰ বৃত্তিগত ভেদ (Register), ৰাজ্যভাষা (State language), ৰাষ্ট্ৰভাষা (National language), মান্য ভাষা (Standard language)

**প্ৰস্তাৱনা ঃ**

মানৱ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ বাবেই ভাষা অপৰিহাৰ্য। পৃথিৱীত অজস্ৰ ভাষা আছে। এই ভাষাবোৰৰ মাজত কিছুমান সাদৃশ্য আৰু কিছুমান বৈসাদৃশ্য আছে। একে ভাষা, অথচ কিমান বেলেগ, ভাষাৰ যে কিমান সুকীয়া ৰূপ আছে ভাবিলে আচৰিত লাগে। শিশু অৱস্থাত কোৱা ভাষা আৰু পূৰ্ণাঙ্গ বয়সত কোৱা ভাষাৰ মাজত পাৰ্থক্য আছে। ঠিক তেনেদৰে একে ভাষাৰে এজন বৃদ্ধৰ ভাষাৰ লগত যুৱক এজনে কোৱা ভাষাৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। একেটা ভাষাৰে আকৌ অঞ্চলভেদে বিভিন্ন ৰূপৰ পাৰ্থক্য থাকিব পাৰে। স্থান-কাল-পাত্ৰভেদেও ভাষাৰ তাৰতম্য ঘটে। ঘৰুৱা পৰিবেশ, শিক্ষানুষ্ঠান, সভা-সমিতি আদিত ব্যৱহাৰ কৰা ভাষা, প্ৰশাসনৰ ভাষা আদি পৰিবেশ অনুযায়ী ভাষাৰ ভেদ পৰিলক্ষিত হয়। এই খণ্ডতটিত ভাষাৰ বিভিন্ন ৰূপসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰধানকৈ ভাষাৰ ৰূপসমূহক দুটা গোটত ভাগ কৰি লৈ আলোচনা কৰা হৈছে। প্ৰথম গোটত– ব্যক্তিভাষা, উপভাষা, সামাজিক উপভাষা, পিজিন আৰু সংযোগী ভাষাৰ বিষয়ে চমুকৈ আলোচনা কৰা হৈছে। দ্বিতীয় গোটত– ভাষাৰ বৃত্তিগত ভেদ, ৰাজ্যভাষা, ৰাষ্ট্ৰভাষা, মান্যভাষা সম্পৰ্কে আলোচনা কৰা হৈছে।

## গোট ১ ঃ ব্যক্তিভাষা, উপভাষা, সামাজিক উপভাষা, পিজিন, সংযোগী ভাষা।

১.০ উদ্দেশ্য

১.১ প্ৰস্তাৱনা

১.২ উপভাষা, ব্যক্তিভাষা, সামাজিক উপভাষা, পিজিন, সংযোগী ভাষাৰ চমু আলোচনা।

১.৩ সাৰাংশ

### ১.০ উদ্দেশ্য ঃ

এই গোটটি পঢ়াৰ পাছত তোমালোকে–

- ভাষাৰ ভেদ কিয় আৰু কেনেকৈ হয় এই বিষয়ে আলোচনা কৰিব পাৰিবা।
- ভৌগোলিক অৱস্থিতি বা অঞ্চলভেদে ভাষাৰ পাৰ্থক্যৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- সামাজিক স্তৰ ভেদেও ভাষাৰ পাৰ্থক্যৰ বিষয়ে লক্ষ্য কৰিব পাৰিবা।
- ভাষাই যোগাযোগৰ মাধ্যম ৰূপে কেনেদৰে কাম কৰে এই সম্পৰ্কে সংযোগী ভাষা আৰু পিজিনৰ যোগেদি আলোচনা কৰিব পাৰিবা।

### ১.১ প্ৰস্তাৱনা ঃ

ভাষাৰ ৰূপ বৈচিত্ৰ্যপূৰ্ণ, সমগ্ৰ বিশ্বত প্ৰায় চাৰি হাজাৰতকৈও অধিক ভাষা প্ৰচলিত আছে। এই ভাষাবোৰ অধ্যয়ন কৰি দেখা গৈছে যে, সকলো ভাষাৰ সাধাৰণ বৈশিষ্ট্যৰ সাদৃশ্য পৰিলক্ষিত হয়। প্ৰতিটো ভাষাৰ মূল উপাদান হৈছে– ধ্বনি, ৰূপ, শব্দ আৰু বাক্য। প্ৰতিটো ভাষাই বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ সমষ্টি। এই ভাষাবোৰৰ মাজত সাদৃশ্য থকাৰ দৰে বৈসাদৃশ্যও পৰিলক্ষিত হয়। প্ৰতিটো ভাষাৰ ধ্বনিগত, ৰূপগত আৰু বাক্যগত দিশৰো তাৰতম্য পৰিলক্ষিত হয়। কিয়নো প্ৰত্যেকটো ভাষাৰে ভাষাগত

বৈশিষ্ট্য সুকীয়া সুকীয়া। আনহাতে পৰিৱৰ্তনশীলতা ভাষাৰ স্বাভাৱিক ধৰ্ম। সেয়েহে ভিন্ ভিন্ ভাষাৰ মাজতো কিছুমান ভিন্নতা পৰিলক্ষিত হয়। এনেদৰে ভাষাৰ বিভিন্ন ৰূপৰ সৃষ্টি হৈছে। তলত ভাষাৰ বিভিন্ন ৰূপবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

## ১.১.১ ব্যক্তিভাষা (Idiolect) ঃ

ভাষাৰ সংকীৰ্ণতম ৰূপ হৈছে ব্যক্তিভাষা। দুজন ব্যক্তি একে পৰিয়ালৰ হ'লেও একেটা ধ্বনিকে একেধৰণে উচ্চাৰণ নকৰে বা একে শব্দকে একেধৰণে ব্যৱহাৰ নকৰে। প্ৰত্যেকজন ব্যক্তিৰ কথাৰ সুৰ, শব্দৰ প্ৰয়োগ, বাক্যৰ গঠন প্ৰণালী আদি নিজা বৈশিষ্ট্যৰে গঢ় লৈ উঠে। সেয়েহে প্ৰত্যেকজন ব্যক্তিৰ ক্ষেত্ৰতো সুকীয়া সুকীয়া কথা কোৱা শৈলী পৰিলক্ষিত হয়। গতিকে কোনো এক সময়ৰ কোনো এক ব্যক্তিৰ কথা কোৱা ধৰণৰ ৰূপটোৱেই হৈছে **'ব্যক্তিভাষা'**। অতি সহজ ভাষাৰে ক'বলৈ গ'লে– কোনো এজন লোকৰ ভাষা কোৱাৰ সুকীয়া প্ৰণালীটোৰ নামেই **'ব্যক্তিভাষা'**।

ব্যক্তিৰ শিক্ষা-দীক্ষা, ব্যৱসায়, অৰ্থনৈতিক অৱস্থা, ধৰ্ম, পাৰিপাৰ্শ্বিক পৰিবেশ আদিৰ ওপৰতো ভাষাশৈলী নিৰ্ভৰ কৰে। একেটা সম্প্ৰদায়ৰে শিক্ষা-দীক্ষা নোপোৱা মানুহ এজনতকৈ শিক্ষিত মানুহ এজনৰ ভাষা কোৱাৰ ধৰণ বেলেগ হয়। একে পৰিয়ালৰ হ'লেও খেতিয়ক, উকীল, শিক্ষক আৰু ইঞ্জিনিয়াৰৰ মাজত ভাষাৰ ভেদ পৰিলক্ষিত হয়। একেখন সমাজৰে শিক্ষক আৰু মাছমৰীয়াৰ ভাষাৰ মাজত পাৰ্থক্য আছে। ধৰ্ম অনুসৰি কথা কোৱাৰ ধৰণ ভিন্ ভিন্ হয়। ধনী-দুখীয়া, পুৰুষ-স্ত্ৰী, সৰু-ডাঙৰ অনুসৰি ভাষা বেলেগ হয়। সূক্ষ্ম দৃষ্টিৰে লক্ষ্য কৰিলে দেখা যায় যে, ব্যক্তি ভাষাৰ ৰূপো সকলো সময়তে একে নহয়। বিভিন্ন পৰিবেশ আৰু পৰিস্থিতিত এজন মানুহে সুকীয়া সুকীয়া মানদণ্ডত কথা কয়। সাধাৰণভাৱে ঘৰত পতা কথা-বতৰাতকৈ লিখা ভাষা বা ৰাজহুৱা অনুষ্ঠানত কথা কোৱাৰ ধৰণ বেলেগ হয়। শিক্ষক এজনে ঘৰুৱা পৰিবেশত যি ভাষা ব্যৱহাৰ কৰে স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ লগত সেই ভাষা ব্যৱহাৰ নকৰে। বন্ধু-বান্ধৱৰ লগত পতা কথাৰ মিল নাথাকে। একেটা কথাকে এজন ব্যক্তিয়ে বিভিন্ন পৰিবেশ পৰিস্থিতিত বেলেগ বেলেগ ধৰণেৰে কয়, প্ৰকৃততে ক'বলৈ গ'লে প্ৰত্যেক মানুহেই একেটা কথাকে একে ধৰণে দুবাৰ ক'ব নোৱাৰে। সামান্য হ'লেও পৰিৱৰ্তন হ'বই।

চমুকৈ ক'বলৈ হ'লে, প্ৰত্যেকজন সুস্থ মানুহেই ভাষা ক'ব পাৰে আৰু এনেদৰে প্ৰত্যকেজন মানুহে কোৱা স্বকীয় বিশিষ্টতাযুক্ত ভাষাক 'ব্যক্তি ভাষা' বুলি কোৱা হয়। হকেটৰ ভাষাত– 'The totality of speech habites of

a single person at a given time constitutes an idiolect'।

### ১.১.২ উপভাষা (Dialect) ঃ

কোনো এটা ভাষা এক বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পিছত বিভিন্ন কাৰণত সেই ভাষা সম্প্ৰদায়ৰ মাজত সঘন মিলামিছা বা যোগাযোগৰ অভাৱ হ'লে, সময়ত গৈ সেই ভাষাটোৰ সীমিত ক্ষেত্ৰীয় বা আঞ্চলিক ৰূপ কিছুমান গঢ় লৈ উঠে। ফলত এটা ক্ষেত্ৰীয় ৰূপৰ সৈতে অন্য এটা ক্ষেত্ৰীয় ৰূপৰ ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত দিশত পাৰ্থক্য দেখা যায়। কিন্তু পাৰ্থক্য থাকিলেও এটা অঞ্চলৰ মানুহে অন্য এটা অঞ্চলৰ কথা বুজি পায় আৰু আঞ্চলিক ৰূপবোৰৰ মাজত সামান্য ধ্বনিগত, ৰূপগত, শব্দগত, বাক্যগত প্ৰভেদ পৰিলক্ষিত হয়। এনেদৰে একোটা ভাষাৰ পৰা ৰূপ লোৱা ক্ষেত্ৰীয় বা আঞ্চলিক ৰূপকে সেই ভাষাটোৰ উপভাষা বুলি কোৱা হয়।

উপভাষা সৃষ্টিৰ কিছুমান কাৰণ আছে। সেইবোৰ হৈছে– জনবসতিৰ গঠন প্ৰক্ৰিয়া, যাতায়ত আৰু প্ৰব্ৰজনৰ পথ, ৰাজনৈতিক গোট, বাণিজ্যিক কেন্দ্ৰ, শৈক্ষিক কেন্দ্ৰ, ভৌগোলিক অৱস্থিতি ইত্যাদি। এই আটাইবোৰ কাৰকে উপভাষা সৃষ্টিত সহায় কৰে যদিও এইবোৰ বাহ্যিক কাৰকহে। উপভাষা সৃষ্টিৰ প্ৰাথমিক আৰু প্ৰধান কাৰণ হৈছে পাৰস্পৰিক মিলামিছা আৰু ভাবৰ আদান প্ৰদানৰ অভাৱ।

### ১.১.৩ মিশ্ৰ ভাষা বা পিজিন (mixed language) ঃ

ব্যৱহাৰিক প্ৰয়োজনৰ তাগিদাত কোনো কোনো ঠাইত একো একোটা কৃত্ৰিম ভাষাৰ জন্ম হয়। দুটা বা ততোধিক সম্প্ৰদায়ৰ লোক কোনো ঠাইত অস্থায়ীভাৱে থাকিবলগীয়া হ'লে এটা সম্প্ৰদায়ৰ ভাষা অন্য এটা সম্প্ৰদায়ে বুজি নাপালে বিভিন্ন ভাষাৰ সমিল মিলত পাৰস্পৰিক কাম-কাজ চলাবলৈ লোৱাৰ ফলত এক প্ৰকাৰৰ নতুন ভাষাৰ সৃষ্টি হয়। এনেদৰে হোৱা সানমিহলি ভাষাটোকে মিশ্ৰভাষা বুলি কোৱা হয়। ডাঙৰ ডাঙৰ বন্দৰবোৰত বিভিন্ন ভাষা-ভাষী নাবিকৰ মাজত, ব্যৱসায়-বাণিজ্যত লগ হোৱা ভিন্ন ভাষী বেপাৰীৰ মাজত, ভিন্ ভিন্ কথা কোৱা ভ্ৰমণকাৰী আৰু পৰিচালকৰ মাজত, প্ৰভু আৰু ভৃত্যৰ মাজত এনে মিশ্ৰ ভাষাৰ সৃষ্টি হয়।

মিশ্ৰ ভাষাক পিজিন (Pidgin) বুলিও কোৱা হয়। পিজিন শব্দটো সম্ভৱতঃ ইংৰাজী business শব্দৰ চীনত হোৱা বিকৃত উচ্চাৰণ। ইংৰাজী ব, জ ধ্বনি চীনত প হয়। গতিকে business>Piziz>Pidgin হৈছে। সাধাৰণ মিশ্ৰ ভাষা বা পিজিনৰ সৃষ্টিত কেতিয়াবা এটা ভাষাৰ শব্দ প্ৰণালীৰ ওপৰত নিৰ্ভৰ

কৰা হয়। এই ভাষাৰ কোনো স্থায়ী ভাষা-সম্প্ৰদায় নাথাকে। এনে ভাষা মনত ৰাখিবলৈ সহজ হয় আৰু ভাষাটো এবাৰ প্ৰতিষ্ঠিত হোৱাৰ পাছত ভাষাৰ আটাইবোৰ বৈশিষ্ট্যই ইয়াত থাকে। অন্য ভাষাৰ দৰে এই ভাষাৰ নিজা ব্যাকৰণ আছে। শব্দসংখ্যা সীমিত যদিও নতুনকৈও শব্দ যোগ হয়।

পৃথিবীত ভালেসংখ্যক মিশ্ৰভাষা বা পিজিনৰ প্ৰচলন হৈ আছে। তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান মিশ্ৰ ভাষা হৈছে— পিজিন ইংলিচ, বীচ-লা-মাৰ, চিনুক আৰু মৰিচাচ ক্ৰেঅ'ল ইত্যাদি।

### ১.১.৪ সামাজিক উপভাষা (Social Dialect) ঃ

সমাজক কেন্দ্ৰ কৰি গঢ় লৈ উঠা ভাষাৰ সুকীয়া সুকীয়া ৰূপবোৰকে **'সামাজিক উপভাষা'** বুলি কোৱা হয়।

এখন সমাজৰ শিক্ষিত, চহৰবাসী, উচ্চ বা মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে ব্যৱহাৰ কৰা ৰূপটোকে শিক্ষানুষ্ঠানত শিকোৱা হয় আৰু ৰেডিঅ', টেলিভিচন আদিত ব্যৱহাৰ কৰা হয়। এই ৰূপটোৱে এক মৰ্যাদা বহন কৰি থকাৰ বাবেই তাক **উন্নত ভাষা** বুলি কোৱা হয়। সেই একেখন সমাজৰে ভিতৰুৱা ঠাইত যোগাযোগ নথকা গাঁৱলীয়া অঞ্চলত কোৱা ভাষাৰ ৰূপ এটাও থাকিব পাৰে। গাঁৱলীয়া অঞ্চলৰ এই ভাষাক **লোক ভাষা** বুলি কোৱা হয়। ভাষাৰ এই দুটা ৰূপৰ মাজতে অন্য এটা ৰূপ থকা দেখা যায়। সেই জনসমাজৰ বেছিভাগেই এই ৰূপটো কোৱাৰ বাবে তাক **জনসাধাৰণৰ ভাষা** নাম দিয়া হৈছে। সেই একে জনসমাজতে বৰ্ণ বৈষম্য বেছি হ'লে বিভিন্ন বৰ্ণৰ লোকৰ ভাষাত কিছু সুকীয়া ৰূপ পৰিলক্ষিত হয়, তাক **বৰ্ণভাষা** বুলি কোৱা হয়। এনেদৰেই এটা ভাষাই স্থান আৰু পাত্ৰ অনুসৰি বিভিন্ন ৰূপ লৈ সামাজিক উপভাষাৰ সৃষ্টি কৰে।

### ১.১.৫ সংযোগী বা উমৈহতীয়া ভাষা (Lingua fanca) ঃ

জীৱিকা নিৰ্বাহৰ প্ৰয়োজনত, ব্যৱসায়-বাণিজ্য, শিক্ষা-দীক্ষা আদি সংক্ৰান্তত দুটা ভিন্ন ভাষা সম্প্ৰদায়ৰ মাজত ভাবৰ আদান-প্ৰদান কৰিবলগীয়া হয়। এনেদৰে ভিন্ন ভাষা সম্প্ৰদায়ৰ মানুহৰ মাজত ভাবৰ আদান-প্ৰদান কৰোঁতে ইটো ভাষা সম্প্ৰদায়ে সিটো ভাষা সম্প্ৰদায়ৰ ভাষা বুজি নোপোৱাৰ বাবে পৰস্পৰে আংশিক বা সম্পূৰ্ণৰূপে বুজিব পৰা তৃতীয় ভাষা এটাৰ সহায় ল'বলগীয়া হয়। এনেদৰে দুটা ভাষা সম্প্ৰদায়ৰ মানুহৰ মাজত ভাব বিনিময়ৰ মাধ্যমৰূপে গঢ় লোৱা তৃতীয় ভাষাটোক **'সংযোগী ভাষা'** বুলি কোৱা হয়।

সংযোগী ভাষা সাধাৰণতে দুটা ভাষাৰ সৰলীকৃত ৰূপ। দুই বা ততোধিক জনগোষ্ঠীৰ মাজত মিলামিছা প্ৰয়োজন হ'লেও এটাই আনটোৰ ভাষা বুজি নোপোৱাৰ বাবে অঞ্চলটোৰ প্ৰধান ভাষা এটাৰ আশ্ৰয় লয় আৰু সেই ভাষাটোৰ লগত নিজা ভাষাৰ কিছু বৈশিষ্ট্য সংযোগ কৰি এটা সৰলীকৃত ৰূপ দিয়ে। অৰুণাচল আৰু নগালেণ্ডত বৰ্তমান দুটা সংযোগীৰূপ অৰুণামিজ আৰু নাগামিজ প্ৰচলন হৈ আছে। নগালেণ্ডৰ নগাসকলৰ মাজত প্ৰায় চৈধ্যটামান জনগোষ্ঠী আছে। এই জনগোষ্ঠীবোৰ হৈছে– কন্যাক, আঙ্গামী, আও, চেমা, লোঠা, চাঙেচাঙ, ফোম য়িমচুংগ্ৰি, ৰেংমা, চাঙ, চংতাম, জেলিয়াং, পচুৰি, খেমুংগাৰ আদি। এই জনগোষ্ঠীসমূহৰ ভিতৰত একুৰিৰো অধিক ভাষা প্ৰচলন হৈ আছে যদিও এইবোৰ পৰস্পৰ দুৰ্বোধ্য ভাষা। আনহাতে অৰুণাচলত প্ৰায় কুৰিটামান ভাষা প্ৰচলিত হৈ আছে। এই ৰাজ্য দুখনত ইটো ফৈদে সিটো ফৈদৰ ভাষা বুজি নোপোৱাৰ বাবে বিভিন্ন ফৈদৰ মাজত ভাব বিনিময় কৰিবলৈ অসমীয়া ভাষাৰ সহায় ল'বলগীয়া হৈছে। ফলস্বৰূপে সেই অঞ্চলৰ ভাষাৰ লগত অসমীয়া ভাষাৰ সংমিশ্ৰণ ঘটি এক সৰলীকৃত ৰূপৰ সৃষ্টি হৈছে। অৰুণাচল আৰু নাগালেণ্ডত অসমীয়া ভাষাই সংযোগী ভাষা হিচাপে কাম কৰি আছে।

**আত্মমূল্যায়ন ১ ঃ**

**উপভাষাৰ সৃষ্টিত কোনবিলাক কাৰকে সহায় কৰে, উল্লেখ কৰাঁ।**

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

## ১.৩ সাৰাংশ ঃ

- ভাষা মানুহৰ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ বাবে অপৰিহাৰ্য উপাদান।
- একোখন সমাজত সাধাৰণতে এটা ভাষা ব্যৱহাৰ কৰি ভাবৰ আদান প্ৰদান কৰে যদিও ব্যক্তি বিশেষে ভাষাৰ উচ্চাৰণ বেলেগ বেলেগ হ'ব পাৰে।
- আকৌ এজন মানুহেই বিভিন্ন ঠাইত বিভিন্ন ধৰণে মনৰ ভাব ব্যক্ত কৰিব পাৰে, এনে কৰাত একেটা ভাষাৰে ভেদ দেখিবলৈ পোৱা যায়। তেনেদৰে একেটা ভাষাৰে অঞ্চলভেদে বিভিন্ন ৰূপৰ পাৰ্থক্য থাকিব পাৰে।
- ভাষা গতিশীল আৰু ই এক অভিনৱ প্ৰক্ৰিয়া। স্থান-কাল-পাত্ৰ ভেদে ভাষাৰ ভেদ পৰিলক্ষিত হয়। ঘৰুৱা পৰিবেশৰ ভাষা, শিক্ষানুষ্ঠানৰ ভাষা, সভা-সমিতি আদিত প্ৰয়োগ কৰা ভাষা, প্ৰশাসনৰ ভাষা আদি পৰিবেশ অনুযায়ীও ভাষাৰ ভেদ পৰিলক্ষিত হয়।

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ১ ঃ**

ভাষা এটা যেতিয়া বিস্তীৰ্ণ অঞ্চলত বিয়পি পৰে তেতিয়া সামাজিক স্তৰ আৰু ভৌগোলিক অৱস্থান অনুসৰি ভাষাটোৰ কিছুমান বৈশিষ্ট্য মূৰ দাঙি উঠে। সামাজিক স্তৰ বিন্যাসতকৈ ভৌগোলিক অৱস্থানেহে একোটা ভাষাৰ কিছুমান আঞ্চলিক ৰূপ সৃষ্টি কৰাত সহায় কৰে। এনেদৰে সৃষ্টি

হোৱা ভাষাৰ ক্ষেত্ৰীয় ৰূপবোৰক উপভাষা বোলা হয়।

উপাভাষাৰ সৃষ্টিত সাধাৰণতে ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক —এই আটাইকেইটা কাৰকে কম-বেছি পৰিমাণে সহায় কৰে। ভাষা এটা বিস্তীৰ্ণ অঞ্চলত বিয়পি পৰাৰ পিছত সেই ভাষা সম্প্ৰদায়ৰ এটা অঞ্চলৰ লগত আন এটা অঞ্চলৰ সহজ আৰু সঘন মিলামিচা হৈ নাথাকিলে, একেটা ভাষাৰে সময়ত গৈ সীমিত ক্ষেত্ৰীয় ৰূপ কিছুমানে মূৰ দাঙি উঠে। ফলত এটা ক্ষেত্ৰীয় ৰূপৰ সৈতে অন্য এটা অঞ্চলৰ ক্ষেত্ৰীয় ৰূপৰ ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত দিশত পাৰ্থক্য পৰিলক্ষিত হয়। অৱশ্যে পাৰ্থক্য হ'লেও এটা অঞ্চলে আন এটা অঞ্চলৰ কথা-বাৰ্তা বুজি পায়। এনেদৰে উপভাষাৰ সৃষ্টি হয়।

ভৌগোলিক কাৰণৰ ভিতৰত জলবায়ু, ডাঙৰ নদী, পৰ্বত, হাবি আদিয়ে দুটা অঞ্চলৰ মানুহৰ মাজত যোগাযোগ কমাই দিব পাৰে আৰু স্বাভাৱিকতে এনে দুই অঞ্চলৰ মাজত উপভাষাগত পাৰ্থক্য পৰিলক্ষিত হয়।

ভৌগোলিক কাৰণৰ দৰে ৰাজনৈতিক কাৰণেও দুটা অঞ্চলৰ মাজত সহজ মিলা-মিচাৰ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ফলত দুটা অঞ্চলৰ মাজত উপভাষাগত পাৰ্থক্য আহি পৰে। ঠিক তেনেদৰে সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক কাৰণত একোটা ভাষা সম্প্ৰদায়ৰ মাজত উপভাষাগত পাৰ্থক্য পৰিলক্ষিত হয়। অৱশ্যে এনে প্ৰতিবন্ধকতা দূৰ হ'লে পুনৰ মিলা-মিচাৰ যোগেদি উপভাষাগত ভেদ নাইকিয়া হৈ পৰে।

## অনুশীলনী– ১

(ক) **চমু টোকা লিখা** —

(১) ব্যক্তি ভাষা

(২) উপভাষা

(৩) সামাজিক উপভাষা

(৪) পিজিন

(৫) সংযোগী ভাষা।

*****

# গোট ২ ঃ ভাষাৰ বৃত্তিগত ভেদ, ৰাজ্য ভাষা, ৰাষ্ট্ৰভাষা, মান্য ভাষা।

**গঠন**

২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ ভাষাৰ বৃত্তিগত ভেদ, ৰাজ্য ভাষা, ৰাষ্ট্ৰভাষা, মান্যভাষাৰ চমু আলোচনা।

২.৩ সাৰাংশ

## ২.০ উদ্দেশ্য ঃ

এই গোটটি অধ্যয়নৰ যোগেদি তোমালোকে–

- ➢ বৃত্তি ভেদে ভাষা প্ৰয়োগৰ ভেদ পৰিলক্ষিত হয় এই সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- ➢ ৰাজ্য ভাষা, ৰাষ্ট্ৰভাষা, মান্য ভাষাৰ স্থিতি আৰু প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

আগৰ গোটটিত ভাষাৰ বিভিন্ন ৰূপৰ সম্পৰ্কে কিছু কথা আলোচনা কৰা হ'ল। এতিয়া ভাষাৰ বৃত্তিগত ভেদ সম্পৰ্কে কিছু কথা আলোচনা কৰা হ'ব। তদুপৰি সমূহীয়া ভাবে ভাবৰ আদান-প্ৰদান কৰিবলৈ এখন ৰাজ্যক তথা এখন ৰাষ্ট্ৰক একোটা ভাষাৰ প্ৰয়োজন হয়। ৰাষ্ট্ৰভাষা, ৰাজ্যভাষা, মান্যভাষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে ইয়াত আলোচনা কৰা হ'ব। তদুপৰি এটা ভাষাই কেনেদৰে মান্যৰূপ পাব পাৰে আৰু ইয়াৰ অন্তৰালত সোমাই থকা কাৰণ সমূহৰ বিষয়েও কিছু কথা আলোচনা কৰা হ'ব।

## ২.২.১ ভাষাৰ বৃত্তিগত ভেদ (Register) ঃ

কোনো এটা ভাষাৰ বৃত্তিগত ভেদেৰ বাবেও ভাষাৰ প্ৰয়োগত ভেদ পৰিলক্ষিত হয়। এজন শিক্ষকে তেওঁৰ ছাত্ৰৰ লগত পতা কথা বতৰাৰ লগত এজন উকীলে তেওঁৰ মক্কেলৰ লগত হোৱা কথা বতৰাৰ ভাষা একে নহয়। কৃষিক জীৱিকা হিচাপে লোৱা লোকসকলে খেতি-বাতি, সাৰ-বীজ আদি সম্পৰ্কে যিবোৰ শব্দ বা ভাষাৰীতি প্ৰয়োগ কৰে তাৰ বহুখিনি নগৰ অঞ্চলত বাস কৰা লোকৰ বাবে দুৰ্বোধ্য হৈ পৰে। একেটা শব্দৰে নানা অৰ্থ উলিয়াই শব্দ ব্যৱহাৰ কৰাত উকীল এজন যেনেকৈ সতৰ্ক, বয়ন শিল্পী এজনে কিন্তু তেনেদৰে একাধিক অৰ্থ নুলিয়ায় বা শব্দ ব্যৱহাৰত সিমান সতৰ্ক নহয়। তেওঁ শব্দৰ প্ৰচলিত অৰ্থৰ মাজতে সন্তুষ্ট থাকে। চাহ খেতিয়ক এজনে পুতেকৰ লগত যেনেদৰে কথা-বতৰা পাতে ঠিক তেনেদৰে অভিযন্তা এজনে পুতেকৰ লগত কথা নাপাতে। এওঁলোকৰ মাজত বৃত্তিগত ভেদৰ বাবে ভাষাৰ ব্যৱহাৰ বা প্ৰয়োগ ভেদ পৰিলক্ষিত হয়। এনেদৰে মানুহৰ বৃত্তি অনুসৰি ভাষাৰ যি ব্যৱহাৰগত ভেদ পৰিলক্ষিত হয় বা ভেদ ধৰা পৰে তাকে **‘ভাষাৰ বৃত্তিগত ভেদ’** বুলি কোৱা হয়।

মন কৰিবলগীয়া যে, বৃত্তিগত ভাষাশৈলী বৰ স্থিৰ নহয়, ই এটা অমূৰ্ত ৰূপহে। এজন মানুহে তেওঁৰ দৈনন্দিন জীৱনত একাধিক বৃত্তিগত ভাষাশৈলী প্ৰয়োগ কৰে। প্ৰত্যেকজন মানুহে নিজৰ ভাষাৰ বৃত্তিগত শৈলী ভেদ সম্পৰ্কে সচেতন। সেয়েহে বিভিন্ন পৰিস্থিতি আৰু পৰিবেশত এই বৃত্তিগত ভাষাশৈলী ভিন্ন ভিন্ন ৰূপত প্ৰয়োগ কৰিব পাৰে।

## ২.২.২ ৰাজ্য ভাষা (State Language) ঃ

এখন ৰাজ্যৰ প্ৰশাসনীয় আৰু সামূহিক কাম-কাজ চলাবৰ কাৰণে এটা প্ৰধান ভাষাৰ প্ৰয়োজন। তদুপৰি ৰাজ্যৰ শিক্ষানুষ্ঠান, অফিচ-আদালত চলাবৰ বাবেও এটা ভাষাৰ প্ৰয়োজন। একোখন ৰাজ্যত বিভিন্ন সম্প্ৰদায়ৰ বা জাতিগোষ্ঠীৰ মাজত যেতিয়া একাধিক ভাষাৰ প্ৰচলন হৈ থাকে তেতিয়া সামূহিক কাম-কাজ চলাবৰ বাবে এটা ভাষা বাছি ল’বলগীয়া হয়। ৰাজ্য চলাবৰ বাবে বাছি লোৱা উমৈহতীয়া ভাষাটোকে **‘ৰাজ্য ভাষা’** বোলা হয়।

অসমৰ ৰাজ্য ভাষা– অসমীয়া, পশ্চিমবংগৰ ৰাজ্য ভাষা– বাংলা আৰু উৰিষ্যাৰ ৰাজ্য ভাষা– উৰিয়া। মুঠতে প্ৰত্যেকখন ৰাজ্য চলাবৰ বাবে একোটাহঁত ৰাজ্যভাষা নিৰ্বাচন কৰি লোৱা হয়। সাধাৰণতে সেই ৰাজ্যৰ সৰহ সংখ্যক জনসাধাৰণে ব্যৱহাৰ কৰা উন্নত ভাষাটোকে ৰাজ্যভাষাৰ মৰ্যাদা দিয়া হয়, কিন্তু কেতিয়াবা ৰাজ্যভাষা সেই ৰাজ্যৰ জনসাধাৰণৰ

ব্যৱহাৰ কৰা ভাষা নহ'বও পাৰে। উদাহৰণ স্বৰূপে নগালেণ্ডৰ ৰাজ্যভাষা ইংৰাজী আৰু মেঘালয়ৰ ৰাজ্যভাষাও ইংৰাজী।

**আত্মমূল্যায়ন ১ ঃ**

**ৰাজ্য ভাষাৰ কাম কি কি ?**

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

______________________________

### ২.২.৩ ৰাষ্ট্ৰভাষা (National Language) ঃ

প্ৰত্যেক ৰাজ্যই সমূহীয়া কাম-কাজ চলাবৰ বাবে যেনেদৰে একোটা ৰাজ্যভাষা নিৰ্বাচন কৰি লয় ঠিক তেনেদৰে এখন দেশৰ প্ৰশাসনীয় কাম-কাজ জাতীয় স্তৰত আলাপ আলোচনা, দিহা-পৰামৰ্শ দিবলৈ একোটা উমৈহতীয়া ভাষাৰ প্ৰয়োজন হয়। এনেদৰে ৰাষ্ট্ৰৰ সমূহীয়া কাম-কাজ চলাবৰ বাবে নিৰ্বাচন কৰা ভাষাটোক **'ৰাষ্ট্ৰভাষা'** বোলা হয়। চৰকাৰী উদ্যোগত ওলোৱা বাৰ্তালোচনী, অনাতাঁৰ কেন্দ্ৰৰ বাতৰি আদি এই ৰাষ্ট্ৰভাষাৰ মাধ্যমেদি প্ৰচাৰ কৰা হয়। দেশৰ প্ৰতিনিধিমূলক বৈঠক (লোকসভা, ৰাজ্যসভা) আদিৰ কাম-কাজ, দেশৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীক সেই ভাষা বাধ্যতামূলক হিচাপে শিকোৱা হয়।

বহু ৰাজ্য লগলাগি ৰাষ্ট্ৰ এখন যেতিয়া পৰিচালনা কৰিবলগীয়া হয় তেতিয়া তাৰ মাজৰ পৰা একোটা ৰাষ্ট্ৰভাষা নিৰ্বাচন কৰি লোৱা হয়, এইটো এটা জটিল প্ৰক্ৰিয়া, ই ভাষাবৈজ্ঞানিক নহয়, বৰঞ্চ ই ৰাজনৈতিকহে। বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰভাষা হিচাপে হিন্দী প্ৰতিষ্ঠিত হৈছে যদিও তাৰ লগে লগে

ইংৰাজী ভাষাও সহযোগী ভাষা ৰূপে গৃহীত হৈ আহিছে।

কেতিয়াবা ৰাষ্ট্ৰভাষা এটা নহৈ একাধিকো হ'ব পাৰে। চুইজাৰলেণ্ডত তিনিটা ভাষা ৰাষ্ট্ৰভাষা ৰূপে স্বীকৃতি পাইছে যেনে – ছুইজ, ফ্ৰেন্স আৰু জাৰ্মান। সকলো চৰকাৰী কাগজ-পত্ৰ এই তিনিওটা ভাষাতে লিখা হয়।

## ২.২.৪ মান্য ভাষা (Standard Language) ঃ

একোটা ভাষাৰ অঞ্চলভেদে কেইবাটাও আঞ্চলিক ৰূপ পোৱা যায়। অঞ্চলভেদে প্ৰয়োগ হোৱা উপভাষা এটাই ভৌগোলিক, সামাজিক, ৰাজনৈতিক আদি দিশত গুৰুত্ব বা প্ৰাধান্য লাভ কৰাৰ কাৰণে অন্যান্য উপভাষাৰ মাজত প্ৰতিপত্তি লাভ কৰে, কোনো এটা সম্প্ৰদায়ৰ মাজত প্ৰচলিত এনে প্ৰতিপত্তি লাভ কৰা উপভাষাটোকে **'মান্যভাষা'** বুলি গণ্য কৰা হয়। এনে প্ৰতিপত্তিৰ বাবে আমি মান্য-অসমীয়া, মান্য-বাংলা, মান্য-ইংৰাজী ভাষা বিচাৰি পাওঁ। উপভাষা এটাই মান্যভাষাৰ মৰ্যাদা লাভ কৰিলেই আঞ্চলিক বা সামাজিক অথবা অন্যান্য প্ৰকাৰৰ ঔপভাষিক ৰূপৰ উৰ্ধত বিয়পি পৰি সকলো উপলক্ষত ব্যৱহৃত হয়। এই ভাষাটো সেই বৃহত্তৰ অঞ্চলটোৰ শিক্ষা-দীক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ হোৱাৰ উপৰিও সাহিত্যাদি ৰচনা কৰাৰ ক্ষেত্ৰতো ইয়াক প্ৰয়োগ কৰা হয়। অন্যান্য ঔপভাষিক গোটবোৰেও এই মানবিশিষ্ট ভাষাটোক পাৰস্পৰিক যোগাযোগৰ বাবে ব্যৱহাৰ কৰে। ৰাজনৈতিক আৰু সাংস্কৃতিক কাৰণৰ বাবেই শিৱসাগৰ অঞ্চলৰ প্ৰচলিত উপভাষাই মান্যভাষা ৰূপে প্ৰাধান্য লাভ কৰে। তদুপৰি মিশ্যনেৰীসকলে এই অঞ্চলৰ কথিত উপভাষাৰ ভেঁটিতেই ব্যাকৰণ, অভিধান ৰচনা কৰে আৰু বিভিন্ন সাহিত্য সৃষ্টি কৰিছিল। এনেবোৰ কাৰণতে শিৱসাগৰৰ উপভাষাই অন্যান্য উপভাষাৰ মাজত প্ৰতিপত্তি লাভ কৰি মান্যৰূপ পায়।

**আত্মমূল্যায়ন ২ ঃ**

**উপভাষাই কেনেদৰে মান্য ৰূপ লাভ কৰে ?**

________________________________________

________________________________________

________________________________________

________________________________________

________________________________________

## ২.৩ সাৰাংশ ঃ

ওপৰৰ আলোচনাৰ পৰা আমি এটা কথা ক'ব পাৰোঁ যে—

- মানুহে দৈনন্দিন জীৱনত ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰে।
- একোটা ভাষাৰে নানা স্তৰত নানা কাৰণত ভাষাগত ভেদ পৰিলক্ষিত হয়।
- বৃত্তিভেদেও ভিন্ ভিন্ বৃত্তিগত ভাষাশৈলী সৃষ্টি হৈছে।
- এখন ৰাজ্য, এখন ৰাষ্ট্ৰৰ সমূহীয়া কাম-কাজ চলাবলৈ একোটাহঁত ভাষাৰ প্ৰয়োজন।
- এখন ৰাজ্যৰ চৰকাৰী কাম-কাজ চলাবলৈ ৰাজ্যিক ভাষা এটা লাগে।

■ ৰাষ্ট্ৰৰ সমূহীয়া কাম-কাজ চলাবলৈ ৰাষ্ট্ৰভাষা এটা নিৰ্বাচন কৰা হয়।

■ কোনো এটা ভাষা কোৱা অঞ্চলত অধিক উপভাষা চলি থাকিলেও এটাকহে মৰ্যাদাসম্পন্ন ভাষাৰূপে স্বীকৃতি দিয়া হয়। এই মৰ্যাদা আনে নিদিয়ে, সেই ভাষা-ভাষী লোকসকলে নিজেই ভাষা ব্যৱহাৰৰ যোগেদি এই মৰ্যাদা সাব্যস্ত কৰে। এনে মৰ্যাদাসম্পন্ন ভাষাই বিভিন্ন উপভাষা-ভাষাৰ মাজত সামূহিক আৰু আনুষ্ঠানিকভাৱে ভাব বিনিময় কৰে।

## আত্মমূল্যায়নৰ সম্ভাব্য উত্তৰ ঃ

**আত্মমূল্যায়ন ১ ঃ**

এখন ৰাজ্যৰ প্ৰশাসনীয় আৰু সামূহিক কাম-কাজ চলাবৰ বাবে এটা ৰাজ্যভাষাৰ প্ৰয়োজন। ৰাজ্যৰ শিক্ষানুষ্ঠান, অফিচ, আদালত আদিত এই ৰাজ্যভাষাৰ মাধ্যমতেই চলে। উদাহৰণস্বৰূপে অসমৰ ৰাজ্যভাষা অসমীয়া, এই অসমীয়া ভাষাৰ মাধ্যমতে প্ৰশাসনীয় কাম-কাজ, চৰকাৰী কাম-কাজ, অফিচ, শিক্ষানুষ্ঠান আদিৰ কাম-কাজ চলোৱা হয়।

**আত্মমূল্যায়ন ২ ঃ**

মান্যভাষাও উপভাষাই। একোটা ভাষাৰ কেইবাটাও উপভাষা থাকিব পাৰে আৰু এই সকলোবোৰ উপভাষাতে উমৈহতীয়া কাম-কাজ চলাবলৈ অসুবিধা হোৱাটো স্বাভাৱিক। সেইবাবে উপভাষাবোৰৰ মাজৰ এটাক সামূহিক কাম-কাজ চলাবৰ বাবে বাচি লোৱা হয়। সাধাৰণতে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কেন্দ্ৰ ৰূপে গঢ় লৈ উঠা অঞ্চলটোৰ উপভাষাটো মৰ্যাদাপ্ৰাপ্ত বুলি ধৰি লোৱা হয়। এনেদৰে মৰ্যাদাপ্ৰাপ্ত বুলি ধৰি লোৱা উপভাষাটোতে কিতাপ-পত্ৰ লিখা হয়, ব্যাকৰণ-অভিধান প্ৰণয়ন কৰা হয় আৰু শিক্ষানুষ্ঠান তথা চৰকাৰী কামত ব্যৱহাৰ কৰা হয়। এনেদৰে মৰ্যাদাপ্ৰাপ্ত উপভাষাটোৱে পাছলৈ মান্যভাষাৰূপে স্বীকৃতি পায়। এনে মৰ্যাদাপ্ৰাপ্তিৰ কাৰণ ভাষাতাত্ত্বিক নহয়, আকস্মিকহে। অসমীয়া ভাষাই আকস্মিকভাৱে মান্যৰূপ লাভ কৰিছিল। মিছনেৰীসকলে শিৱসাগৰ অঞ্চলৰ কথিত উপভাষাটোকে বাচি লৈ ব্যাকৰণ, অভিধান প্ৰণয়ন কৰি মান্য ৰূপ দিছিল। এনেদৰে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক কাৰণত বিশেষ মৰ্যাদা লাভ কৰি অন্য উপভাষাৰ ওপৰত প্ৰসাৰিত হোৱাই মান্যভাষাৰ ধৰ্ম।

## অনুশীলনী– ২

**(ক) চমু টোকা লিখা—**

(ক) ভাষা আৰু উপভাষা

(খ) উপভাষাৰ মান্যতা লাভ

(গ) বৃত্তিগত ভাষা শৈলী

(ঘ) ৰাজ্য ভাষা

(ঙ) ৰাষ্ট্ৰভাষা।

### *অধিক অধ্যয়নৰ বাবে প্ৰসঙ্গ পুথি ঃ*


১। ভাষাবিজ্ঞান ঃ উপেন্দ্ৰ নাথ গোস্বামী।

২। আধুনিক ভাষাবিজ্ঞান পৰিচয় ঃ ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা।

৩। ভাষাতত্ত্ব ঃ দীপি ফুকন পাটগিৰি।

৪। ভাষাৰ ইতিবৃত্ত ঃ ভীমকান্ত বৰুৱা।

৫। Language : Leonard Bloomfield.

৬। An Introduction to Descriptive Linguistics : H. A. Gleason.

৭। General Linguistics : R. H. Robins.

৮। Language : Edward Sapir

৯। Elements of the Science of Language : I.J.S. Taraporewalla.

১০। An Introductory Text Book of Linguistics and Phonetics : Varshney.


*****